
SADIYA COLLEGE, CHAPAKHOWA
শদিয়া মহাবিদ্যালয়, চপাখোৱা
ESTD. 1982

বাৰ্ষিক আলোচনী
শদিয়া মহাবিদ্যালয়

# স্ৰোতস্বিনী

নৱম সংখ্যাঃ ২০২১-২২



তত্ত্বাৱধায়ক
দীপেন্দ্ৰ কুমাৰ খনাল

সম্পাদক
মোহন দলে

# পৰিস্থিতিতন্ত্ৰ পুনৰুদ্ধাৰ বিষয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ২৯ জুন ঃ শদিয়া মহাবিদ্যালয়ৰ ...
আৰু প্ৰাণীবিজ্ঞান বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ আ...
কোষৰ সহযোগত ২৮ আৰু ২৯ জুনত 'পৰিস্থিতিতন্ত্ৰ পুনৰুদ্ধাৰ...
এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভাৰ্চুৱেল আলোচনাচক্ৰ অনুষ্ঠিত হয়। দু...
আলোচনাচক্ৰখনত সমল ব্যক্তি হিচাপে ভাষণ প্ৰদান কৰে অসম ...
টাউন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক নাৰায়ণ চন্দ্ৰ তালুকদাৰ ...
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱন বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যা...
শ্যামা প্ৰসাদ বিশ্বাসে। সমগ্ৰ দেশৰ ২ শতাধিক গৱেষক, শিক্ষাবিদ আ...
ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনাচক্ৰখন উদ্বোধন কৰে ডিব্ৰুগড়...
বিশ্ববিদ্যালয়ৰ জীৱন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ডেভিদ
কাৰডঙে। আদৰণি ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ
ব্ৰজেন বৰা আৰু মহাবিদ্যালয় পৰিচালনা কোষৰ সভাপতি পুষ্পধৰ
গগৈয়ে। অনুষ্ঠানৰ আৰম্ভণিতে শদিয়া মহাবিদ্যালয়ৰ শৈক্ষিক স্থিতি
সম্পৰ্কে ভাষণ প্ৰদান কৰে আইকিউএচি কোষৰ সমন্বয়ক ড° কৰুণাকৰ
পাণ্ডা আৰু উদ্ভিদবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° জ্যোৎস্না কেওটে।
দুদিনীয়া অনুষ্ঠানটো পৰিচালনা কৰে মহাবিদ্যালয়ৰ জীৱবিজ্ঞান আৰু
উদ্ভিদবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপকদ্বয় ক্ৰমে ড° জয় দয়াল মালী
আৰু ড° ৰূপক কুমাৰ শৰ্মাই। সমগ্ৰ অনুষ্ঠানটোত কাৰিকৰী দিশত সহায়
আগবঢ়াই প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক নকুল নেওগে।
অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ সহকাৰী
অধ্যাপক ক্ৰমে ইন্দিৰা গগৈ আৰু সুমীতা থাওচেনে।

**The Sentinel**
*of this land, for its people*

# National webinar on ecorestoration held

**A CORRESPONDENT**

**DOOMDOOMA, June 29**: Under the auspices of Department of Botany and Department of Zoology, Sadiya College, in collaboration with Internal Quality Assessment Cell (IQAC) of the College organized a two-day national webinar on ecorestoration on Monday and Tuesday. Professor Narayan Chandra Talukdar, Vice-Chancellor, Assam Down Town University, and Shyama Prasad Biswas, former Professor, Department of Life Sciences, Dibrugarh University (DU), acted as resource persons for the webinar. They said, "We are not only threatening the planet's ecosystem but also we are threatening our survival. Hence ecorestoration is the need of the hour."

# শদিয়া কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ শগুন সংৰক্ষণৰ কৰ্মশালা

নিয়মীয়া বাৰ্তা, শদিয়া, ৬ জুন ঃ বিশ্ব পৰিবেশ দিৱস উপলক্ষে শদিয়া মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগে প্ৰথমবাৰৰ বাবে শদিয়া ... বিশেষকৈ বিলুপ্তপ্ৰায় শগুন সংৰক্ষণৰ ওপৰত এখন কৰ্মশালা ... উক্ত ...

## ধূলিজানত তামোলৰ পুলি ৰোপণ

# Ways to check human-animal conflicts in State suggested

**CORRESPONDENT**

DOOMDOOMA, Aug 8: The Department of Zoology, Sadiya College, in collaboration with the IQAC of the College and Aaranyak, organised a seminar on human-wildlife conflict and its mitigation on Saturday on a virtual platform. The seminar saw participation of more than 150 students, local people, faculties and educationists, and was inaugurated by Brojen Borah, Principal of Sadiya College.

Dr Jai Dayal Mali, Head, Department of Zoology, Sadiya College, delivered the welcome address, while Dr Karunakar Panda, coordinator, IQAC, Sadiya College, explained the objectives of the webinar.

Khirud Saikia, Range Forest Officer, Sadiya Forest Range, delivered a short talk on the man-animal conflict taking place at the local level. He said that the construction of the Sadiya Industrial Area near the Dhola-Sadiya bridge, which is an elephant corridor, might also be a reason behind such conflicts.

The technical assistance for the webinar was provided by Nakul Neog, Assistant Professor, Department of Zoology, Sadiya College, who introduced the resource person of the webinar Dr Bibhuti Prasad Lahkar, scientist and head, Elephant Research and Conservation Division, Aaranyak.

Dr Lahkar put forward various reasons for the increasing human-animal conflicts and suggested measures to mitigate them.

**Seminar on Assamese literature:** The Department of Assamese of Bir Raghav Moran Government Model (BRMGM) College, Doomdooma, organised a two-day seminar on 'Recent studies in Assamese language and literature.' The seminar, sponsored by the Asam Sahitya Sabha, concluded on Saturday.

On the first day, the seminar was formally inaugurated by the Asam Sahitya Sabha president Dr Kuladhar Saikia. He appealed to all to be responsible towards the Assamese language and literature.

The inaugural session was attended by the Vice Chancellor of Birangana Sati Sadhani State University Dr Jyoti Prasad Saikia as the chief guest. He delivered a lecture on Assamese literature from the ancient period to the present times.

The inaugural session was also addressed by Dr Kailash Patnaik, Professor of Visva Bharati University, Santiniketan, Kolkata. He thanked the organisers for selecting a relevant topic for discussion and also spoke on the contributions of the other languages towards the growth and development of Assamese language and literature.

The inaugural session was anchored by Dr Pranita Neog, Assistant Professor of Assamese, BRMGM College. Earlier, Principal of BRMGM College Dr Amarjit Saikia delivered the welcome address.

On the first day, 50 research papers were presented in three different sessions, which were chaired by former Dean of Dibrugarh University Dr Naba Kumar Handique, Associate Professor of Delhi University, Dr Ratnottama Das and Dr Bhaskar Jyoti Sharma of Anundoram Barooah Bhasa Kola Sanskriti Sangstha. Around 100 participants participated in the first day's programme.

On the second day of the seminar, three sessions were held, in which 45 research papers were presented. The three sessions were chaired by Dr Prafulla Kumar Nath, Professor of Assamese, Gauhati University, Dr Arup Kumar Nath, Assistant Professor of English and Foreign Language, Tezpur University and Dr Subrata Jyoti Neog, HoD of Assamese, Tezpur University, respectively.

The valedictory session was moderated by Dr Pranita Neog and addressed by the Principal of BRMGM College Dr Amarjit Saikia, Tinsukia Zila Sahitya Sabha president Arjun Baruah, Rupai Sakha Sahitya Sabha president Thomas Gogoi, Associate Professor of Doomdooma College Deepak Ranjan Baruah and Professor, Gauhati University Dr Prafulla Kumar Nath.

বাৰ্ষিক আলোচনী

শদিয়া মহাবিদ্যালয়

# স্রোতস্বিনী

নৱম সংখ্যা ঃ ২০২১-২২


তত্ত্বাৱধায়ক

দীপেন্দ্র কুমাৰ খনাল

সম্পাদক

মোহন দলে

**SADIYA COLLEGE MAGAZINE (V0I- IX 2021-22) :** *Edited by* MOHAN DOLEY, *Published by* the Student's Union, Sadiya College 2021-22 on behalf of the college. Printed at *SUNPRINT* , Dibrugarh University Market Complex.

# শদিয়া মহাবিদ্যালয় আলোচনী

## নৱম সংখ্যা ঃ ২০২১-২২

**প্ৰকাশক**

শদিয়া মহাবিদ্যালয়ৰ হৈ ছাত্ৰ একতা সভা

**বেটুপাত**

বিশ্বজিত গগৈ

**অংগসজ্জা**

মনমী কলিতা
নকুল নেওগ
দীপেন্দ্ৰ কুমাৰ খনাল
দ্বিগেন দাস
এলিনা শইকীয়া

**ফটোগ্ৰাফী**

বিশাল উপাধ্যায়

**মুদ্ৰণ** ঃ *চানপ্ৰিণ্ট*

ডিব্ৰুগড় বিশ্ববিদ্যালয় বজাৰ চৌহদ
ডিব্ৰুগড়-৭৮৬০০৪
ফোন নং- +৯১ ৯৪৩৫১৩০০৩৭
Email- sunprintdumc@gmail.com

### সম্পাদনা সমিতি

**উপদেষ্টা** ঃ ড° ভূপেন চুতীয়া
অধ্যক্ষ, শদিয়া মহাবিদ্যালয়

**তত্ত্বাৱধায়ক** ঃ দ্বীপেন্দ্ৰ কুমাৰ খনাল

**সম্পাদক** ঃ মোহন দলে

**শিক্ষক সদস্য** ঃ বুদ্ধিকান্ত মিশ্ৰ
জীউৰাম চাংমাই
ড° কৰুণাকৰ পাণ্ডা
হেমন্ত কুমাৰ দেউৰী
লক্ষ্যজিৎ চিৰিং
ড° ৰাজীৱ খাটিৰড়া
নকুল নেওগ
ৰূপম গগৈ
মনমী কলিতা

**সদস্য** ঃ কপিলা ৰায়
ৰাণী ৰেগন
পৰমানন্দ বৰশইকীয়া
অনিৰুদ্ধ কুলি

(অন্তৰ্ভাগৰ কিছু আলোকচিত্ৰ ইণ্টাৰনেটৰ পৰা সংগ্ৰহ কৰা হৈছে)

# উৎসৰ্গা



যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু বলিদানৰ ফলত শদিয়া মহাবিদ্যালয়ে প্ৰাণ পাই উঠিল সেইসকল মহান ব্যক্তিৰ হাতত ---

# শ্ৰদ্ধাঞ্জলি



হোমেন বৰগোহাঞি
সাহিত্যিক-বুদ্ধিজীৱী
(জন্ম- ৭ ডিচেম্বৰ, ১৯৩২, মৃত্যু- ১২ মে', ২০২১)




ড° ফণীন্দ্ৰনাৰায়ণ দত্তবৰুৱা
ভাষাবিদ
(মৃত্যু- ২ অক্টোবৰ, ২০২১)



ড° প্ৰবীণচন্দ্ৰ দাস
লোকসংস্কৃতি গৱেষক
(জন্ম- ১৯৪১, মৃত্যু- ৪ চেপ্তেম্বৰ, ২০২২)



ড° প্ৰফুল্ল মহন্ত
সমাজ বিজ্ঞানী
(জন্ম- ১৯৪১, মৃত্যু- ২ চেপ্তেম্বৰ, ২০২২)



নীলপৱন বৰুৱা
চিত্ৰশিল্পী
(জন্ম- ১ জুন, ১৯৩৬, মৃত্যু- ২৮ অক্টোবৰ, ২০২২)



ড°লক্ষ্মীনন্দন বৰা
সাহিত্যিক
(জন্ম- ১৫ জুন, ১৯৩২, মৃত্যু- ৩ জুন, ২০২১)



নিপন গোস্বামী
অভিনেতা
(জন্ম- ৩ চেপ্তেম্বৰ, ১৯৪২, মৃত্যু- ২৭ অক্টোবৰ, ২০২২)



মিলেশ্বৰ বুঢ়াগোহাঁই
বৰবাবু, শদিয়া মহাবিদ্যালয়
(জন্ম- ২ ডিচেম্বৰ, ১৯৫৫, মৃত্যু- ৩ নৱেম্বৰ, ২০২২)



ড° হেমাংগ দত্ত
ভাষাবিদ
(মৃত্যু- ১৬ মে', ২০২১)

**PRADAN BARUAH**
MEMBER OF PARLIAMENT
(LOK SABHA)

सत्यमेव जयते

33-35, South Avenue,
New Delhi- 110 011
Tel : 011-23017268, 20317068

Ward No. 6, Rup Nagar
Aradhol, PO & Dist Dhemaji,
Assam, PIN : 787 057
Mobile : + 91-9435048271
E-mail : baruah.pradan@gmail.com



# MESSAGE

I am delighted to know that Sadiya College Students' Union is going to publish their Annual College Magazine for the session 2021-22.

I hereby congratulate the entire Fraternity of Sadiya College who have taken this ingenious step and contributed for this noble cause. I anticipate that the Annual Magazine will articulate the progress made by the Institute and encourage to proceed with innovation while fulfilling the needs of common masses. I believe, this will provide a fruitful platform for all the enthusiasts.

(PRADAN BARUAH)

PRADAN BARUAH
Member of Parliament
Lakhimpur Lok Sabha

**Bolin Chetia,**
MLA
126 Sadiya L.A.C
Chairman, AGCL

सत्यमेव जयते
Government of Assam

Residence
Block 'D' Qtr No. D6
Old M.L.A Hostel
Dispur, Guwahati-6
Cell: 9435035121

*Date* ......................................
*No* ........................................

**বলিন চেতিয়া**
বিধায়ক
১২৬ নং শদিয়া সমষ্টি



## শুভেচ্ছাবাণী

শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ২০২১-২২ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ বহু প্ৰত্যাশিত আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতি আনন্দিত আৰু সুখী হৈছো। অসমৰ উত্তৰ-পূৰ দিশত অৱস্থিত ইতিহাস প্ৰসিদ্ধ ঠাই শদিয়া। এই শদিয়াতেই গঢ় লৈ উঠিছে শদিয়াৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ শদিয়া মহাবিদ্যালয়। এই অনুষ্ঠানত অধ্যয়ন কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ পোহৰ বিলাই নিজৰ লগতে সমাজৰ বিকাশৰ বাবে দায়িত্ব পালন কৰাতো প্ৰশংসনীয় পদক্ষেপ।

আশা কৰিছো আলোচনীখনত প্ৰকাশ পাবলগীয়া বিভিন্ন লেখনিসমূহে নৱপ্ৰজন্মক শৈক্ষিক আৰু বৌদ্ধিক দিশৰ সাধন কৰাৰ উপৰিও সামাজিক দায়বদ্ধতা আৰু দায়িত্ববোধৰ ভাৱ জগাই তুলি সমাজখনক এক নতুন যাত্ৰা প্ৰদান কৰিব। আলোচনীখনৰ তত্ত্বগধুৰ আৰু তথ্যসমৃদ্ধ লেখনিৰে প্ৰকাশ কৰিবলৈ লোৱা সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

বলিন চেতিয়া
(বলিন চেতিয়া)
বিধায়ক, শদিয়া বিধানসভা সমষ্টি,
অধ্যক্ষ, অসম গেছ কোম্পানী

**Prof. Jiten Hazarika,** M.Sc., Ph.D., PGDOR
Vice-Chancellor

**DIBRUGARH UNIVERSITY**
DIBRUGARH | PIN-786 004 | ASSAM
Phone : 0373-2370239 (Off.), Email : vc@dibru.ac.in



# MESSAGE

Situated on the extremely north-eastern corner of Assam which was geographically isolated till opening of the Dhola-Sadiya bridge, Sadiya is one of the picturesque places having historical importance and is a sub-division of Tinsukia district. The society of Sadiya was deprived in many aspects for communication gaps during the past centuries which has been mitigated recently by construction of the longest river bridge of the country over the river Lohit. As there was not a single institution for higher education in and around Sadiya till 1982, some farsighted citizens decided to setup a degree college at Chapakhowa and as a result of which, the Sadiya College came into existence at the centre point of Chapakhowa town in the year 1982 for materializing the dreams of the aspirants for acquiring higher education. As an educational institution, Sadiya College has always been committed to providing its students with a holistic education that fosters intellectual, social and cultural growth.

Since inception, the college has been trying its best to make the students self-reliant, and socially responsible, and thus enabling them to be contributors to the welfare of the society.

It gives me pleasure to know about bringing out the Annual College Magazine of the college, as such a magazine is a platform for the students to showcase their talents and creativity and express their opinions and perspectives.

I would like to congratulate each and every member of the editorial team together with their faculty advisors who led them, for their hard work and dedication in putting together the magazine.

Finally, I want to thank the entire Sadiya College community for its support provided towards the publication. It is a valuable piece of record of the achievements made by the college which would be a source of inspiration for the future generations.

With best wishes,

Date : 27th March, 2023

**(Jiten Hazarika)**

# শুভেচ্ছাবাণী



জনদিয়েক শ্ৰদ্ধাৱান অত্যুৎসাহী ব্যক্তি তথা ৰাইজৰ সহযোগত গঢ় লৈ উঠা শদিয়া মহকুমাৰ একমাত্ৰ উচ্চ-শিক্ষানুষ্ঠান শদিয়া মহাবিদ্যালয়ে আজি চাৰিটা দশক অতিক্ৰম কৰিলে। এটা সময় আছিল, যিটো সময়ত ইয়াৰ ভৌগোলিক অৱস্থান শদিয়াবাসীৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ হৈছিল। হ'লেও শিক্ষা-দীক্ষা, সাহিত্য-সংস্কৃতি আদি চৰ্চাৰ দিশত অৱশ্যে থমকি ৰোৱা নাছিল। সি যি কি নহওক, ঐতিহ্য বহনকাৰী শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত, মানীয় অধ্যক্ষদেৱৰ সহযোগত আজি ছাত্ৰ-ছাত্ৰীসকলৰ বছৰেকীয়া মুখপত্ৰ আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা কাৰ্য অতি আদৰণীয়, প্ৰশংসনীয়।

শিক্ষানুষ্ঠানৰ লগত অতি আত্মিক সম্পৰ্ক থকা মহাবিদ্যালয়ৰ আলোচনীখনৰ গুৰুত্ব অপৰিসীম। ছাত্ৰ-ছাত্ৰীসকলৰ লেখা-মেলা কৰিব পৰাটো এটা ভাল অভ্যাস। ছাত্ৰ অৱস্থাৰ পৰাই এনে সৃষ্টিশীল কৰ্মত হাত দিলে ভৱিষ্যতেও ইয়াৰ প্ৰভাৱ থাকি যাব। দৰাচলতে, সৃষ্টিশীল আমেজটোৱেই মানুহক বহুপৰিমাণে অনুপ্ৰাণিত কৰে। যিকোনো সৃষ্টি কৰ্মই মানুহক যুগে যুগে উৎসাহিত আৰু অনুপ্ৰাণিত কৰি আহিছে। আমি সকলোৱে জনা উচিত যে, অসুন্দৰ পৃথিৱীখনক কলাইহে সুন্দৰ কৰে।

ছাত্ৰ-শিক্ষক, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ সুযোগ গ্ৰহণৰ লগতে তেওঁবিলাকৰ সৃষ্টিশীল চিন্তা-চৰ্চা আৰু বৌদ্ধিক বিকাশৰ পথ প্ৰশস্ত কৰা নিচিনা কাৰ্য নিঃসন্দেহে অতি প্ৰশংসনীয়।

আমি আশা ৰাখিছোঁ, মুখপত্ৰখনে উপহাৰ দিয়া মৌলিক সম্ভাৰসমূহে পাঠক সমাজৰ মন-প্ৰাণ চুই যাব পৰাকৈ সমাদৰ লাভ কৰক। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লিখনীসমূহে সামগ্ৰিকভাৱে সাহিত্য-সংস্কৃতিৰ এক সুস্থ-সৰল পৰিৱেশ গঢ় দিয়াত সহায় কৰাৰ লগতে সকলোৱে বাবে আনন্দ, প্ৰেৰণাৰ উৎস হৈ ৰওক।

শেষত, ছাত্ৰ-শিক্ষক সমন্বিতে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে অনুষ্ঠানটিৰ সামগ্ৰিক উন্নতি আৰু উত্তৰোত্তৰ কামনা কৰিলোঁ।

**- ভুবন চন্দ্ৰ গগৈ**
সভাপতি, পৰিচালনা সমিতি




# From Principal's Desk

In the last few years, especially from 2019 to 2021 we all went through one of the darkest moments of human history due to the pandemic named COVID - 19. Like every aspect of our normal life, regular academic and creative activities, too, suffered. Our personal behavior, interpersonal communication patterns and learning modes too have seen significant changes. In fact, the COVID -19 has transformed our lives more than we can imagine – we have become more introvert, more dependent on digital media, more passive consumers and socially more isolated. Under such circumstances, it is really significant that we have, once again, decided to pick up our normal creative endeavours from where we had left before the pandemic struck.

The annual magazine of Sadiya College, the mouthpiece of the students, is being published after a gap of several years due to several causes including the one mentioned above. This year, the magazine is expected to reflect the cosmopolitan nature of the student community this college proudly serves. It is a multi-lingual magazine which will showcase creative endeavours of the students as well as other stakeholders of the college in Assamese, English, Hindi, Nepali, Tai, Mising and Deori language. By promoting creativity in these many languages spoken by the various communities inhabiting the region, we aspire to create a more inclusive, tolerant and vibrant society – experimenting with the present slogan of the Indian Government – Sabka Saath, Sabka Vikaas, Sabka Vishwas and Sabka Prayaas!

I congratulate the editorial board for transforming this dream of ours into a reality despite all odds. It is hoped that we will be more inclusive, more creative and more colourful in the days to come. Our efforts to achieve excellence will continue. Long live Sadiya College!

**Dr. Bhupen Chutia**
Principal
Sadiya College, Chapakhowa

# Editorial Board 2021-22



Dr. Bhupen Chutia,
Advisor


Dipendra Kr Khanal,
Teacher In charge


Buddhi Kanta Mishra,
Teacher Member


Jew Ram Changmai,
Teacher Member


Dr. K. K Panda,
Teacher Member


Hemanta Kr Deori,
Teacher Member


Lakhyajit Chiring,
Teacher Member


Dr. Rajiv Khatioda,
Teacher Member


Nakul Neog,
Teacher Member


Rupam Gogoi,
Teacher Member


Monmi Kalita,
Teacher Member


Mohan Doley,
Editor


Kapila Rai,
Student Member


Rani Regon,
Student Member


Paramananda Borsaikia,
Student Member


Aniruddha Kuli,
Student Member

# তত্ত্বাৱধায়কৰ একলম...



*“কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচনম”*

সাহিত্যক সমাজৰ দাপোন আখ্যা দিয়া হয়। এছোৱা সময়ৰ সাহিত্যৰ মাজত সেই সময়ৰ ভাষা, চিন্তন, সামাজিক প্ৰেক্ষাপট সকলোবোৰ সন্নিৱিষ্ট হৈ থাকে। সেয়ে সমাজ বিচাৰৰ এক উৎকৃষ্ট সমল হৈছে সাহিত্য। সাহিত্য যিদৰে সমাজ বিচাৰৰ সমল ঠিক সেইদৰে ই মানৱ মনৰ সৃষ্টিশীল চেতনাৰো বৰ্হিপ্ৰকাশ। জীৱনক নিজাকৈ প্ৰকাশ কৰাৰো মাধ্যম। মহাবিদ্যালয় পৰ্যায়ত ছাত্ৰসকলক জীৱন চোৱাৰ, চিনাৰ আৰু তাক অংকন কৰাৰ এক প্ৰেক্ষাপট প্ৰদান কৰে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীসমূহে।

শিক্ষা গ্ৰহণৰ বাবেও সৃষ্টিশীল মন এটা অতি প্ৰয়োজনীয়। ছাত্ৰ অৱস্থাত শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াটো মূলতঃ পাঠ্যপুথি কেন্দ্ৰিক হৈ থাকে। তাৰ সমান্তৰালভাৱে তেওঁলোকৰ সৃষ্টিশীল মনৰ বৰ্হিপ্ৰকাশ ঘটায় শিক্ষানুষ্ঠান একোখনৰ বাৰ্ষিক আলোচনীখনে। গতিকে ছাত্ৰসমাজৰ সৃষ্টিশীল মনৰ কঠিয়াতলী মহাবিদ্যালয়ৰ আলোচনীখন। গতিকে গঠনমূলক চিন্তা, সহমৰ্মিতা, ভাতৃত্ববোধ, সহযোগিতাকে আদি কৰি মানৱীয় প্ৰমূল্যবোধৰ প্ৰকাশ, সংগঠন যাতে মহাবিদ্যালয় আলোচনীখনে কৰিব পাৰে তাৰ প্ৰতি আমি দৃষ্টি ৰখা অতি প্ৰয়োজনীয়। ঠিক সেইদৰে প্ৰয়োজনীয় ‘বৈচিত্ৰৰ মাজত ঐক্য’ৰ ধাৰণা প্ৰতিফলিত কৰাৰ। এই দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখিয়েই এইবাৰৰ মহাবিদ্যালয় আলোচনীখনত প্ৰথমবাৰৰ বাবে ৭ টা ভাষাত সাহিত্য ৰচনাৰ পৰম্পৰাৰ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে।

শদিয়া মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনীখনৰ তত্ত্বাৱধায়কৰ এটি গুৰুত্বপূৰ্ণ দায়িত্ব লৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ যাতে আলোচনীখন গঠনমূলক চিন্তাৰ এক মাধ্যম হিচাপে প্ৰকাশ পায়। এই ছেগতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° ভূপেন চুতীয়াদেৱক এনে গুৰুদায়িত্বৰ বাবে উপযুক্ত বিবেচনা কৰি দায়িত্ব অৰ্পণ কৰাৰ বাবে মোৰ তৰফৰ পৰা কৃতজ্ঞতা জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে আৰু আলোচনী প্ৰকাশৰ জৰিয়তে বৌদ্ধিক ক্ষেত্ৰখন বিকশাই তুলিবৰ বাবে কৰা মহাবিদ্যালয়ৰ প্ৰয়াসক শুভেচ্ছা আৰু উদগনি জনোৱাৰ বাবে লক্ষীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাদেৱ, শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়াদেৱ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰাধ্যাপক জিতেন হাজৰিকা ছাৰ আৰু মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ভুবন চন্দ্ৰ গগৈ দেৱলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ আলোচনীখন প্ৰস্তুত কৰি প্ৰকাশৰ উপযোগী কৰি তোলাৰ ক্ষেত্ৰত বিভিন্ন সময়ত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহযোগিতা আগবঢ়োৱা সহকৰ্মী বিশেষকৈ জীউৰাম চাংমাই ছাৰ, ড° কৰুণাকৰ পাণ্ডা ছাৰ, বুদ্ধিকান্ত মিশ্ৰ ছাৰ, ব্ৰজেন শইকীয়া ছাৰ, হেমন্ত কুমাৰ দেউৰী ছাৰ, মহেন্দ্ৰ বৰগোহাঁই ছাৰ, লক্ষ্যজিৎ চিৰিং ছাৰ, নাংকু দাস ছাৰ, ড° ৰাজীৱ খাটিৱড়া, নকুল নেওগ, মনমী কলিতা, এলিনা শইকীয়া, দ্বিগেন দাস, দৃষ্ণা ফুকন, ৰূপম গগৈ, ড° অজয় শৰ্মা, ড° জয় দয়াল মালী, বৰ্ণালী শইকীয়া, ড° জ্যোৎস্না কেওঁট, ড° উজ্জ্বল প্ৰতীম শইকীয়া, ড° প্ৰাণজিৎ নাথ, আৰু শিৱানী বৰুৱাৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী গোবিন হাজৰিকা, ড° নৱমল্লিকা গগৈ, ডেভিদ শইকীয়া, বাবু গগৈ, ৰমেশ ভট্টৰায়, মণিকুমাৰ ৰায়, শচী চাবুকধৰা আৰু সকলো শিক্ষক-কৰ্মচাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মিচিং ভাষাৰ লেখাসমূহ চাই প্ৰকাশৰ উপযোগী কৰি দিয়াৰ বাবে অনিল মৰাং আৰু দিলীপ পাৰ ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অতিথি লেখক ষড়ানন দেউৰী দেৱলৈ দেউৰী ভাষাৰ লেখা প্ৰদান কৰাৰ কাৰণে ধন্যবাদ জনাইছোঁ। এই ছেগতে শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সকলো সদস্য-সদস্যা তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ সহযোগিতা আগবঢ়োৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে যিসকলে তেওঁলোকৰ লেখাসমূহ প্ৰদান কৰি আলোচনীখন সফলভাৱে প্ৰকাশ হোৱাত সহযোগিতা আগবঢ়াইছে, তেওঁলোকলৈও অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মুদ্ৰণৰ সকলো কাম মূৰ পাতিলৈ সময়মতে আলোচনীখন পাঠকৰ হাতত তুলি দিয়াৰ বাবে এচ'ছিয়েট প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰীৰ লগতে সমূহ কৰ্মচাৰীলৈ অশেষ ধন্যবাদ জনাইছোঁ আৰু সম্পাদকৰ ক্ষেত্ৰত হোৱা সমূহ ভুল ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ সম্পাদকীয় কলম সামৰিলোঁ।

আলোচনীখনৰ তত্ত্বাৱধায়কৰ দ্বায়িত্ব লৈ প্ৰয়োজনীয় সমলৰ অভাৱ, সময়মতে প্ৰয়োজনীয় পৰিমাণৰ সমল লাভৰ পৰা বঞ্চিত হোৱা আদি কিছু সমস্যাৰ সন্মুখীন হৈছিলোঁ। সেইবোৰ অতিক্ৰমি আলোচনীখন প্ৰকাশৰ বাবে সাজু কৰা হ'ল যদিও আলোচনীখনত প্ৰকাশিত সমলৰ আধাৰত আলোচনীখনৰ মানদণ্ড নিৰ্ধাৰণৰ দ্বায়িত্ব আপোনালোকৰ হাতত।

যিসকল মহান মনীষীৰ মহান ত্যাগ আৰু বলিদানৰ ফলত শদিয়া মহাবিদ্যালয়ে প্ৰাণ পাই উঠিল, তেখেতসকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ আৰু লগতে এই আলোচনীখনি তেখেতসকলৰ স্মৃতিত উৎসৰ্গা কৰিছোঁ—

**- দীপেন্দ্ৰ কুমাৰ খনাল**
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

# সম্পাদকীয়



শদিয়া। বুৰঞ্জী প্ৰসিদ্ধ শদিয়া।

তাহানিৰ চুতীয়া ৰাজ্যৰ ৰাজধানীৰ পৰা আৰম্ভ কৰি ঔপনিৱেশিক কালৰ বিভিন্ন সময়বোৰৰ পৰা ড° ভূপেন হাজৰিকা সেঁতুলৈকে এই অঞ্চলটিৰ আছে নিজস্ব তাৎপৰ্য। এই তাৎপৰ্যপূৰ্ণ অঞ্চলটিৰ একমাত্ৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান শদিয়া মহাবিদ্যালয়। শদিয়া অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান হোৱাৰ হেতুকে উচ্চ শিক্ষা অধ্যয়নৰ ক্ষেত্ৰত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই মহাবিদ্যালয়খনিৰ ভূমিকা সৰ্বাধিক আৰু গুৰুত্বপূৰ্ণ। ১৯৮২ চনতে স্থাপিত হোৱা এই প্ৰতিষ্ঠানখনিৰ প্ৰতিষ্ঠাপকসকলৰ কঠোৰ পৰিশ্ৰম আৰু মহান অৱদানৰ ফলশ্ৰুতিতে বৰ্তমান সময়ৰ এই মহাবিদ্যালয়খনিৰ সৃষ্টি। এই ছেগতে সেই মহান ব্যক্তিসকলক গভীৰ কৃতজ্ঞতা আৰু আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

যিদৰে সোণাৰুৰ হালধীয়া হাঁহিৰে চৌপাশৰ নিস্তব্ধতাক মুখৰিত কৰে, যিদৰে শেৱালিয়ে শৰতৰ পৰশত চৌপাশৰ দুৰ্গন্ধক সুগন্ধিত কৰি তোলে, ঠিক তেনেদৰে শিক্ষা প্ৰতিষ্ঠানে বিদ্যাৰ্থীৰ জীৱনৰ ব্যাধিত আৱৰণ দূৰ কৰি শিক্ষাৰ্থীসকলৰ জীৱনৰ পথ মসৃণ কৰি মানৱ জীৱন সাৰ্থক কৰি তোলে। শদিয়া মহাবিদ্যালয়খনিও এই ক্ষেত্ৰত অঞ্চলটোৰ বাবে সৰ্বোচ্চ নিদৰ্শন। জ্ঞানৰ প্ৰয়োগৰ দ্বাৰা সৃষ্টিশীল বাটৰ সন্ধানী এই মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষাগুৰুসকলৰ অৱদানৰ ফলতেই বহুজন অমানুহ প্ৰকৃত মানুহৰূপে ৰূপান্তৰিত হৈছে। তেওঁলোকৰ এই অমূল্য অৱদান শদিয়া অঞ্চলৰ বাবে চিৰকাল চিৰনমস্য হৈ ৰ'ব।

শদিয়া মহাবিদ্যালয়খনিয়ে কেৱল জ্ঞান বিতৰণৰ ক্ষেত্ৰতে যে গুৰুত্ব প্ৰদান কৰে তেনে নহয়। একোজন ছাত্ৰ বা ছাত্ৰীৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰতো এই প্ৰতিষ্ঠানে বিশেষ ভূমিকা পালন কৰি আহিছে। ক্ৰীড়া, সাহিত্যিক, সাংস্কৃতিক দিশতো ই যথেষ্ট অৰিহণা আগবঢ়াই আহিছে আৰু অনাগত দিনবোৰতো এই ধাৰা অব্যাহত থাকিব। মহাবিদ্যালয়খনিৰ এনেক্ষণত অসাধাৰণ ভূমিকা পালন কৰে মহাবিদ্যালয়খনিৰ আলোচনীখনে। বিভিন্নজন প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীৰ একলমেৰে প্ৰাণ পাই উঠে এই আলোচনীখন। আলোচনীখনৰ জৰিয়তেই বিকশিত হৈ উঠে আমাৰ শিক্ষাৰ্থীসকলৰ মাজত নিহিত হৈ থকা সাহিত্যৰ লিখন কলা। সৃষ্টি হয় এজন নতুন লিখকৰ। নবীন কথাৰে নৱ শব্দৰ ছন্দেৰে গঠিত বাক্যাংশৰ জৰিয়তে আমাৰ প্ৰতিভাশীল লিখক সকলে যিসমূহ লিখনি আগবঢ়ালে সেয়া সঁচাকৈয়ে শলাগনীয়। মহাবিদ্যালয়খনিৰ মুখপত্ৰ স্বৰূপ আলোচনীখনে পূৰ্বৰ বৰ্ষসমূহৰ দৰে চলিত বছৰো নিপুণ লিখকৰ বিকাশৰ ক্ষেত্ৰতো এন অনন্য ভূমিকা পালন কৰিছে। মানৱ জীৱনত প্ৰভাৱিত কৰা প্ৰতিটো বিষয়কে সুন্দৰভাৱে উপস্থাপন কৰি যি অভূতপূৰ্ব প্ৰতিভাৰ পৰিচয় দাঙি ধৰিলে, মহাবিদ্যালয়খনৰ বাবে এয়া অতিকৈ গৌৰৱান্বিত বিষয়। তেওঁলোকৰ এই আদৰণীয় শৈলী অব্যাহত থাকক জীৱন জুৰি।

**মহাবিদ্যালয়ৰ আলোচনীখনৰ সৈতে এবছৰীয়া দিন আৰু মোৰ অনুভৱ**

জীৱনত সফলতা অৰ্জন কৰিবলৈ হ'লে লক্ষ্য, ইচ্ছা, চেষ্টা আৰু আগ্ৰহৰ অতি প্ৰয়োজন। এই চাৰিটা বস্তু যদি মানুহৰ থাকে তেন্তে যিকোনো কাম সহজে বাস্তৱত ৰূপায়িত কৰিব পাৰে। মোৰ মনত এটা ইচ্ছা আছিল মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হোৱা আৰু সেই ইচ্ছা পূৰণ কৰিবৰ কাৰণে মহাবিদ্যালয়ত হোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আলোচনী বিভাগত প্ৰতিদ্বন্দ্বিতা কৰি গৰিষ্ঠ সংখ্যক ভোটত জয়যুক্ত হওঁ। মহাবিদ্যালয়ৰ হকে এনে ধৰণৰ দায়িত্বপূৰ্ণ কাম আলোচনী সম্পাদনাৰ দায়িত্ব পোৱাত মোৰ বাবে জীৱনত এয়াই প্ৰথম। এই ছেগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক কাম কৰাত সুযোগ প্ৰদান কৰিছে; সেই সকল ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ।

প্ৰথম অৱস্থাত মহাবিদ্যালয়ৰ এনে ধৰণৰ দায়িত্বপূৰ্ণ কাম লৈ মনত খুৱেই আনন্দ লাভ কৰিছিলোঁ। আলোচনী এখন সম্পাদনা কৰাটো তেনেই সহজ কাম নহয়। আলোচনীখনৰ দায়িত্ব লৈয়ে জাননী ফলকত ছাত্ৰ-ছাত্ৰীৰ পৰা লিখনি বিচাৰি জাননী দিছিলোঁ। কিন্তু এই ক্ষেত্ৰত লেখনি বিচাৰি বাৰে বাৰে অনুৰোধ জনোৱাৰ পাছতো সময়মতে নাপাই লিখনিৰ অভাৱে দেখা দিছিল, আমি হতাশাত ভুগিছিলোঁ। শিক্ষাগুৰুসকলৰ পৰা বা ছাত্ৰ-ছাত্ৰী সকলৰ পৰা আমি সময়মতে লিখনি নাপালোঁ। তাৰ পিছত ছাত্ৰ-ছাত্ৰীবোৰক ওচৰৰ পৰা ক'ব ধৰিলোঁ,

বহুতক ফোন কৰি আলোচনীখনৰ বাবে তেওঁলোকৰ লিখনিসমূহ WhatsAppৰ যোগেও খুজিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা লিখনিবোৰ শিক্ষাগুৰুসকলে বাছি দিয়া অনুসৰি আলোচনীত প্ৰকাশ কৰিবলৈ লৈছিলোঁ। ছাত্ৰ-ছাত্ৰীলৈ মোৰ ফালৰ পৰা এটা অনুৰোধ তেওঁলোকৰ লিখনিসমূহ নিম্নমানৰ বুলি নাভাবি অধিক মনোবলেৰে অধ্যয়ন তথা সাহিত্য-চৰ্চা অব্যাহত ৰাখে যেন।

২০২১-২২ বৰ্ষৰ আলোচনীখনৰ নাম **স্ৰোতস্বিনী** নামেৰে সম্পাদনা সমিতিয়ে নামকৰণ কৰে। এই আলোচনীখন অন্য বছৰৰ দৰে উন্নত কৰিব পাৰিলো নে নাই তাৰ উত্তৰ পঢ়ুৱৈ সমাজে ক'ব। এই উত্তৰৰ সমভাগী আমি সকলোৱে হ'ম। **স্ৰোতস্বিনী** নামৰ আলোচনীখন সম্পাদন কৰিবলৈ যি সকল ছাত্ৰ-ছাত্ৰীয়ে লিখনি আগবঢ়াইছিল সেই সকল ছাত্ৰ-ছাত্ৰীয়ে আমাৰ শিল্প ৰূপটো আগবঢ়াই বা সমৃদ্ধিশালী কৰি তুলিবলৈ ন-পুৰণিৰ সমন্বয়ৰে সততা, সাহস, ধৈৰ্য্য আৰু প্ৰয়োজনীয় নব্য চিন্তাধাৰাৰে প্ৰতিজনেই অধিক সচেতন হৈ আপ্ৰাণ চেষ্টাৰে আগবাঢ়ি যাওক।

আলোচনীখন সম্পাদনাৰ ক্ষেত্ৰত অধ্যক্ষ সন্মানীয় ড° ভূপেন চুতীয়া ছাৰে সময়মতে অৰ্থ মোকলাই নিদিয়াহেঁতেন এই ৰূপত প্ৰকাশ কৰাতো আমাৰ বাবে সাধ্য নহ'লহেঁতেন। তেখেতলৈ মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লেখনিবিলাক চাই-মেলি দিয়াৰ বাবে সন্মানীয় উপদেষ্টা দীপেন্দ্ৰ কুমাৰ খনাল ছাৰ, জীউৰাম চাংমাই ছাৰ, ড° কৰুণাকৰ পাণ্ডা ছাৰ, বুদ্ধিকান্ত মিশ্ৰ ছাৰ, ব্ৰজেন শইকীয়া ছাৰ, হেমন্ত কুমাৰ দেউৰী ছাৰ, লক্ষ্যজিৎ চিৰিং ছাৰ, ড° ৰাজীৱ খাটিৰড়া ছাৰ, নকুল নেওগ ছাৰ, মনমী কলিতা বাইদেউ, এলিনা শইকীয়া বাইদেউ, দ্বিগেন দাস ছাৰৰ লগতে দৃষ্ণা বাইদেউ, ৰূপম গগৈ ছাৰ, শিৰানী বৰুৱা বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মিচিং ভাষাৰ লেখাসমূহ চাই প্ৰকাশৰ উপযোগী কৰি দিয়াৰ বাবে অনিল মৰাং আৰু দিলীপ পাৰ ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অতিথি লেখক ষড়ানন দেউৰী দেৱলৈ দেউৰী ভাষাৰ লেখা প্ৰদান কৰাৰ কাৰণে ধন্যবাদ জনাইছোঁ। মোৰ কাৰ্যকালৰ সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা মোৰ বন্ধু পৰমানন্দ বৰশইকীয়া, অনিৰুদ্ধ কুলি, ৰাণী ৰেগন, ৰিকুমণি বাইলুং, অভিনাশ গোহাঁই, কপিলা ৰায় লগতে সমূহ বন্ধু-বান্ধৱীলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত মুদ্ৰণৰ সকলো কাম মূৰ পাতিলৈ সময়মতে আলোচনীখন পাঠকৰ হাতত তুলি দিয়াৰ বাবে এচ'ছিয়েট প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰীৰ লগতে সমূহ কৰ্মচাৰীলৈ অশেষ ধন্যবাদ জনাইছোঁ আৰু সম্পাদকৰ ক্ষেত্ৰত হোৱা সমূহ ভুল ক্ৰটিৰ ক্ষমা বিচাৰি মোৰ সম্পাদকীয় কলম সামৰিলোঁ।

ধন্যবাদ

**- মোহন দলে**
আলোচনী সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ

# আদৰণি ভাষণ ঃ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস

## ৬ ছেপ্তেম্বৰ, ২০২২

পৰম শ্ৰদ্ধাৰ আজিৰ শদিয়া মহাবিদ্যালয়ৰ ৪১ তম প্ৰতিষ্ঠা দিৱসত উপস্থিত থকা এই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত ভুৱন চন্দ্ৰ গগৈদেৱ, লক্ষীমপুৰ লোকসভা সমষ্টিৰ মাননীয় সাংসদ শ্ৰী যুত প্ৰদান বৰুৱাদেৱ, শদিয়া বিধান সভাৰ বিধায়ক শ্ৰীযুত বলীন চেতিয়াদেৱ, প্ৰতিষ্ঠা দিৱসৰ বক্তৃতা অনুষ্ঠানৰ অন্যতম বক্তা, আমন্ত্ৰিত, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য, ইতিহাসবিদ প্ৰাধ্যাপক ডম্বৰুধৰ নাথ দেৱ, এই মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা বিভিন্ন ধৰণে বহুমূলীয়া অৱদান আগবঢ়োৱা সন্মানীয় ব্যক্তিসকল, শুভাকাংক্ষীসকল, স্থানীয় গণ্য-মান্য ব্যক্তিসকল, বিভিন্ন চৰকাৰী কাৰ্যালয় তথা শিক্ষানুষ্ঠানক প্ৰতিনিধিত্ব কৰা সন্মানীয় ব্যক্তিসকল, এই মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল, বৰ্তমানৰ কৰ্মৰত সন্মানীয় শিক্ষকবৃন্দ, গ্ৰন্থগাৰিকা, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী সকল, আজি অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী সকল আৰু লগতে উপস্থিত অন্যান্য সদাশয় ব্যক্তিসকল। আপোনালোক সকলোকে অসমৰ পূৰ্বপ্ৰান্তত অৱস্থিত শদিয়া মহাবিদ্যালয়ৰ ৪১ তম প্ৰতিষ্ঠা দিৱসত অভিনন্দন জনাইছোঁ; লগতে এই মহাবিদ্যালয়লৈ স্বাগত জনাইছোঁ। এই পবিত্ৰ দিনটোত আপোনাসৱক আমাৰ মাজত পাই আমি নিজকে ধন্য মানিছোঁ আৰু উৎসাহিত হৈ পৰিছোঁ । ভগৱানে আপোনালোকৰ মংগল কামনা কৰক ।

সুধীবৃন্দ ! শদিয়াবাসীৰ লগতে আমাৰ সকলোৰে সৌভাগ্য যে ১৯৮২ চনৰ আজিৰ দিনটোতে এই অঞ্চলৰ কিছুসংখ্যক লোকে উচ্চশিক্ষাৰ প্ৰসাৰ তথা প্ৰচাৰৰ বাবে এখন মহাবিদ্যালয় স্থাপন কৰিলে । অসমৰ বিভিন্ন ঠাইৰ পৰা এজাক তৰুণ-তৰুণীয়ে আপোনালোকৰ আহ্বানক সঁহাৰি জনাই এই মহাবিদ্যালয়ত শিক্ষকতা কৰিবলৈ আগবাঢ়ি আহিল আৰু জন্ম হ'ল শদিয়া মহাবিদ্যালয়ৰ। থৰক বৰক খোজেৰে জীৱন আৰম্ভ কৰা শদিয়া মহাবিদ্যালয়ে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আজি ৪০ বছৰ সম্পূৰ্ণ কৰিলে । এক কথাত কবলৈ গ'লে শদিয়া মহাবিদ্যালয় আজি প্ৰাপ্তবয়স্ক হ'ল। সেয়েহে আজি আমি সকলোৰে এই মহাবিদ্যালয়ৰ ৪১ বছৰীয়া জন্ম দিৱসত সমবেত হৈছোঁ এই মহান যাত্ৰাৰ এক সাক্ষীস্বৰূপে, এই জয় যাত্ৰাৰ সোৱাদ ল'বলৈ, অংশীদাৰ হ'বলৈ ।

অসমৰ ইতিহাসত শদিয়াৰ এক সুকীয়া স্থান আছে। অতি প্ৰাচীন কালৰে পৰা শিক্ষা, সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক ক্ষেত্ৰত শদিয়াই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু দক্ষিণ-পূব এছিয়া তথা চীনদেশৰ সভ্যতা-সংস্কৃতিৰ আদান-প্ৰদানৰ এক ব্যস্ত কেন্দ্ৰ হিচাপে এই অঞ্চল পৰিচিত আছিল। বৰ্তমানৰ শদিয়াৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা প্ৰাচীন ভৱন সমূহে জীৱন্ত সভ্যতাৰ কথাকে সোঁৱৰায়। মধ্যযুগৰ তিব্বত-বাৰ্মীজ ভাষী বড়ো-কছাৰীমূলীয় চুতীয়া সকলৰ শাসন, ১৬ শতিকাৰ পৰা আহোম ৰাজ্যৰ গুৰুত্বপূৰ্ণ অংগ হিচাপে, বৃটিছ সাম্ৰাজ্যৰ আকৰ্ষণৰ এক কেন্দ্ৰবিন্দু হিচাপে আৰু অতি শেহতীয়াকৈ স্বাধীন ভাৰতৰ এক অংগ হিচাপে শদিয়া অঞ্চলে এক বৈচিত্ৰ্যময় ইতিহাসৰ সাক্ষী হিচাপে থিয় দি আছে। কিন্তু এই ইতিহাসেই আকৌ সাক্ষী হৈ আছে কেনেকৈ বিভিন্ন কাৰণত, বিশেষকৈ প্ৰতিকূল প্ৰাকৃতিক পৰিঘটনাৰ বাবে শদিয়া অঞ্চলটিৰ বহিঃবিশ্বৰ পৰা প্ৰায় বিচ্ছিন্ন হৈ অৱহেলিত হৈ দীৰ্ঘদিন পিছপৰি থাকিল। এনে এক ঐতিহাসিক তথা সামাজিক পৰিস্থিতিৰ মাজতো শদিয়াত উচ্চ শিক্ষাৰ বাবে এখন ৰাজহুৱা মহাবিদ্যালয় স্থাপন কৰিবলৈ আগবাঢ়ি অহাৰ বাবে শদিয়া অঞ্চলৰ ৰাইজ তথা শিক্ষক-শিক্ষয়িত্ৰীসকল সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ। বহিঃবিশ্বৰ সমানে সমানে এই অঞ্চলটো শিক্ষাৰ পোহৰ বিলাবৰ বাবে লোৱা আপোনালোকৰ সেই পদক্ষেপ এই অঞ্চলৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব।

কিন্তু সময়ৰ পৰিৱৰ্তন গতি বৰ্তমানে বহুগুণে বৃদ্ধি পালে। শদিয়া এতিয়া কোনোফালে কোনো অঞ্চলৰ পৰা বিচ্ছিন্ন হৈ থকা নাই। তিনিখনকৈ আটকধুনীয়া সেঁতুৰে বিশ্বৰ উন্নয়নৰ সম্ভাৰ শদিয়ালৈকে লৈ আহিল। শদিয়া আজি কোনো ক্ষেত্ৰতে পিছপৰি থাকিব নোৱাৰে। শদিয়া মহাবিদ্যালয়ৰ উন্নয়নৰ গতিও তেনেদৰে দূৰন্ত হোৱাৰ সময় আহি পৰিছে। তেনে এক প্ৰেক্ষাপটতেই আজি এই মহাবিদ্যালয়ৰ ৪১ তম প্ৰতিষ্ঠা দিৱসটি উদযাপন কৰিবলৈ লোৱা হৈছে এক নতুন ৰূপত। এই প্ৰতিষ্ঠা দিৱস উদযাপনৰ উদ্দেশ্য হৈছে জন্মলগ্নৰে পৰা

জড়িত হৈ থকা লোকসকলক একগোট কৰি সোণালী অতীতক স্মৰণ কৰা, বৰ্তমানৰ মহাবিদ্যালয়ৰ অৱস্থাৰ কথা আলোচনা কৰা তথা ভৱিষ্যতৰ বাবে পৰিকল্পনা কৰা। তেনে এক উদ্দেশ্যেৰে আমি আজি ৪১ খন পতাকা উত্তোলন কৰি সেই অতীতক স্মৰণ কৰিছোঁ, জন্মলগ্নৰ সময়ত বিশেষ অৱদান আগবঢ়োৱা ৪১ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনাব বিচাৰিছোঁ আৰু ভৱিষ্যতে দোপতদোপে আগুৱাই যাবলৈ আপোনাসৱৰ শুভেচ্ছা, আশীৰ্বাদ আৰু সহায়-সহযোগিতা কামনা কৰিছোঁ ।

১৯৮২ চনত কলা শাখাৰে আৰম্ভ কৰা শদিয়া মহাবিদ্যালয়ত ২০০৯ চনত বাণিজ্য শাখাৰ আৰম্ভ কৰা হয়। সম্পূৰ্ণৰূপে ছাত্ৰ-ছাত্ৰীৰ বৰঙণিৰে এই শাখাটো বৰ্তমান চলাই থকা হৈছে। ২০২০ বৰ্ষত অসম চৰকাৰৰ আশীৰ্বাদত বিজ্ঞান শাখা আৰম্ভ কৰা হয়। ইয়াৰ লগে লগে শদিয়া মহাবিদ্যালয় তিনিটা শাখাত শিক্ষাদান কৰা অসমৰ এমুঠিমান শিক্ষানুষ্ঠানৰ মাজৰ এখন হৈ পৰিল। এই তিনিওটা শাখা আমাৰ বাবে এক শক্তিৰ আধাৰ হৈ পৰিছে আৰু আগন্তুক সময়ত শদিয়া মহাবিদ্যালয় Multi-disciplinary শিক্ষা প্ৰদানৰ এক কেন্দ্ৰত পৰিণত হ'ব। তিনিওটি শাখাৰ বৰ্তমান প্ৰায় ১৪০০ (চৈধ্যশ) ছাত্ৰ-ছাত্ৰীৰে এই মহাবিদ্যালয় জীৱন্ত হৈ পৰিছে। অৱশ্যে সীমিত আন্তঃগাঁঠনি আৰু সা-সুবিধাৰ বাবে ই আমাৰ বাবে এক প্ৰত্যাহ্বানৰো সৃষ্টি কৰিছে। আশা কৰোঁ আপোনালোকৰ সহায় সহযোগিতাৰে আমি এই প্ৰত্যাহ্বানক সম্ভাৱনালৈ ৰূপান্তৰ কৰাত ফলৱতী হ'ম। আজি আমি শদিয়া মহাবিদ্যালয়ক এখনি অত্যাধুনিক উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে পৰিকল্পনা কৰাৰ অংশ হিচাপে ইতিমধ্যে আমি উন্নয়নৰ এক ৰূপৰেখা (Masterplan) প্ৰস্তুত কৰিছোঁ আৰু মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি নতুন প্ৰশাসনিক ভৱন, বিজ্ঞান ভৱন আৰু ছাত্ৰাৱাস নিৰ্মাণৰ পৰিকল্পনা কৰিছোঁ ।

National Assessment and Accreditation Council, চমুকৈ NAACৰ দ্বাৰা মূল্যায়ন কৰোৱাই চৰকাৰী অনুদানেৰে মহাবিদ্যালয় খনিৰ দ্ৰুত উত্থানৰ পৰিকল্পনা কৰা হৈছে। কিন্তু তাৰ বাবেই আপোনালোকৰ আশীৰ্বাদ তথা সহায়-সহযোগিতাৰ অত্যন্ত প্ৰয়োজন হৈছে। কাৰণ বৰ্তমানৰ আন্তঃগাঁথনি NAACৰ ভাল মূল্যায়নৰ বাবে যথেষ্ট নহয়। আমি অতি কম দিনৰ ভিতৰত ৰাইজ, ব্যক্তিগত প্ৰতিষ্ঠান, চৰকাৰী তথা অৰ্ধ চৰকাৰী প্ৰতিষ্ঠানৰ আৰ্থিক সহযোগিতাৰে এই মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়ন নকৰিলে আশাব্যঞ্জক মূল্যায়নৰ প্ৰমাণ পত্ৰ পোৱাটো সম্ভৱ নহয়।

লগতে, New Education Policy-2020ৰ নিৰ্দেশনা অনুযায়ী আগন্তুক ১৫ বছৰত শদিয়া মহাবিদ্যালয়ক আমি এখনি স্বতন্ত্ৰ অনুষ্ঠান হিচাপে, এখনি ৰাজ্যিক মডেল বিশ্ববিদ্যালয় হিচাপে পৰিগণিত কৰাৰ পৰিকল্পনা কৰিছোঁ। ৰাইজ তথা অসম চৰকাৰৰ সহযোগ পালে এই মহাবিদ্যালয়ক সোণালী জয়ন্তী বৰ্ষত নিশ্চয় এক নতুন তথা সংবৰ্দ্ধিত ৰূপত দেখা যাব। আমাৰ আশা আজিৰ এই সভাই আমাৰ এই সপোনক সাকাৰ ৰূপ দিয়াত প্ৰথমটো পদক্ষেপ গ্ৰহণ কৰিব। ইতিমধ্যে পুৱাৰ ভাগত মাননীয় সাংসদ মহোদয় আৰু বিধায়ক মহোদয়ে আমাৰ প্ৰস্তাৱিত বিজ্ঞান ভৱনটিৰ আধাৰশিলা স্থাপন কৰিছে। আশাকৰোঁ তেখেতসকলৰ সহযোগত আমি অহা এবছৰৰ ভিতৰতে এই ভৱনটিৰ নিৰ্মাণ সম্পূৰ্ণ কৰিম।

আমি আজিৰে পৰাই প্ৰতিবছৰে এই প্ৰতিষ্ঠা দিৱসতেই এক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। প্ৰতি বছৰে বিভিন্ন বিষয়ৰ একোজনকৈ সমল ব্যক্তিৰ বক্তব্যৰে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সমৃদ্ধ কৰিব বিচাৰিছোঁ। এই বছৰ প্ৰথমটি বক্তৃতা প্ৰদানৰ বাবে ইতিহাসবিদ অধ্যাপক ডম্বৰুধৰ নাথদেৱক আমন্ত্ৰণ কৰিছিলোঁ। তেখেতে আমাৰ প্ৰস্তাৱক সঁহাৰি জনাই আমাৰ মাজত উপস্থিত হৈছেহি। তাৰ বাবে আমি তেখেতৰ ওচৰত চিৰঋণী। আশাকৰোঁ তেখেতৰ বক্তব্যই আমাক আগবাঢ়ি যোৱাত অনুপ্ৰেৰণা যোগাব।

সদৌ শেষত সকলোৰে ওচৰত আমাৰ আহ্বান— আহক আমি সকলোৱে শদিয়া মহাবিদ্যালয়ৰ অগ্ৰগতিৰ অংশীদাৰ হওঁ। আপোনালোক সকলোকে শদিয়া মহাবিদ্যালয়লৈ পুনৰ সশ্ৰদ্ধ আদৰণি জনাইছোঁ।

ধন্যবাদ

**ড° ভূপেন চুতীয়া**
অধ্যক্ষ
শদিয়া মহাবিদ্যালয়

# সূচীপত্ৰ


- তত্ত্বাৱধায়কৰ একলম... — *দীপেন্দ্ৰ কুমাৰ খনাল*
- সম্পাদকীয় — *মোহন দলে*


## *কথাশিল্প*


- ড্ৰাগচ্, দুটা কাহিনী আৰু এক চিন্তা — *ৰূপম গগৈ* // ১৯
- অন্ধবিশ্বাস — *হিমাদ্ৰী চিৰিং* // ২১
- প্ৰবচনত কথা শিল্প — *ড° ৰাজীৱ খাটিৱড়া* // ২২
- মিচিং ভাষাৰ ওপৰত এষাৰ (ভাষাই সকলোকে আপোন কৰে) — *মোহন দলে* // ২৩
- এটা কাউৰীৰ কাহিনীৰে (জীৱনত নিজৰ তুলনা কাৰো লগত নকৰিব) — *মানৱ চাংছা গগৈ* // ২৫
- অজান ঠাইখনলৈ — *স্বপন বুঢ়াগোহাঁই* // ২৬
- সমাজত গ্ৰন্থ অধ্যয়নৰ প্ৰভাৱ — *মঞ্জুলা বৰুৱা* // ২৮
- প্ৰেয়সীৰ নিমন্ত্ৰণেই আছিল নে? — *প্ৰাঞ্জল বৰগোহাঁই* // ৩০
- অসমৰ ভৌগোলিক আৰু সামাজিক জীৱনৰ কিছু ধাৰণা — *ৰশ্মিৰেখা বৰা* // ৩১
- নাৰায়ণৰ মৰ্ম বেদনা — *ৰশ্মা কুলি* // ৩৩
- অৰুণোদয়ত প্ৰকাশিত জাতীয় উন্নতিবিষয়ক গদ্য আৰু ইয়াৰ পুনৰ্পৰিক্ৰমাৰ প্ৰয়োজনীয়তা — *মনমী কলিতা* // ৩৪
- ভাৰতীয় আৰক্ষী সেৱা (IPS)ৰ বিষয়ে কিছু কথা — *সুদীপ্ত চেতিয়া* // ৩৭
- প্ৰেতাত্মাৰ বিলাপ — *পৰমানন্দ বৰশইকীয়া* // ৩৮
- ঠিকনাবিহীন এখন চিঠি — *নন্দিতা বৰা* // ৩৯
- **Save Soil Campaign** — *Dr. Navamallika Gogoi* // ৪০
- **Importance of Financial Education** — *Sibani Baruah* // ৪২
- **College Magazine: A Seedbed for Nurturing of Students' Talents** — *Lakhyajit Chiring* // ৪৩
- **असम में कोरोना वायरस का प्रभाव** — *Ankita Rai* // ৪৬
- চিবাঁ-মকঁ হাবা — *ষড়ানন দেউৰী* // ৪৭


## *কাব্যশিল্প*


- মা — *পাৰ্থ প্ৰতীম গগৈ* // ৪৯
- প্ৰশ্ন মাথোঁ তোমালৈ — *দেভিচ বৰগোহাঁই* // ১৯
- মুখা — *বৰ্ণালী শইকীয়া* // ৫০
- প্ৰকৃতিয়ে কঢ়িয়াই আনিছে বসন্তৰ বাতৰি — *মৃদুস্মিতা গগৈ* // ৫০
- জীপাল সময় — *ধনজিৎ বুঢ়াগোহাঁই* // ৫০

- মা... মই তোমাৰ সন্তান — *কাবেৰী বড়া* || ৫১
- আধৰুৱা স্মৃতি — *সীমাৰাণী বুঢ়াগোহাঁই* || ৫১
- তুমিবিহীন পল — *দেভিচ বৰগোহাঁই* || ৫১
- স্মৃতি — *প্ৰভাত বুঢ়াগোহাঁই* || ৫২
- কৰুণতম — *ড° ঋতুপৰ্ণা বুঢ়াগোহাঞি* || ৫২
- শৰত — *কাবেৰী বৰা* || ৫২
- **My Life My Choice** — *Papori Chiring* || ৫৩
- **Life is Precious** — *Miss Aparna* || ৫৩
- मॉं — *Ankita Rai* || ৫৩
- प्रकृति — *Johni Boniya* || ৫৩
- नजर अदांज — *Karina Limbu* || ৫৪
- आमा — *Riya Saru* || ৫৪
- उज्यालो भविष्य को खोजि — *Janeki Chetry* || ৫৫
- प्यारो बुबा — *Karina Limbu* || ৫৫
- [illegible] (আই ছিং থাও) (প্ৰাৰ্থনা) — *নাং দৃষণ্ণা ফুকন* || ৫৬
- **NA:NÉ BA:BU** — *Barnali Doley* || ৫৭
- **GÍNÉ AYÍR** — *Barsha Regon* || ৫৭

## ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভাগীয় প্ৰতিনিধিসকলৰ প্ৰতিবেদন

- সভাপতিৰ প্ৰতিবেদন — *কপিলা ৰায়* || ৫৮
- সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন — *জোনাক বড়া* || ৫৯
- সংগীত সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন — *ধৰ্মৰাজ গগৈ* || ৬১
- তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন — *পল্লৱী গগৈ* || ৬২
- সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন — *দেভিচ বৰগোহাঁই* || ৬৪
- ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন — *জ্যোতিৰ্ময় গগৈ* || ৬৫
- ছাত্ৰী জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন — *কাশ্মীনা দেউৰী* || ৬৬

প্ৰবন্ধ



# ড্ৰাগচ্
## দুটা কাহিনী আৰু এক চিন্তা

- ৰূপম গগৈ
সহকাৰী অধ্যাপক, গণিত বিভাগ

**কাহিনী ১ ঃ**

এটা সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা ৰাহুল। এইবছৰ সি হায়াৰ ছেকেণ্ডেৰী পৰীক্ষাত ফেইল কৰিছে। সৰুতে সি পঢ়া-শুনাত ভালেই আছিল। অভাৱ কি বস্তু সৰুৰে পৰা ৰাহুলে বুজাই নাই। লাগ বুলিলেই মাক দেউতাকে পইছা, কাপোৰ-কানি, ম'বাইল ইত্যাদি সকলো দিছে। সৰুৰে পৰা বাধা-শাসন নোপোৱাকৈ ডাঙৰ হোৱা ৰাহুলৰ স্বভাৱবোৰ লাহে লাহে পৰিবৰ্তন হৈছিল। পৰিবৰ্তন হৈছিল তাৰ লগবোৰৰ। তাৰ হাতত পইচা দেখি তাক উচতাই উচতাই গুট্‌খা, মদ খুওৱাৰ লগতে নিজেও খোৱা বন্ধুৰ অভাৱ নাছিল। এনেকৈয়ে তাৰ জীৱনত নিচাৰ আগমন ঘটিল মাক-দেউতাকৰ অলক্ষিতে। এখন নিষিদ্ধ পৃথিৱীৰ সোৱাদ পাইছিল সি আৰু লাহে লাহে সেই পৃথিৱীত সি ডুবি গৈছিল। এনেকৈয়ে এদিন তাৰ বন্ধু এজনে তাক এটা আচৰিত বস্তুৰ সোৱাদ দিলে যিটো সেৱনৰ পাচত তাৰ চব ভাল লাগিব ধৰিলে। নতুন উদ্যম, আনন্দ, স্ফূৰ্তি, মুঠতে পৃথিৱীখন সি নতুনকৈ আৱিষ্কাৰ কৰিছিল। ড্ৰাগচ্‌ৰ নিচাই তাক গ্ৰাস কৰিছিল ক্ৰমান্বয়ে। সময়ত ড্ৰাগচ্ নাপালে সি বলিয়া হৈ যায়। লাহে লাহে মাক-দেউতাকে দিয়া টকাৰে তাৰ নচলা হ'ল। সি মনে মনে ঘৰৰ পৰা পইচা চুৰ কৰিবলৈ ল'লে। মাক-দেউতাকে সকলোবোৰ গম পাই তাক বুজাবলৈ বহুত চেষ্টা কৰিলে কিন্তু একো ফল নধৰিল। কিবা অলপ বেছিকৈ ক'লেই বা বিচৰা সময়ত পইচা নিদিলেই সি উগ্ৰ হৈ উঠিছিল, ঘৰৰ বস্তু-বাহানি ভাঙিছিল। মাক দেউতাকে কোনোপধ্যেই তাক বুজাব নোৱাৰি একেবাৰে হতাশ হৈ পৰিল। তেওঁলোকৰ মুখৰ হাঁহি নোহোৱা হৈ গ'ল। সৰুৰে পৰা শাসন নকৰা আৰু নৈতিক শিক্ষা নিদিয়াৰ অনুশোচনাত তেওঁলোক দহিব ধৰিলে। এদিন ৰাহুলৰ হাতত থকা পইচা শেষ হোৱাত পইচা বিচাৰোঁতে মাক-দেউতাকে ড্ৰাগচ্‌ৰ বাবে আৰু এক টকাও নিদিওঁ বুলি তাক টানকৈ শুনালে। সময়ত ড্ৰাগচ্ নাপাই সি হৈ উঠিল। দুয়োজন বাহিৰত থকাৰ সুযোগ চাই সি ঘৰৰ আলমাৰিত পইচা বিচাৰিব ধৰিলে কিন্তু এটা পইচাও তাত নাপালে। তেনেতে মাকৰ গহনা থোৱা বাকচটো তাৰ চকুত পৰিল আৰু সেইটো খুলি চাই মাকৰ গহনাখিনি দেখি তাৰ মুখ উজ্জ্বল হৈ উঠিল। সি তাৰপৰা মাকৰ চেইন এডাল হাতত তুলিলে কিন্তু তেনেতে মাকে পিচফালৰ পৰা আহি সেই দৃশ্য দেখি হতভম্ব হ'ল। তেওঁ জোৰকৈ চেইনডাল ৰাহুলৰ পৰা ল'বলৈ চেষ্টা কৰিলে আৰু তেওঁলোকৰ মাজত টনা-আঁজোৰা হ'বলৈ ধৰিলে। ৰাহুল একেবাৰে হুঁচত নাছিল। সি মাত্ৰ এটাই জানিছিল তাক এতিয়া ড্ৰাগচ্ লাগে। সি এবাৰ জোৰকৈ ওফাল মাৰি দিয়াত মাক ওপৰলৈ মুখ কৰি পৰি গ'ল আৰু কাঠৰ বিছনাখনৰ চুকত মূৰৰ পাছফালে বেয়াকৈ খুন্দা খাই গ'ল আৰু তেজ ওলাবলৈ ধৰিলে আৰু তেওঁ অচেতন হৈ পৰি ৰ'ল। কিন্তু ৰাহুলৰ সেইবোৰ চাবৰ সময় নাছিল। সি মাত্ৰ এটাই জানিছিল তাক সোনকালে ড্ৰাগচ্ লাগে। তাৰ সৰ্বশৰীৰ কঁপি আছিল। সি তৎক্ষণাত মাকৰ চেইনডাল লৈ ওলাই গ'ল আৰু মাক তেনেকৈয়ে পৰি ৰ'ল। পাছত দেউতাক অফিচৰ পৰা আহি পাওঁতে বহুত পলম হৈ গৈছিল। মাকৰ মূৰৰ পৰা বহুত তেজ গৈছিল আৰু মূৰত বেয়াকৈ আঘাত পাইছিল। ডাক্তৰে বহুত চেষ্টা কৰিও সফল হ'ব নোৱাৰিলে। নিজৰ পত্নীক হেৰুৱাই দেউতাকে ইনাই বিনাই কান্দিছিল আৰু নিজক দোষ দিছিল এনে কুলাংগাৰ পুত্ৰ জন্ম দিলোঁ বুলি। পুলিচে

সকলো তদন্ত কৰি ৰাহুলক গ্ৰেপ্তাৰ কৰিলে আৰু তাক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰা হ'ল। পাচলৈ সি যেতিয়া নিচাৰ পৰা মুক্ত হ'ল অনুশোচনাই তাক জীয়াই থাকিব দিয়া নাছিল। সি জেলত থাকোঁতেই চৰম সিদ্ধান্ত বাচি ল'লে। শেষত ৰৈ গৈছিল মাথোঁ মানসিক ভাৰসাম্যহীন ৰাহুলৰ দেউতাক। এনেদৰে শেষ হৈ গ'ল এটা সম্পূৰ্ণ পৰিয়াল।

**কাহিনী ২ ঃ**

মাধৱ গাঁৱৰ এটা দুখীয়া পৰিয়ালৰ ল'ৰা। দুয়ো মাক-দেউতাকে হাজিৰা কৰি যেনে তেনে পৰিয়ালটো পোহপাল দি আছে। সৰুৰে পৰা চকু দিবলৈ সময় নোপোৱাৰ বাবে মাধৱ দিনে দিনে উদণ্ড হৈ আহিল। পঢ়া-শুনাৰ প্ৰতি অলপো আগ্ৰহী নহয় মাধৱ। কিন্তু মাক-দেউতাকৰ আশা সি এদিন পঢ়ি-শুনি সফল হৈ মাক-দেউতাকৰ কষ্টৰ দিনবোৰ নোহোৱা কৰিব। চৰকাৰে দিয়া ফ্ৰী এড্মিচনৰ সুবিধা লৈ মাক-দেউতাকে তাক কলেজত নাম লগাই দিলে বহু আশা লৈ। কিন্তু কলেজলৈ আহি সি উদণ্ড ল'ৰা কিছুমানৰ লগ পাই আৰু বেছি বেয়ালৈ ঢাল খালে। লাহে-লাহে মদ-ভাং খাবলৈ শিকিলে। মাক-দেউতাকক কিতাপ কিনিবলৈ পইচা খোজে আৰু তেওঁলোকে অলপ বেছিকৈ কাম কৰি কষ্ট কৰি পইচা যোগাৰ কৰি দিয়ে। সেই পইচাৰে মাধৱে মদ খাই খৰচ কৰে। এনেকৈয়ে এদিন তাক লগৰ এজনে ড্ৰাগচ্‌ৰ সোৱাদ ল'বলৈ দিলে আৰু সি সেইয়া পাই পাগল হৈ উঠিল। সেই নিচাৰ অবিহনে সি থাকিব নোৱাৰা হ'ল। মাক-দেউতাকৰ পৰা কিতাপ, ফৰ্ম ফিল্-আপ এইবোৰ বাহানাৰে পইচা লয়। তেওঁলোকে ৰাতি আধাপেটেৰে থাকি কথা পাতে "আমাৰো এদিন ভাল দিন আহিব বুজিছা, ল'ৰাটো এদিন সফল হ'ব। কেইদিনমান আমি বেছিকৈ কষ্ট কৰোঁ একো নহয়।" মাকৰ চকু পানীৰে উপচি পৰে কল্পনা কৰি। কিন্তু মাধৱক সেইখিনি টকাৰে নোযোৱা হয়। ঘৰৰ পৰা কিবা নিবলৈও ঘৰত একো নাই। অৱশেষত উপায়হীন হৈ সি আৰু লগৰ এটা মিলি মানুহৰ ঘৰত ৰাতি চুৰ কৰা পৰিকল্পনা কৰে। আৰু এনেকৈয়ে সিহঁত চোৰ হয়। মানুহৰ ঘৰৰ বাহিৰত থকা পানীৰ মটৰ, চাইকেল যি পায় সিহঁতে চুৰ কৰিব ধৰিলে। কিন্তু চোৰৰ খবৰ পাই মানুহবোৰ সজাগ হ'বলৈ ধৰিলে। অৱশেষত এঘৰ মানুহৰ পাছফালৰ বাৰাণ্ডাত থকা ৱাচিং মেচিনটো চুৰ কৰিবলৈ লৈ ধৰা পৰিল। দুয়োটাকে গাঁৱৰ মানুহে ধৰি লৈ পিটিলে। চুলি কাটি মুখ ক'লা কৰি গাঁও ঘূৰালে আৰু পুলিচক গটাই দিলে। মাধৱৰ মাক-দেউতাকৰ মূৰত সৰগ ভাঙি পৰিল। দুয়োজনে হিয়া ধাকুৰি কান্দিলে আৰু পুত্ৰৰ কৰ্মত লজ্জিত হৈ কাম কৰিবলৈ উলাই যাবলৈও মন নকৰা হ'ল। দেউতাকৰ আগৰে পৰা পিত্তৰ বেমাৰ আছিল। এতিয়া ভোকে লঘোণে আৰু বেমাৰ বাঢ়িল আৰু অতি দুৰ্বল হৈ উঠিল। মাকে কাম কৰি ভাতেই খুৱাব নে বেমাৰ দেখুৱাব সেই অৱস্থা হ'ল আৰু অৱশেষত দেউতাকে এদিন মাকক অকলশৰীয়া কৰি গুচি গ'ল। নিজৰ ভাগ্যক ধিয়াই মাক ৰৈ গ'ল ঘৰত নিজৰ পুত্ৰক কেতিয়াও ক্ষমা নকৰাৰ প্ৰতিশ্ৰুতিৰে।

**চিন্তন ঃ**

ওপৰৰ দুয়োটা কাহিনীয়েই সমাজলৈ এৰি গ'ল বহু প্ৰশ্ন। পিতৃ-মাতৃ সকলক সুধি গ'ল তেওঁলোকৰ দায়িত্ব ঠিকমতেই কৰিছেনে? শিক্ষকসকলক সুধি গ'ল আমি জীৱনৰ পাঠ শিকাব নালাগিবনে? আৰক্ষী বাহিনীক সুধি গ'ল তেওঁলোকৰ দায়িত্ব ভালদৰে পালন কৰিছেনে আৰু যদি কৰিছে সমাজত ড্ৰাগচৰ মুক্ত বেহা কিয় চলিছে? নেতা-মন্ত্ৰীসকলক সুধি গ'ল তোমালোক কাৰ নেতা? সমাজখন সঠিক দিশত নিয়াৰ কৰণীয় আৰু কিবা আছে নেকি? আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন যুৱ সমাজৰ বাবে, "তোমালোকৰ দায়িত্ব তথা কৰণীয় কি? তোমালোকৰ আদৰ্শ কি হোৱা উচিত? আমি নিচাত ডুব যাম নেকি? নিচাত ডুব যোৱাৰ অধিকাৰ আমাৰ আছেনে? আমি কাৰ ওচৰত দায়বদ্ধ?"

মই আচৰিত হওঁ, সৰুৰে পৰা যিটো বেয়া বুলি শুনি আহিছোঁ, বেয়া বুলি দেখি আহিছোঁ, যাৰ এটাও ভাল দিশ নাই আমি তাৰ প্ৰতি কিয় আগ্ৰহী হওঁ। ড্ৰাগচ্‌'ৰ বিৰুদ্ধে সজাগতামূলক অনুষ্ঠান বা লিখনি এইবোৰ কিয় কৰিব লগা হয়। এইবোৰো কৰিবলগীয়া কাম হ'ব লাগিছিলনে? কি বিচাৰিছোঁ আমি জীৱনত? কাক আদৰ্শ হিচাপে লৈছোঁ আমি? কিছুমান উদণ্ড, গুৰু-গোসাঁই নমনা, মদাহী, অকৰ্মণ্য, অসফল, অকৰ্মী ল'ৰা কিছুমানৰ জীৱন শৈলী পাবলৈ আমি কিয় উদগ্ৰীৱ হৈ থাকোঁ? আমি চিন্তা কৰোঁচোন কাৰ কাৰণে এই পৃথিৱীখন দেখিছোঁ, কোনে সৰুৰে পৰা আমাক এই অৱস্থা পোৱালেহি, সেইয়া কেৱল আমাৰ পিতৃ-মাতৃ। তেওঁলোকৰ কাৰণে আমাৰ কৰণীয় কি হোৱা উচিত? তেওঁলোকৰ সকলো সপোন, সকলো কষ্ট কেৱল আমাৰ কাৰণেই নহয়নে? আৰু আমি কি কৰিছোঁ? আমি যদি উদণ্ড, অকৰ্মণ্য, মদাহী এই শ্ৰেণীৰ ভিতৰতে পৰোঁ তেতিয়াহ'লে মা-দেউতাৰ কষ্টক আমি তাচ্ছিল্য কৰা নাইনে? তেওঁলোকৰ আশা-সপোনক আমি ভৰিৰে মোহাৰি পেলোৱা নাইনে? সেই অধিকাৰ আমাৰ আছেনে? আমি পাৰিমনে মদ, ড্ৰাগচ্ আদিত আসক্ত হৈ জীৱন ধ্বংস কৰাৰ কথা ভাবিব?

এটা কথা অপ্ৰিয় সত্য যে ড্ৰাগচত আসক্ত হোৱা মানেই আমি চোৰ হোৱাৰ দিশত অগ্ৰসৰ হোৱা। কাৰণ ড্ৰাগচ আসক্ত এজন লোকৰ জীৱনত আৰু একোৱেই নাথাকে। তাৰ বাহিৰে আন একোৱেই চিন্তা কৰিব নোৱাৰে, একেবাৰে অকৰ্মণ্য হৈ পৰে। কিন্তু ড্ৰাগচ্ নহ'লেতো তেওঁ থাকিব নোৱাৰে, গতিকে শেষত এটাই পথ বাকী থাকে, চুৰ কৰা। গতিকে হে যুৱবন্ধু সকল, আহা আমি এখন ড্ৰাগচমুক্ত সমাজ গঢ়োঁ। এইয়া কেৱল আমাৰ বাবে আৰু আমাৰ পিছৰ প্ৰজন্মৰ বাবে। ❏

গল্প



# অন্ধবিশ্বাস

- হিমাদ্রী চিৰিং
স্নাতক বিজ্ঞান শাখা, দ্বিতীয় ষাণ্মাসিক
গণিত বিভাগ

দিনটোৰ বাবে অপাৰ সম্ভাৱনা কঢ়িয়াই সোণোৱালী ধাননি পথাৰখনিৰ সিমূৰৰ পূব আকাশত বেলিটিয়ে ঢলফাঁট দিলে। পখীৰ কাকলিৰে গোটেইখন মুখৰিত হৈ পৰিল । টোপালবোৰ লাহে লাহে অদৃশ্য হ'বলৈ ধৰিলে । আকাশ তেনেই পৰিস্কাৰ। ইমান নীলা বাৰু কোনে চতিয়ালে? আৰু ইমান শুকুলা ডাৱৰৰ চপৰাবোৰে ওপঙি ওপঙি কিয় যে বিচিত্ৰ খেল দেখুৱায়। এনে পৰিৱেশ বাৰু কাৰ ভাল নালাগে?

নৈঋতা থৰ লাগি ৰ'ল। তাই অপলক দৃষ্টিৰে সুদূৰ দিগন্তলৈ ভালেমান পৰ চাই থাকিল। কিন্তু তেনেকৈ সময় নষ্ট কৰি থকাটো তাইৰ বাবে সম্ভৱ নহয়। স্কুললৈ যাব লাগে। ভাল লাগে, এনে পৰিৱেশ নৈঋতাৰো ভাল লাগে। কিন্তু আজি তাইৰ ভাল লগা নাই। আচলতে আজি কেইদিনমান ধৰি তাইৰ মুঠেই ভাল লগা নাই। ধাননি পথাৰ, ঘৰ-দুৱাৰ, গছ-গছনিৰে চৌপাশ ভৰপূৰ অথচ তাইৰ মন বিষণ্ণ।

নৈঋতা দশম শ্ৰেণীৰ ছাত্ৰী। স্কুললৈ বৰ বেছি দূৰ নহয়। পঢ়া-শুনাত তাই বৰ বেছি দূৰ নহয়। পঢ়া-শুনাত তাই বৰ আগ্ৰহী। কোনোদিনে স্কুল খতি নকৰে। শিক্ষকসকলেও নৈঋতাক বেচ মৰম কৰে। কিন্তু দশম শ্ৰেণী পোৱাৰ পৰা তাইক এটা কথাই বৰ আমনি কৰি আছে। পিছে ঘটনাটো নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ কিছুদিন আগতেই হোৱা। একো ডাঙৰ ঘটনাও নহয়। কিন্তু সেই কথাটো মনত পৰিলেই তাইৰ মনত আউল লাগি যায় । এদিন শিক্ষকে শ্ৰেণীত অন্ধবিশ্বাসৰ বিষয়ে কৈ আছিল। আন বহুতো কথাৰ মাজতে ভূত-প্ৰেতৰ বিষয়ে অৱধাৰিত ভাৱে ওলাল। হঠাৎ তেখেতে সুধিছিল- 'ভূত-প্ৰেত আছেনে নাই ?' নকলেও হ'ব সকলো ছাত্ৰ-ছাত্ৰীয়ে তপৰাই ক'লে- 'আছে ছাৰ।' ৰাতি এন্ধাৰত অকলে ওলাব নোৱাৰা তাইও মুখ ফুটাই নকলে যদিও মুখৰ ভিতৰত সেই একেটা উত্তৰেই হেঁচো খাই সোমাই থাকিল । ছাৰে মুখ টিপিয়াই হাঁহিলে আৰু ক'লে, 'এই ভূত-প্ৰেত আন একো নহয়, এইবোৰ অন্ধবিশ্বাস।' হ'ব পাৰে, পিছে নৈঋতাই এই কথা মানি ল'ব পৰা নাই। অলেখ প্ৰশ্নই তাইৰ মন মগজুত থিতাপি লৈ তাইৰ নিদ্ৰা হৰণ কৰিছে।

যদি ভূত-প্ৰেত নায়েই তেন্তে সৰু ল'ৰা ছোৱালীৰ কথা বাদেই বহু ডাঙৰ মানুহেও কিয় ৰাতি বাহিৰলৈ ভয়তে ওলাব নোৱাৰে? ভূত-প্ৰেতক ভিত্তি কৰি চিনেমা (হ'ৰৰ চিনেমা) নিৰ্মাণ কৰে কিয়? বা নিৰ্মাণ কৰিবলৈ দিয়ে কিয়? সৰু ল'ৰা ছোৱালীক তেনে চিনেমা চাবলৈ নিদিয়ে কিয়? তেনে চিনেমা চাই ৰাতি অকলে ঘৰলৈ আহিবলৈ বা শুবলৈ ভয় লাগে কিয়? চিনেমা নিৰ্মাণ কৰা সকলে ভূত দেখিছে নেকি? যদি ভূত নায়েই চিনেমা নিৰ্মাণ কৰা সকলেনো কেনেকৈ জানিলে ভূতনো দেখিবলৈ কেনেকুৱা? মানুহৰ শৰীৰত ভূত প্ৰৱেশ কৰে বুলি বা জানিলে কেনেকৈ? অসংখ্য গল্প, প্ৰবন্ধ, উপন্যাস নাটক কেৱল ভূতক লৈয়েই ৰচিত হৈছে। এই লিখক সকলে ভূত দেখিছে নেকি? নেদেখাৰ বাবেই ভূত অন্ধবিশ্বাস নেকি?

যদি নেদেখা বস্তুবোৰ অন্ধবিশ্বাস তেন্তে ভগৱানক বিশ্বাস কৰাটো অন্ধবিশ্বাস হয়নে নহয়? ভগৱানকতো মানুহে দেখা নাই।

মানুহে কিয় ভগৱানৰ নাম লয় ? পূজা-পাতল কৰে ? তাকো কেৱল দুখৰ দিনত, ভগৱান কেৱল দুখৰ বাবেহে আছে নেকি ? যদি সুখ-দুখ সকলো সময়ৰ বাবে ভগৱান আছে সুখৰ সময়ত তেৰাৰ নাম ল'বলৈ পাহৰে কিয় ? এনেকুৱা হেজাৰটা প্ৰশ্নই জুমুৰি ধৰি নৈঋতাক বৰ অশান্তি দিয়ে কিন্তু তাই ইমানবোৰ প্ৰশ্ন কাকনো সুধিব ভাবি নাপায়। সুধিলে জানোচা ভেকাহি মাৰি উঠে? সেয়ে নৈঋতাৰ মনত দুখ ! কাক কম, কোনে পতিয়াব ? যিয়ে শুনে সিয়ে লঠিয়াব, তাইৰ অৱস্থা তেনেকুৱা।

অকল সিমানেই নহয় গাঁৱে-ভূঞে প্ৰচলিত আন বহুটো কুসংস্কাৰেও নৈঋতাক আমনি কৰে। এটা উদাহৰণ হ'ল- স্ত্ৰীশিক্ষাৰ প্ৰতি উদাসীনতা। ঘৰ এখনৰ ল'ৰা সন্তানটিৰ শিক্ষাৰ ক্ষেত্ৰত পৰিয়ালটোৰ যি আগ্ৰহ সেই একেটা আগ্ৰহ কিন্তু ছোৱালী সন্তানৰ ক্ষেত্ৰত দেখা নাযায়। ছোৱালীৰ ক্ষেত্ৰত কেনেবাকৈ 'মেট্ৰিক'- অৰ্থাৎ উচ্চ মাধ্যমিক বা 'হায়াৰ ছেকেণ্ডাৰী' অৰ্থাৎ উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হ'লেই হ'ল ! ছোৱালী সন্তানক কেৱল 'ঘৰ ধৰি খোৱাৰ' উপযুক্ত কৰি তুলিলেই হ'ল বেছি পঢ়া-শুনা কৰিবলৈ দি লাভ নাই, সৰহভাগৰে চিন্তাধাৰা তেনেকুৱাই।

আজি ছোৱালী এজনী শিক্ষিত কৰাৰ অৰ্থ কালিৰ পৰিয়াল এটি শিক্ষিত কৰা— কথাষাৰ কোনেও ভাৱি নেচায়। আজি আধুনিক যুগৰ ছোৱালীয়ে সকলো ক্ষেত্ৰতে ল'ৰাৰ সমানেই খোজ পেলাইছে। মহাকাশলৈও যাত্ৰা কৰিছে। এইবোৰ টি. ভি.ত সদায় সকলোৱে দেখি আছে। তথাপি বৈষম্যৰ অন্ত পৰা নাই। ছোৱালী সন্তানৰ ক্ষেত্ৰত মৰম চেনেহৰ ক্ষেত্ৰটো হীন-দেৰি কৰা দেখা যায়। ল'ৰাৰ উৎপাত দেখিলে সাধাৰণতে সকলোৱে আওকণীয়া মনোভাৱ কিন্তু ছোৱালীৰ উৎপাত কোনেও স্বাভাৱিক বুলি মানি নলয় কিয় ? ল'ৰাই হওক বা ছোৱালীয়ে হঁওক যাৰ যি স্বাভাৱিক প্ৰতিভা থাকে সেইটো বিকশিত হ'বলৈ সুযোগ দিব লাগে। এইবোৰ কথা চিঞৰি চিঞৰি ক'বলৈ নৈঋতাৰ মন যায় কিন্তু ক'ব নোৱাৰে জানোচা কোনোবাই ভাৱে- দশম শ্ৰেণী পাওঁতেই বৰ জনাটো ওলাইছেহি !

আজি ৰাতি পুৱাইনো কিহে পালে- ইফালে গাৱঁতে প্ৰচলিত কুসংস্কাৰৰ চিন্তা, আনফালে ভূত-প্ৰেতৰ চিন্তা ! নৈঋতা তভক মাৰি ৰ'ল। এইবোৰ কথা তাই কাৰ লগত পাতিব ? ইফালে স্কুললৈ যাবলৈ দেৰি হ'ব। বিজ্ঞানে হেনো প্ৰমাণ অবিহনে কোনো কথা মানি নলয়। ভূত প্ৰেত আছে নে নাই প্ৰমাণ হৈছে নেকি, নে সেই বিষয়ে এতিয়াও পৰীক্ষা-নিৰীক্ষা চলি আছে? তাই সিদ্ধান্ত ল'লে- এই বিষয়ে আজি তাই ছাৰৰ সতে কথা পাতিব। আজি তাই সংকোচ নকৰে কাৰণ গাৱঁত তাই এই কথাবোৰ ক'ব লাগিব। কুসংস্কাৰ আদিয়ে গাওঁখন আচ্ছন্ন কৰি ৰাখিছে। তাই এইবোৰ আঁতৰ কৰিবলৈ চেষ্টা কৰিবই লাগিব। মনটো অলপ পাতল অনুভৱ হ'ল, তাই স্কুললৈ যাবলৈ খৰধৰ লগালে। ❑

প্ৰবন্ধ

# প্ৰবচনত কথা শিল্প

-ড° ৰাজীৱ খাটিৰড়া
সহকাৰী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ

আৰু কিমান দিন অভিনয় কৰিবা ? নিজৰ স্বাৰ্থৰ কাৰণে আনক আৰু কিমান ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিবা ? যিমানেই কৰিবা সিমানেই নিজৰ স্বৰূপ উদঙাই গৈ থাকিবা। মুখা পিন্ধি আনৰ মন জয় কৰিব নোৱাৰি, জানানে ? নকৰিবা পৰৰ বদনাম। বৰঞ্চ নিজৰ সুকৰ্মৰে তোমাক কুদৃষ্টিৰে চোৱাজনৰ দৃষ্টি সলনি কৰিবলৈ চেষ্টা কৰা। বোলে কয় নহয় 'আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়'। গতিকে বাৰ্তালাপ কৰোঁতে নিজকে ভাল বুলি আনক বেয়া বুলিব নাপায়। প্ৰকৃত ভাল মানুহে কেতিয়াও আনৰ বদনাম নকৰে আৰু সন্দেহ নকৰে।

আচলতে কি জানানে, আমিবোৰ ইমান কথা সাজি ক'ব নজনালোক আৰু প্ৰয়াসো নকৰোঁ। সেইবাবে হয়তো বাদুলি চৰিত্ৰৰ মানুহৰ লগত খাপ খাব নোৱাৰোঁ আৰু খাপ খাবও নিবিচাৰোঁ। কাৰণ, কোনদিনা তুমি আমাক ব্যৱহাৰ কৰিবা বিশ্বাস নাই। কিন্তু, মনত ৰখাটো উচিত যে— 'টেঙা আম এবাৰহে বেচিব পাৰি'। ঠিক সেইদৰে মুখা খোল খোৱাৰ পিচত আকৌ চেহেৰা ঢাকি লাভ নাই। আজিৰ শিক্ষিত প্ৰজন্ম ইমান অবুজন নহয়, বৰঞ্চ ভয় হয় কিজানি তোমাৰ মুখাৰ ভিতৰৰ স্বৰূপ কোনোবাই উদঙাই দিব বুলি। সেইকাৰণে আমাৰ বন্ধুত্ব দেখি কঁপি উঠা। তথাপি তুমি... ? বোলে কয় নহয় লোক কোনেও ধ্বংস কৰিব নোৱাৰে বৰঞ্চ মামৰেহে কৰে। সেয়ে এইবোৰ কু-স্বভাৱ পৰিত্যাগ কৰা নতুবা পতন হ'বলৈ বেছি দিন নালাগে।

সমাজত খোজ দিওঁতে এনে চৰিত্ৰৰ পৰা আঁতৰি থাকি সুনাগৰিক হ'বলৈ প্ৰয়াস কৰিব লাগে। ❑

প্ৰবন্ধ

# মিচিং ভাষাৰ ওপৰত এষাৰ
## (ভাষাই সকলোকে আপোন কৰে)

**- মোহন দলে**
স্নাতক কলা শাখা, পঞ্চম ষাণ্মাসিক

অতি পুৰণি কালৰ পৰা অসমৰ অসমীয়া জনগোষ্ঠীৰ ভিতৰত মিচিং জনগোষ্ঠীও এক উল্লেখনীয় জনগোষ্ঠী। অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে মিচিং সকলৰো নিজস্ব ভাষা আছে। মিচিংসকলৰ ভাষাৰো অন্যান্য ভাষাৰ দৰে স্বকীয় বৈশিষ্ট্য আছে। অসম চৰকাৰে ভাষা স্বীকৃতি দিয়াৰ পিছৰে পৰা ক্ৰমান্বয়ে প্ৰাথমিক বিদ্যালয়সমূহত মিচিং ভাষাৰ পাঠদান কৰিবৰ বাবে মিচিং ভাষা শিক্ষক নিয়োগৰ ব্যৱস্থা কৰে। তদুপৰি প্ৰতিবছৰে ইংৰাজী ৩০ অক্টোবৰৰ দিনাখন ভাষা স্বীকৃতি দিৱস হিচাপে পালন কৰি আহিছে।

মিচিং ভাষা উচ্চাৰণৰ ক্ষেত্ৰত কিছু সুবিধা থাকিলেও অসুবিধাও দেখা যায়। মিচিং ভাষা কোৱাসকলৰ বাদে অন্য জনগোষ্ঠীৰ লোকসকলে উচ্চাৰণৰ ক্ষেত্ৰত অসুবিধা বা কঠিন অনুভৱ কৰা দেখা যায়। কিন্তু কিছু চেষ্টা কৰিলে সহজ হৈ পৰে।

প্ৰথমতে ভাষা পাবৰ কাৰণে লিপিৰ খুবেই আৱশ্যক। বুৰঞ্জীত উল্লেখ আছেই যে মিচিং ভাষা কেনেকৈ হেৰাই গ'ল। একালৰ সেই লিপি নথকাৰ কাৰণে ভাষাও হেৰাই যাব লগীয়া হৈছিল। বিভিন্ন জনগোষ্ঠীৰ তাহানিৰ পৰা বৰ্তমানলৈকে সকলো ধৰণে আধুনিকীকৰণ কৰি আগবাঢ়ি গৈ আছে। কিন্তু মিচিং ভাষা বৰ্তমান সময়লৈকে খোজত খোজ মিলাই আন আন ভাষাৰ লগত আগবাঢ়ি যাবৰ বাবে উপায় বিচাৰি যাবলগীয়া হৈছে।

ফলত কেইজনমান সিমীৰ ভাষাবিদে লিপি উদ্ভাৱন কৰাত যথেষ্ট চিন্তা-চৰ্চা কৰিব ধৰিলে। বৰ্তমান আধুনিক যুগৰ লগত খোজ মিলাই চলিবলৈ হ'লে ছপাশালৰ দৰকাৰ, তেনেক্ষেত্ৰত ছপাশালত সেই লিপি মজুত থাকিব লাগিব। তেহে ছপাশালত কবিতা, প্ৰবন্ধ, ৰচনা গল্প আৰু অন্যান্য ছপাব পাৰিব। তাৰে বিকল্প বিচাৰি অসমত অসমীয়া লিপিকে গ্ৰহণ কৰি ছপাশালত বিভিন্ন বিষয়ে ছপা কৰা আৰম্ভ কৰিলে। কিন্তু কিছুমান বৰ্ণ নথকাত উচ্চাৰণৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। আখৰ বা বৰ্ণ উদ্ভাৱন ক্ষেত্ৰত পুনৰ চিন্তা-চৰ্চা অব্যাহত ৰাখিলে।

মিচিং ভাষা উদ্ভাৱক যেনে প্ৰয়াত টাবুৰাম টাইদ, শ্ৰীযুত নাহেন্দ্ৰ পাদুন আদিৰ দৰে বিদগ্ধ পণ্ডিতসকলে সঠিকভাৱে লিপি সম্ভেদ পাবলৈ সক্ষম হ'ল। শেষত তেখেতসকলৰ নেতৃত্বতে মিচিং আগম কাবাং এ ৰোমান লিপিকে স্বীকৃতি দি মিচিং ভাষা লিখাৰ পাতনি মেলে। কিন্তু আৱশ্যবোধে অসমীয়া আৰু ৰোমান লিপি দুয়োটাকে ব্যৱহাৰ কৰা দেখা যায়। তাৰে উদাহৰণ স্বৰূপে অসমীয়া লিপি আৰু ৰোমান লিপিৰ সুবিধা আৰু অসুবিধা কোনখিনিত দেখা যায় তলত উল্লেখ কৰা হ'ল—

| **অসমীয়া লিপিৰে শব্দ** | **ৰোমান লিপিৰে শব্দ** |
|---|---|
| ১। কনজক— কনৰক (খহি-খহি খহটা হোৱা) | 1. KANJOK – KONROK |
| ২। বেনপেন— বেনয়েন (ভঙা-চিঙা) | 2. BENPEN – BENYEN |
| ৩। বুপান— বুৰাণ (টানি-আজুৰি আতৰোৱা) | 3. BUPAN – BURAN |
| ৪। নান (মা) | 4. NAN |
| ৫। লমলা (চখ্ খোৱা, ততাতৈয়া, খৰধৰ) | 5. LOMTA আৰু ইত্যাদি |

উপৰোক্ত দুয়োটা লিপিৰে কেইটামান শব্দত উচ্চাৰণৰ ক্ষেত্ৰত বহুতো সুবিধা অসুবিধাই দেখা দিয়ে। দেখা গ'ল অসমীয়া লিপিত উচ্চাৰণৰ ক্ষেত্ৰত যিমান সহজ তাতোকৈ ৰোমান লিপিৰে লিখা শব্দ কেইটা আৰু সঠিক উচ্চাৰণ অহা দেখা যায়। হেতুকে ৰোমান লিপিকে চূড়ান্ত লিপি হিচাপে মিচিং লিপি বুলি "আগম কাবাঙে" স্বীকৃতি প্ৰদান কৰা বুলি যুক্তি দেখুৱায়।

আৰু আন কেইটামান উদাহৰণ তলত উল্লেখ কৰা হ'ল— উদাহৰণকেইটা হিন্দী, উৰ্দু আদি ভাষাৰ দৰে উচ্চাৰণ দেখা যায়।

| **হিন্দীত** | **অসমীয়াত একে উচ্চাৰণত** |
|---|---|
| | ১। পৰ কহীঁ পৰ নহীঁ। |
| | ২। হম সব এক হেঁ। |
| | ৩। তন, মন, ধন অপনা। |

এইদৰে উচ্চাৰণৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন নকৰিলে অৰ্থ নোলাব বা অন্য কিবা বেলেগ অৰ্থ বুজাব। যদি অসমীয়া লিপিৰে উচ্চাৰণ কৰোঁ তেনেহ'লে প্ৰথমটো বাক্য হ'ব পৰ, কহীঁ পৰ নহীঁ। ইয়াক ৰোমান লিপিৰে মিচিং ভাষাত লিখিলে হ'ব— PÉR KÉHÍN PÉR NÉHÍN আন এটা বিষয় মন কৰিব লগীয়া এয়ে যে—

| **অসমীয়া লিপি** | **ৰোমান লিপি** |
| --- | --- |
| | É (é) |
| | Í (í) |

এই চিহ্ন কেইটা উচ্চাৰণ ক'ত প্ৰযোজ্য হয়।

আন এটা উদাহৰণ যেনে — অসমীয়া বিসৰ্গ 'ঃ' (দুটা বৰ্ণৰ মাজত এই চিহ্ন থাকিলে দীঘলীয়া উচ্চাৰণ হয়। মুঠতে — ঃ, ɿ আৰু ৈ এই তিনিটা চিহ্নই বিশেষভাৱে উচ্চাৰণৰ ক্ষেত্ৰত মন কৰিবলগীয়া। ঃ (দীঘলীয়া উচ্চাৰণ চিহ্ন) মিচিঙৰ "যুগয়াৰ" বুলি কোৱা হয়। এই চিহ্ন নিদিলে চুটি উচ্চাৰণ হয়। উদাহৰণ হিচাপে—

| **মিচিং ভাষাত** | **অসমীয়াত** |
| --- | --- |
| 1. SO:MAN | ১। চঃমান (বিহুমৰা) |
| 2. SOMAN (নথকা) | ২। চমান (কিবা বস্তু টানি লৈ ফুৰা ধেমালী কৰা বুজায়) |
| 3. PA:DUN (পাইছে) | ৩। পাঃদুন — পাইছে? |
| 4. PADUN (: নথকা) | ৪। পাদুন — কাটিছে নেকি? |

এইকেইটা উচ্চাৰণ ভিন্নতাই উচ্চাৰণৰ সৈতে অৰ্থত আকাশ পাতাল হৈ যোৱা দেখা যায়। সেয়ে মিচিং ভাষাৰ উচ্চাৰণৰ ক্ষেত্ৰত অৰ্থ সীমাবদ্ধ ৰাখিবৰ বাবে এই চিহ্ন (ঃ) ব্যৱহাৰ কৰা হৈছে। আমি মাত্ৰ উচ্চাৰণৰ ক্ষেত্ৰত বিশেষভাৱে তিনিটা চিহ্নই মন কৰিবলগীয়া। যেনে— ঃ, ɿ É (é), Í (í)। বাকী সহজে আগবাঢ়িব পাৰি।

মিচিং ভাষাৰ আৰু মন কৰিবলগীয়া শব্দ বৈশিষ্ট্য এয়ে যে কোনো শব্দক কেন্দ্ৰ কৰি সেই শব্দৰ পৰা বা সেই বস্তুৰ পৰা উৎপত্তি হোৱা শব্দবোৰৰ শেষৰ তিনিটা, দুটা বা এটা আখৰৰ পৰা আৰম্ভ হয়। যেনে—

ক) Di:bang (বাঁহ)

১। Ba:sul (বাঃচুল) = কোমলীয়া বাঁহ
২। Ba:pet (বাঃপেট) = ঘন বাঁহজোপা
৩। Bangkili (বাংকিলি) = সৰু সৰু আকৃতিৰ বাঁহ
৪। Bangku (বাংকু) = (বুঢ়া বাঁহ)

খ) Émé (জুই)

১। Métung = জুই কুৰা
২। Médbu = ফুট ছাঁই
৩। Métpi = ফিৰিঙটি
৪। Méllum = জুই লাল ৰঙা ৰঙা ফুটছাই ইত্যাদি

গ) Asi (পানী)

১। Siyam = গৰম পানী ঠাণ্ডা কৰি খোৱা পানী
২। Site = কেঁচা পানী
৩। Sigu = গৰম পানী ইত্যাদি

ঘ) Ésing (গছ)

১। Singgi = শিমলু গছ
২। Si:ser = পাৰলি গছ
৩। Si:lok = শলখ গছ ইত্যাদি

এইদৰে যিকোনো শব্দৰ পৰা সৃষ্টি হ'ব পৰা শব্দবোৰ এইদৰে সৃষ্টি হোৱা দেখিবলৈ পোৱা যায় আৰু সেই শব্দৰ পৰা সৃষ্টি হ'ব পৰা শব্দবোৰ মূল শব্দৰ পৰা কেতিয়াও ফালৰি কাটি যাব নোৱাৰে।

গতিকে আহক অন্যান্য ভাষাৰ সৈতে মিচিং ভাষাও সকলোৰে শিকোঁ আৰু মিচিং ভাই বন্ধু সকলকো আৰু অধিক আপোন কৰোঁ। ❑

গল্প

# এটা কাউৰীৰ কাহিনীৰে

## *(জীৱনত নিজৰ তুলনা কাৰো লগত নকৰিব)*

**-মানৱ চাংছা গগৈ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

এটা কাউৰী আছিল। কাউৰীৰ ৰঙ ক'লা আছিল। এজন সাধু মহাৰাজে দিনচৰ্য্য সম্পূৰ্ণ কৰিবলৈ যাত্ৰাত ওলাল। গালত এটোপাল পানী পৰাত ওপৰলৈ চাই দেখে যে গছৰ ডালত কাউৰীটোৱে বহি কান্দি আছে। সাধু মহাৰাজে কন্দাৰ কাৰণ সুধিলে। কাউৰীয়ে উত্তৰত কলে, নেকান্দি কি কৰোঁ। এয়া ৰঙ দিলে ভগৱানে ক'লা-ক'লা। কোনো মানুহে আমাক নাপালে। যাৰে ঘৰৰ সন্মুখত বহি কা-কা কৰোঁ মানুহে খেদায়। সাধু মহাৰাজে সুধিলে, তুমি সুখী নহয়? কাউৰীয়ে ক'লে, নিশ্চয় নহয়। সাধু মহাৰাজে পুনৰ সুধিলে জীৱনত যদি দুবাৰ সুবিধা পোৱা তেন্তে কি হ'বলৈ ইচ্ছা কৰিবা। কাউৰীয়ে ক'লে, মহাৰাজ হংস হ'বলৈ পছন্দ কৰিম। বাহঃ কি ৰঙ দিলে ভগৱানে বগা-বগা। শান্তিৰ প্ৰতীক বুলি মানুহে কয়। বনাই দিয়া প্ৰভু মোক হংস। সাধু মহাৰাজে ক'লে, বনাই আছো হংস। কিন্তু এটা চৰ্ত, প্ৰথমে হংসক লগ কৰি আহা।

কাউৰীয়ে হংসক বিচাৰি বেগাই গ'ল। কাউৰীয়ে হংসক লগ পাই ক'লে হংস ভাই, ভগৱানে কি জীৱন দিলে তোমাক। কি ৰঙ দিলে তোমাক ভগৱানে, বগা বগা। মোক চোৱা ক'লাৰো ক'লা। মানুহে তোমাক শান্তিৰ প্ৰতীক মানে। তুমি পানীত সাঁতুৰি থাকিলে মানুহে ফটো তুলিবলৈ ৰৈ থাকে, যেতিয়া তুমি পানীত ভৰি কোবাই থাকা ধৰিবই নোৱাৰি যে সাঁতুৰি থাকা। সঁচাকৈয়ে কিমান সুন্দৰ জীৱন তোমাৰ। কাউৰীৰ কথা শুনি হংসই ক'লে কোনে কৈছে তোমাক এইদৰে? এয়া ৰঙ দিলে ভগৱানে, মৃত্যুৰ পিছত লোৱা ৰঙ। বগা— বগাতেই মিহলি হৈ যোৱা ৰঙ, মানুহে যেতিয়া ফটো তোলে তেতিয়া ধৰিবই নোৱাৰি মোকেই ফটো তুলি থাকে নে পানীক তুলি থাকে। হংসৰ কথা শুনি কাউৰীয়ে সুধিলে, তোমাৰ জীৱনক লৈ তুমি সুখী নহয়? হংসই ক'লে নিশ্চয় নহয়।

তাৰ পিছতে দুয়ো আহি সাধু মহাৰাজৰ সন্মুখত থিয় হ'লহি। দুয়োকে সাধু মহাৰাজে দেখি বুজি উঠিল যে হংসও নিজৰ জীৱনক লৈ সন্তুষ্ট নহয়। সেয়েহে সাধু মহাৰাজে হংসক সুধিলে তোমাৰ হিচাপত কি হ'লে ভাল হয় বুলি ভাবা। হংসই উত্তৰত ক'লে মহাৰাজ, জীৱনত যদি দুবাৰ সুবিধা পাওঁ, তেন্তে ভাটৌ হ'বলৈ ইচ্ছা কৰিম। ভগৱানে তেওঁক কি ৰঙ দিলে সম্পূৰ্ণ গাটো সেউজীয়া, ৰঙা ঠোঁট। মানুহৰ দৰে কথা কয়। তাৰ ৰঙা ঠোঁটেৰে গান শুনিবলৈ মানুহ ব্যাকুল। মানুহে তাৰ ফটো তোলে, ভিডিঅ' বনাই, মিথু ইত্যাদি নামেৰে সম্বোধন কৰে, মানুহে নিজৰ লগত লৈ ফুৰি নানান ফল-মূল খাবলৈ দিয়ে। বনাই দিয়া প্ৰভু আমাক ভাটৌ বনাই দিয়া। হংসৰ কথা শুনি সাধু মহাৰাজে ক'লে বনাই আছোঁ ভাটৌ, কিন্তু এটা চৰ্ত প্ৰথমে ভাটৌক লগ কৰি আহা।

দুয়ো গ'ল ভাটৌক বিচাৰি। ভাটৌ ভাই, ভাটৌ ভাই বুলি হাবিৰ চাৰিওফালে চিঞৰি বিচাৰি ফুৰি অৱশেষত ভাটৌক লগ পালে। ভাটৌক দেখি হংসই ক'বলৈ ধৰিলে ভাটৌ ভাই কি ৰঙ দিলে তোমাক ভগৱানে। মানুহে তোমাক পালন-পোষণ কৰে, লগত লৈ ঘূৰি ফুৰে, মিথু মিথু নামেৰে মাতি নানা তৰহৰ ভোজন কৰায়। বাহঃ! কি সুন্দৰ জীৱন তোমাৰ। হংসৰ কথা শুনি ভাটৌৱে ক'লে কোনে কৈছে তোমাক এইদৰে। তোমালোকে চাৰিওফালে ঘূৰি-ফুৰি মোক বিচাৰি পোৱা নাছিলা। এয়া ৰঙ দিলে ভগৱানে, যি ৰঙে পাতৰ লগত মিহলি কৰে। যেতিয়া মানুহে ফটো তোলে মোৰ সন্দেহ হয় মোকেই তোলে নে পাতক তোলে। ভাটৌৰ কথা শুনি হংসই ক'লে তুমিও সুখী নহয় তোমাৰ জীৱনক লৈ। তাৰ পাছতে তিনিও সাধু মহাৰাজৰ ওচৰ পালেহি। তিনিও ক'লে মহাৰাজ। ভাটৌক দেখি সাধু মহাৰাজে তোমাৰ হিচাপত শ্ৰেষ্ঠ কোন কওঁতেই ভাটৌৱে টপৰাই ক'লে জীৱনত যদি দুবাৰ সুবিধা পাওঁ তেন্তে ময়ূৰ হ'বলৈ ইচ্ছা কৰিম। বনাই দিয়া প্ৰভু ময়ূৰ বনাই দিয়া। বাহঃ কি ৰঙ, কি ৰূপ দিলে ভগৱানে। মানুহে ৰাষ্ট্ৰীয় পক্ষী বুলি কয়। তাৰ যেতিয়া পাখি খোলে মানুহে উত্ৰাৱল হৈ থাকে তাক চাই আনন্দ ল'বলৈ। ভাটৌৰ কথা শুনি সাধু মহাৰাজে ক'লে তোমালোক তিনিওকে ময়ূৰ বনাই আছোঁ চৰ্ত সেইটোৱেই প্ৰথমে ময়ূৰক লগ কৰি আহা।

তিনিও গ'ল ময়ূৰক বিচাৰি। কোনো এখন উদ্যানত ময়ূৰক লগ পাই ভাটৌৱে ময়ূৰক ক'লে ময়ূৰ ভাই। কিমান মজা জীৱনেৰে জীয়াই আছা হ'বলা। ঈশ্বৰে তোমাক কি বৰণ দিলে। তোমাৰ পাখি যেতিয়া খোলে মানুহে ফটো তুলিবলৈ তোমাৰ অপেক্ষা কৰে। মেঘৰ গোম-গোমনিত যেতিয়া বৰষুণ ধৰাত পৰে তোমাৰ নৃত্য চাবলৈ মানুহে ৰৈ থাকে। তুমি হ'লা ৰাষ্ট্ৰীয় পক্ষী। ঈশ্বৰে ইচ্ছা

কৰে যাতে তোমাৰ দৰে কেতিয়াও হৈ নাযাও। বহু সুন্দৰ জীৱন তোমাৰ। ভাটৌৰ কথা শুনি ময়ূৰে ক'লে এয়া জীৱন দিলে। ভগৱানক প্ৰাৰ্থনা যে এনেকুৱা জীৱন যাতে কাকো নিদিয়ে। এই কথা শুনি ভাটৌৱে ক'লে তুমিও সুখী নহয়। সদ্যহতে আজি তোমালোকক এটা জ্ঞান দি আছোঁ। কাণপাতি শুনা খট্ খট্কৈ খোজকঢ়া শব্দৰে আৰু গম্ভীৰ ভাৱে মন দি শুনা খোজ কঢ়াৰ শব্দ। হংসই সুধিলে কোন হয়। ময়ূৰে ক'লে এয়া চিকাৰী। কিছু দিনৰ আগতেও চিকাৰী আহিছিল আৰু মোৰ মাক মাৰি লৈ গৈছিল। তেওঁলোকে মোৰ মাক এডোখৰ ঠাইলৈ নি শৰীৰৰ পৰা পাখিবোৰ ছিঙি দেশ-বিদেশৰ বিভিন্ন বজাৰত ভিন্ন দৰ-দামত বিক্ৰী কৰিলে। মানুহে সেই পাখি বজাৰৰ পৰা কিনি ঘৰৰ বেৰত, পূজাস্থলীত লগাই ৰাখিলে। এনে ক্ষেত্ৰত আগলৈ কিমান সময় জীয়াই থাকিম কোনো থিৰাং নাই। কেনেকৈ মোৰ জীৱন সুখকৰ হ'ব পাৰে। হংসই ক'লে তোমাৰ হিচাপত কি হ'ব লাগে আৰু কোন বেছি সুখী। ময়ূৰে উত্তৰ দিলে, কাউৰী তুমি। কাউৰীয়ে ক'লে কেনেকৈ। ময়ূৰে ক'লে তুমি মাটন বিৰিয়ানিৰ নাম শুনিছা ? কাউৰীয়ে ক'লে, হয় মহাশয় শুনিছো। ময়ূৰে ক'লে, চিকেন বিৰিয়ানিৰ নাম শুনিছা ? কাউৰীয়ে ক'লে শুনিছো। (কাউৰীয়ে শুনিছে বিৰিয়ানি)। ময়ূৰে ক'লে, তোমাৰ প্ৰাণৰ কিবা ভয় আছে? কাউৰীয়ে ক'লে নাই। ময়ূৰে ক'লে, তোমাক কোনোবাই মাৰিব ? কাউৰীয়ে ক'লে নাই। ময়ূৰে ক'লে, কাৰোবাৰ বাবে তোমাৰ অসুবিধা ? কাউৰীয়ে ক'লে নাই। ময়ূৰে ক'লে, তোমাৰ বাবে কাৰোবাৰ অসুবিধা ? কাউৰীয়ে ক'লে নাই। ময়ূৰে ক'লে, তুমিয়েই মজা জীৱন জীয়াই আছা, কোনো অসুবিধা নথকাকৈ।

আপুনি যিদৰে আছে, যি অৱস্থাত আছে, যি ৰঙেৰে আছে ঠিকেই আছে। ভগৱানে আপোনাৰ দৰে কাকো বনোৱা নাই। আপোনাৰ হুবহু অন্য কোনো ব্যক্তি নাই। জীৱনত নিজৰ তুলনা কাৰো লগত নকৰিব, আপুনি অদ্বিতীয়। নহ'লে এই কাহিনীটিৰ দৰে তুলনাত দুখ উঠাবলগীয়াও হ'ব পাৰে। ❑

গল্প



# অজান ঠাইখনলৈ...

-স্বপন বুঢ়াগোহাঁই
স্নাতক বিজ্ঞান শাখা, চতুৰ্থ ষাণ্মাসিক
প্ৰাণী বিজ্ঞান বিভাগ

সময় তেতিয়া পুৱা ৭: ৩০। ঘড়ীৰ কাটাই গতি কৰিছে। ঠিক সেই সময়ত ফোনটো বাজি উঠিল। হঠাতে মোৰ বন্ধুৱে ক'বলৈ ধৰিলে যে আমি কেইবাজনো বন্ধু লগ হৈ আজি ফুৰিবলৈ যাওঁ আৰু তুমিও ওলোৱা বুলি ক'লে। তেতিয়া মই কলোঁ, ঠিক আছে মই ঘৰত সুধি চাওঁ বুলি কলোঁ আৰু দুই এটা কথা পাতি ফোনটো কাটি দিয়া হ'ল। তাৰ পাছত মই, মা আৰু দেউতাক ফুৰিবলৈ যোৱা কথাটো ক'লোঁ। প্ৰথমতে মা আৰু দেউতাই ইমান দূৰলৈ যাবলৈ দিবলৈ অমান্তি হৈছিল, কিন্তু পাছত দুয়োজনে মোক যাবলৈ অনুমতি দিলে আৰু তেতিয়া মই অতি সোনকালে মোৰ বন্ধু কেইজনক ফোন কৰি মইয়ো যাম বুলি ক'লোঁ। মোক কিমান সময়ত যাম সেই কথাটো জনাই দিলে। মই হ'ব বুলি কৈ ফোনটো কাটি দিলোঁ।

এখোজ দুখোজ কৈ মই আলি বাটলৈ বুলি খোজ ললোঁ। অলপ সময়ৰ পাছত মোৰ বন্ধু ৰমেন, জিতু আৰু বিপুল আহি পালেহি। তেতিয়া সময় পুৰা ৯: ৩০ হৈ গৈছে। আমি চাৰিওজন বন্ধুৱে গাড়ীত তেল ভৰাই যাত্ৰা আৰম্ভ কৰিলোঁ। অলপ দুৰ গৈ আমি শান্তিপুৰ পালোগৈ। তাত আমি অলপ সময় ৰলোঁ। তাত আমি কিছুমান খোৱা বস্তু দোকানৰ পৰা কিনি ললো। আৰু আমি চাৰিওজন বন্ধুৱে গেটত নিজ নিজ পৰিচয় পত্ৰ দেখুৱাই পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ।

আমি যাত্ৰা পথত চাৰিওজন বন্ধুৱে বিভিন্ন ধৰণৰ কথা পাতি আগবাঢ়ি গৈ আছোঁ। চাৰিওফালৰ পৰিৱেশ অতি মনোমোহা আৰু সুন্দৰ। অতি ঠাণ্ডা কুঁৱলীৰে আৱৰা। আমাৰ গাড়ীখনো সেই কুঁৱলী ফালি আৰু সুন্দৰ পৰিৱেশৰ মাজেৰে আগবাঢ়ি গৈছে। এনেদৰে কথা বতৰা পাতি আমি ৰয়িং পালোঁগৈ। তাত আমি চাৰি বন্ধুৱে অলপ সময় ৰৈ তাত থকা চিৰিয়াখানা এবাৰ চাই গলোঁ আৰু আমি পুনৰ যাত্ৰা কৰিলোঁ। আমি এনেদৰে গৈ চেকেণ্ড ব্ৰিজ পাৰ হ'লোঁ। যিমানেই পাহাৰৰ ওপৰলৈ গৈ আছোঁ সিমানে প্ৰাকৃতিক সৌন্দৰ্য্যবোৰ অতি মনোমোহা আৰু ঠাণ্ডাৰ পৰিমাণো বেছি হৈছে। কিন্তু সেই ঠাণ্ডা নেউচি আমি চাৰি বন্ধুৱে অৰুণাচলৰ পাহাৰীয়া সেই একা বেঁকা পথেদি আগবাঢ়ি গৈ আছোঁ। কেতিয়াবা কেতিয়াবা পথৰ কাষত পাহাৰৰ পৰা বৈ অহা নিজৰাবোৰ দেখা পাওঁ তেতিয়া এনে লাগে যেন সেই নিজৰাবোৰত জঁপিয়াই জঁপিয়াই গা-ধুবলৈ। কিন্তু সেইবোৰ সৌন্দৰ্য্য অকল উপভোগ হে কৰিব পাৰি তাৰ বেছি ওচৰলৈ যাব নোৱাৰি। সেই নিজৰাবোৰ অতি জোৰেৰে পাহাৰৰ পৰা বৈ আহে। কেতিয়াবা কেতিয়াবা আমি চাৰিও বন্ধুৱে গাড়ীৰ পৰা নামি পাহাৰীয়া একা বেঁকা পথ আৰু তাৰ সুন্দৰ পৰিৱেশৰ লগত ফটো মৰা হয়। পথৰ কাষত মাথোঁ ডাঙৰ ডাঙৰ শিল, গছ লতা আৰু মাজে সময়ে দুই এটা বনৰীয়া জীৱ-জন্তু দেখা পোৱা যায়। কৰ'বাত কৰ'বাত অৰুণাচলৰ জনজাতীয় লোক অহা যোৱা দেখা যায়। আমি এনেদৰে প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি চাৰি বন্ধু আগবাঢ়ি গৈ আছোঁ মাথোঁ গাড়ীৰ খিৰিকিৰ ফালৰ পৰা চৰাই আৰু কিছুমান বনৰীয়া জীৱ জন্তুৰ শব্দ শুনিবলৈ পোৱা যায়।

আমি যিমানেই আগবাঢ়ি গৈ আছোঁ সিমানেই পথৰ দুয়োকাষ ঠেক হৈ অহা যেন অনুভৱ কৰিছোঁ। পথটো যিমানেই ঠেক যেন অনুভৱ হৈছে সিমানেই আমাৰ মনত ভয় ভয় লগা যেন অনুভৱ হৈছে। কিন্তু ভয় ভয় লাগিলেও সেই সুন্দৰ পৰিৱেশটোৱে আমাক অন্য এটা পৰিৱেশলৈ টানি লৈ গৈছে। আমি এনে দৰে সুন্দৰ পৰিৱেশত ভয় আৰু আনন্দৰ মাজেৰে পাহাৰীয়া গাঁও এখন পালোগৈ। তাত দোকান বুলিবলৈ মাত্ৰ এখনেই আছিল আমি দেখাত। সেই ঠাইডোখৰত মানুহবোৰ দেখি আমাৰ বৰ ভাল লাগিছিল। তাত থকা মানুহবোৰে আমালৈ বাৰে বাৰে চাই আছিল সেই মানুহবোৰৰ মাজৰে দুই এজনে আমাৰ লগত কথা পাতিছিল। আমি চাৰিও বন্ধুৱে সেই ঠাই ডোখৰত ১০-১৫ মিনিট মান ৰৈ আমি আৰু পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। আমি ৰাস্তাত গৈ থাকোঁতে সেই ঠাইখনৰ মানুহবোৰৰ কথা-বতৰা। বিশেষকৈ আলোচনা কৰিছিলোঁ। ঠাইখনৰ মানুহবোৰৰ জীৱন বৰ জটিল। এনে দৰে কথা বতৰা পাতি আমি সেই ঠাইডোখৰৰ পৰা ১০-১৫ কিলোমিটাৰ মান অতিক্ৰম কৰিলোঁ। আমি যিমানে দুৰ অতিক্ৰম কৰিছোঁ সিমানে ঠাইখন অধিক শান্ত-শিষ্ট পৰিৱেশ আৰু পথৰ কাষৰ আৰু গছৰ ডাল-পাতবোৰত বগা-বগা বৰফবোৰ দেখা পোৱা গৈছে। আমি চাৰি বন্ধুৱে সেই মনোমোহা সৌন্দৰ্য্যবোৰ ভালদৰে উপভোগ কৰি আগবাঢ়ি গৈ আছোঁ। আমাৰ ঘড়ীৰ কাটা তেতিয়া ২: ০০ বাজোঁ বাজোঁ তেতিয়া আমি চাৰি বন্ধুৱে এনে এখন ঠাই পালোঁগৈ যিখন ঠাই অধিক ঠাণ্ডা গোটেই অঞ্চল জুৰি বগা ৰঙেৰে আৱৰি আছে। আমি চাৰি বন্ধুৱে ইমান দিন আনৰ মুখত শুনি থকা ঠাইডোখৰ আজি আমি চাৰি বন্ধু সেই ঠাই ডোখৰত উপস্থিত। সেই ঠাইখনৰ নামেই হ'ল মায়'ডিয়া। আমি চাৰি বন্ধুৱে গাড়ীৰ পৰা নামি ঠাই ডোখৰ ভালদৰে চাই ললোঁ লগতে সেই অচিন ঠাই পৰিৱেশৰ লগত আমি মিলি গলোঁ। মায়'ডিয়ালৈ আমাৰ লগতে অন্য ঠাই পৰাও বহুতো মানুহ আহিছিল সেই অচিন ঠাইখনলৈ। ঠাইখন ইমানেই ঠাণ্ডা আছিল যে আমাৰ শৰীৰটো সম্পূৰ্ণ ঢাকি থৈয়ো আমাৰ শৰীৰটোৱে ঠাণ্ডা অনুভৱ কৰিছিল। তাত বিভিন্ন ধৰণৰ অচিনাকি পৰ্যটক লগ পাইছিলোঁ আৰু দুই এজনৰ লগত আমাৰ কথা বতৰা হৈছিল। তাত আমি প্ৰায় ২-৩ ঘণ্টা মান অতিবাহিত কৰিছিলোঁ। ইতিমধ্যে পশ্চিমৰ ফালে বেলিটো লাহে লাহে গতি কৰিব ধৰিছে। আমি আটাই কেইজনে সেই অহা বাটেদিয়েই ঘৰলৈ ওভতনি যাত্ৰা আৰম্ভ কৰিলোঁ।

আমি আটাইকেইজন বন্ধু সুকলমে আমাৰ ঘৰ পালোঁহি সেইদিনা ঘৰ আহি পোৱাত অতি পলম হৈছিল বাবে আমি চাৰিওজনে লগৰ এজনৰ ঘৰলৈ গলোঁগৈ। বন্ধুজনৰ ঘৰত বহি আটাইকেইজনে সেই অজান ঠাইডোখৰৰ কথা সকলোৱে নিজৰ মতে ক'বলৈ ধৰিলে।

সেই অজান ঠাইখনলৈ আৰু কেতিয়াবা যাব পাম নে নাপাম ক'ব নোৱাৰোঁ। প্ৰথমবাৰ গৈয়ে কিমান আনন্দ লাগিল নিজকে তুলনা কৰিব নোৱাৰি। সেই অজান ঠাইখন অতি বিপদ সংকুল যদিও কিন্তু পৰ্যটকবোৰক মন মোহিত কৰিব পাৰে। মই কিন্তু সময় পালে সেই অজান ঠাইখনলৈ যাম। সেই অজান ঠাইখনলৈ যাওঁতে সেই মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যবোৰ পৰ্যটকবোৰৰ বাৰুকৈয়ে আনন্দ আৰু মনোমোহক দৃশ্য। ❑

প্ৰবন্ধ



# সমাজত গ্ৰন্থ অধ্যয়নৰ প্ৰভাৱ

-মঞ্জুলা বৰুৱা, MLISC, M.Phil
গ্ৰন্থাগাৰিকা

দাৰ্শনিক এৰিষ্টটলে দুই হাজাৰৰো অধিক বৰ্ষৰ পূৰ্বে কৈছিল— "প্ৰাকৃতিক কাৰণত সকলো মানুহে নজনাক জানিবলৈ হাবিয়াস কৰে।" মানুহে খাদ্য গ্ৰহণ বন্ধ কৰিলে শাৰীৰিক এনিমিয়া আৰু শিকিবলৈ বা জ্ঞান আহৰণ কৰিবলৈ অনিচ্ছুক হ'লে মানসিক আৰু আত্মিক এনিমিয়া হোৱা বুলি কোৱা হয়। দাৰ্শনিক এৰিষ্টটলৰ মতে মানুহৰ শিক্ষা বা জ্ঞান আহৰণে তেওঁলোকৰ মানসিক আৰু আত্মিক চেতনা সক্ৰিয় কৰি ৰাখে। মানসিক আৰু আত্মিক এনিমিয়াত আক্ৰান্ত লোকৰ সৃষ্টিশীল বৌদ্ধিক চেতনা নাথাকে। সকলো দিশতে সক্ৰিয় হৈ থাকিবলৈ হ'লে শিক্ষাপ্ৰাপ্তি আৰু জ্ঞান আহৰণ অতি প্ৰয়োজনীয়। এই শিক্ষাপ্ৰাপ্তি আৰু জ্ঞান আহৰণৰ প্ৰধান আহিলা হ'ল গ্ৰন্থ অধ্যয়ন।

মানৱ সভ্যতাৰ অধ্যয়নৰ প্ৰাথমিক আহিলা হ'ল লিখিত বা ছপা কৰা গ্ৰন্থ। মানৱ সংস্কৃতিলৈ অৱদান আগবঢ়োৱা যিকোনো ভাষাত মুদ্ৰিত পুথিকে গ্ৰন্থ বুলি অভিহিত কৰা হয়। গ্ৰন্থ হৈছে লিখাৰ মন, বুদ্ধি, হৃদয়, চিন্তন, উদ্দেশ্য, আদৰ্শ, বিশ্বাস আদিৰ মুদ্ৰিত প্ৰকাশ। মুদ্ৰিত পুথি এখনত থকা বিষয়ৰ পঠন, হৃদয়ংগম, অনুধাৱন, অনুশীলন আৰু জ্ঞানৰ প্ৰায়োগিক কৌশল আয়ত্তকৰণ প্ৰক্ৰিয়াক প্ৰকৃতাৰ্থত গ্ৰন্থ অধ্যয়ন বুলি অভিহিত কৰিব পাৰি। অধ্যয়নপুষ্ট ব্যক্তিসকলে যুগে যুগে সমসাময়িক সমাজত প্ৰভূত বৰঙণি যোগোৱাৰ উপৰিও পুৰুষানুক্ৰমিক হিত সাধন কৰে। অতি প্ৰাচীন বেদ-বেদান্ত, ৰামায়ণ, মহাভাৰত, পৌৰাণিক আখ্যান-উপাখ্যান আদি গ্ৰন্থই হৈছে ভাৰতীয় সভ্যতাৰ সামগ্ৰিক প্ৰেক্ষাপটৰ ভেঁটি। এতিয়ালৈকে প্ৰচলিত ভাৰতীয় সমাজ, গৃহস্থী আৰু আধ্যাত্মিক আচাৰ-আচৰণ, নৈতিক আৰু সাংস্কৃতিক ভেটিৰ অন্তৰালত এনেবোৰ মহৎ গ্ৰন্থৰ প্ৰভাৱ অনস্বীকাৰ্য। মহৎ গ্ৰন্থকেন্দ্ৰিক ৰচনাৰাজিয়ে বিশেষকৈ শিশু, বিদ্যাৰ্থী আৰু সাধাৰণ পঢ়ুৱৈৰ বৌদ্ধিক বিকাশ আৰু নিৰ্মল চৰিত্ৰ গঠনত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে বুলি গণ্য কৰা হয়।

উল্লেখযোগ্য যে যোৱা তিনিহাজাৰ বছৰৰ ভিতৰত প্ৰায় পাঁচিশ নিযুত পাঠকে হোমাৰৰ 'ইলিয়াদ' অধ্যয়ন কৰিছে বুলি প্ৰতিবেদনত পোৱা যায়। খ্ৰীষ্টপূৰ্ব তৃতীয়-চতুৰ্থ শতিকাৰ দাৰ্শনিক প্লেটোৰ 'দ্যা ৰিপাব্লিক', 'দ্যা ল'জ' আৰু এৰিষ্টটলৰ 'দ্যা ইথিকঞ্চ', 'দ্যা পলিটিক্চ' আদি গ্ৰন্থই সামগ্ৰিকভাৱে আধুনিক ৰাষ্ট্ৰ ব্যৱস্থা সংগঠনৰ দিক নিৰ্ণায়কৰ ভূমিকা পালন কৰে। ১৩৫৭ খ্ৰীষ্টাব্দত প্ৰকাশিত আৰৱ ভ্ৰমণকাৰী ইবন বতুতাৰ ভ্ৰমণ টোকাৰ যোগেৰে মধ্যযুগৰ উত্তৰ আফ্ৰিকা, স্পেইন, ছাহাৰা, ভাৰতবৰ্ষ, চীন, মধ্যপ্ৰাচ্য আৰু এচিয়াৰ দেশসমূহৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ বিৱৰণ পোৱা যায়। হিউৱেন চাং আৰু ফাহিয়ানৰ প্ৰকাশিত টোকাসমূহো ভাৰতবৰ্ষ আৰু চুবুৰীয়া দক্ষিণ এচিয়াৰ দেশসমূহৰ ইতিহাস গৱেষণাৰ সমল বুলি গণ্য কৰা হয়। মেকিয়াভেলিৰ 'দ্যা প্ৰিন্স' (১৫১৩ খ্ৰীঃ), থমাচ মুৰৰ 'ইউটোপীয়া' (১৫১৬ খ্ৰীঃ), কেম্পানেলাৰ 'চিটি অৱ দ্যা ছান' (১৬০৭ খ্ৰীঃ) আদি বিখ্যাত। গ্ৰন্থৰ প্ৰণয়নে কৃষি বিপ্লৱ, শিল্প বিপ্লৱ আৰু বিজ্ঞানসন্মত সমাজ ব্যৱস্থাত অতুলনীয় বৰঙণি আগবঢ়ায়।

একোজন বৰেণ্য ব্যক্তিৰ কৰ্মৰাজি অন্য এজন ব্যক্তিৰ বাবে অনুপ্ৰেৰণা আৰু ন সৃষ্টিৰ সমল হ'ব পাৰে। উদাহৰণস্বৰূপে- সমাজ বিজ্ঞানী উলিয়াম পেটি, ভুদলে নৰ্থ, জাচিয়াচাইল্ড, কেণ্টেলিয়ান আদি চিন্তাবিদৰ গ্ৰন্থসমূহৰ দ্বাৰা প্ৰভাৱিত হৈ ওঠৰশ শতিকাৰ অন্তিম ভাগত আদম স্মিথৰ দ্বাৰা প্ৰণীত 'ওৱেলথ অৱ নেচঞ্চ'এ গ্ৰন্থকাৰক অৰ্থশাস্ত্ৰৰ পিতৃ স্থানত অধিষ্ঠিত কৰিছে। সেইদৰে কাৰ্লমাৰ্ক্সৰ 'দাস কেপিটেল'ও পূৰ্বেপ্ৰণীত গ্ৰন্থ আৰু গ্ৰন্থ অধ্যয়নৰেই ফল। পাইথাগোৰাছ, কপাৰনিকাছ, গেলিলিও, আইনষ্টাইন, এডিচন আদিৰ দৰে

অসংখ্য বিজ্ঞানীৰদ্বাৰা প্ৰণীত গ্ৰন্থৰাজিয়ে বিভিন্ন স্তৰত গৱেষণাযোগে ন-ন ক্ষেত্ৰৰ উন্মেষ ঘটাই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ নতুন দিগন্তৰ সূচনা কৰিছে।

অসমৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱে মহৎ কৰ্মৰাজি বিভিন্ন কাব্য, ভক্তিতত্ত্ব, অনুবাদ, সাহিত্য, অংকীয়া নাট, বৰগীত আদিৰ যোগেদি সুশৃংখল অসমীয়া সমাজ গঢ়াৰ ভেটি প্ৰদৰ্শন কৰিছিল। ১৯ শতিকাৰ মাজভাগৰ পৰা বৰ অসম গঢ়াৰ মানসেৰে অনেক সাধকে মূল্যৱান মুদ্ৰিত পুথি অসমীয়াক উপহাৰ দি গৈছে। অসমৰ সামগ্ৰিক সমাজ-সংস্কৃতিৰ বাবে বলিষ্ঠ বৌদ্ধিক মহলা সৃষ্টি কৰিবলৈ সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ, হেমচন্দ্ৰ গোস্বামী, বাণীকান্ত কাকতি আদি বৰেণ্য ব্যক্তিসকলে অস্ত্ৰ হিচাপে গ্ৰহণ কৰিছিল গ্ৰন্থ অধ্যয়ন আৰু গ্ৰন্থ প্ৰণয়নত। হেমচন্দ্ৰ গোস্বামীদেৱৰ সাধনাৰ ফল 'অসমীয়া সাহিত্যৰ চানেকি'। ইয়াৰ যোগেদি কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া এম.এ. পাঠ্যক্ৰমৰ প্ৰৱৰ্তন এক ঐতিহাসিক ঘটনা।

ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনত গ্ৰন্থ অধ্যয়নৰ ভূমিকা অনস্বীকাৰ্য। বিভিন্ন সফল ব্যক্তিসকলৰ জীৱনীসমূহে সকলোকে অনুপ্ৰাণিত কৰে। বিভিন্ন গ্ৰন্থ অধ্যয়নে ব্যক্তিৰ জীৱন দৰ্শনেই সলনি কৰি তুলিব পাৰে। ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনত গ্ৰন্থ অধ্যয়নৰ ভূমিকাৰ বিষয়ে মহাত্মা গান্ধীয়ে 'মোৰ সত্য অন্বেষণ'ত উল্লেখ কৰা ৰজা হৰিশ্চন্দ্ৰ উপাখ্যানৰ উদ্ধৃতি আৰু তেওঁৰ জীৱনত তাৰ প্ৰভাৱ সম্পৰ্কে উল্লেখ কৰি গ্ৰন্থ অধ্যয়নৰ মহত্ত্বৰ কথাকে ক'ব বিচাৰিছে। হাঞ্চ পিলাচিৰ লিখিত টোকা পঢ়ি অনুপ্ৰেৰণা গ্ৰহণ কৰি গেলিলিওই উন্নত মানৰ টেলিস্কোপ সাজি উলিয়াইছিল। অৰ্থাৎ সকলো দিশ ফঁহিয়াই চালে দেখা যায় যে গ্ৰন্থ অধ্যয়নে ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনৰ উপৰিও নতুন আৱিষ্কাৰতো অৰিহণা যোগায়।

সমাজ বিৱৰ্তনৰ স্বাভাৱিক ধাৰাবাহিকতাত শিকিবলগীয়া আৰু শিকাবলগীয়া বিষয়বোৰে গ্ৰন্থ ৰূপ নোপোৱা হ'লে সাম্প্ৰতিক সুখ-স্বাচ্ছন্দ্যৰে ভৰা আধুনিকোত্তৰ কালৰ জয় জয়-ময় ময় অৱস্থা অসম্ভৱ হ'লহেঁতেন। ইতিহাস সম্বলিত প্ৰবন্ধ, কাহিনী, উপন্যাস, আত্মজীৱনী, ৰম্য ৰচনা আদি সমাজৰ সকলো স্তৰৰ লোকৰ পঠনীয় হ'ব পাৰে। এইবোৰৰ অধ্যয়নে পাঠকক মানসিক আনন্দ দান কৰে। নিম্ন শিক্ষিত হ'লেও গ্ৰন্থ অধ্যয়নৰদ্বাৰা নিজকে সংস্কৃতিবান ব্যক্তিলৈ পৰিণত কৰিব পাৰে।

শিকাৰু আৰু শিক্ষকৰ সমষ্টিৰে গঢ়ি উঠা গতিশীল শিক্ষা ব্যৱস্থাত গ্ৰন্থ অধ্যয়নে সৰ্বশ্ৰেষ্ঠ স্থান পোৱা বুলি কোৱা হয়। বিদ্যালয়, শিক্ষক, শিকাৰু আৰু গ্ৰন্থ হ'ল সামগ্ৰিক শিক্ষা ব্যৱস্থাৰ মূল উপাদান। গ্ৰন্থ অবিহনে এই ব্যৱস্থা সু-সংগঠিত হ'ব নোৱাৰে। ভাল গ্ৰন্থ এখন অধ্যয়নত মনোনিৱেশ কৰা মানেই মানৱীয় প্ৰমূল্যৰ আগমন ঘটা। ভাল গ্ৰন্থ অধ্যয়নে মানুহৰ মন আৰু আত্মাৰ উৎকৰ্ষ সাধনত সহায়ক হিচাপে কাম কৰে। কোনো নতুন আৱিষ্কাৰৰ বাবে প্ৰয়োজনীয় গৱেষণাৰ ক্ষেত্ৰত পূৰ্বৰ প্ৰসংগ অপৰিহাৰ্য বাবে গৱেষকসকলৰ গ্ৰন্থ অধ্যয়নৰ বিকল্প নাথাকে। ড° বাণীকান্ত কাকতিৰ 'আছামিছ ইট্চ ফৰমেচন এণ্ড ডেভলপমেণ্ট' গ্ৰন্থখন অসমীয়া আৰু আন পৰিপূৰক ভাষাসমূহৰ গৱেষণাধৰ্মী কাৰ্যৰ বাবে উৎকৃষ্ট সমল বুলি গণ্য কৰা হয়। প্ৰভাত বৰাদেৱে এই গ্ৰন্থখনৰ বিষয়ে মন্তব্য আগবঢ়াই কয় যে "এইখন অসমীয়া জাতিৰ আত্মপ্ৰতিষ্ঠাৰ প্ৰতি এক শ্ৰেষ্ঠ অৱদান।"

এতিয়া আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কেনে ধৰণৰ গ্ৰন্থ প্ৰীতি তথা অধ্যয়ন জাগ্ৰত কৰিব পাৰোঁ তাৰবাবে চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে। প্ৰকৃততে গ্ৰন্থ অধ্যয়নৰ জগতখন সূচনা হ'ব লাগে বা হয় ব্যক্তিগত পৰ্যায়ত, নিজৰ ঘৰত। ভাল কিতাপৰ সমৃদ্ধ ঘৰেই ভাল ঘৰ। ঊনবিংশ শতিকাত মাৰ্কিন শিক্ষাবিদ হৰেছ মানেও একেধৰণৰ কথা কৈছিল। তেওঁ কৈছিল— "A house without books is like a room without windows." গ্ৰন্থৰ প্ৰতি ধাউতি আনিবলৈ হ'লে প্ৰকৃততে শিক্ষক-শিক্ষয়িত্ৰীসকলেই আগভাগ ল'ব লাগিব। গ্ৰামাঞ্চলত থকা ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকল সচেতন নোহোৱা হেতুকে শিক্ষক-শিক্ষয়িত্ৰীসকলেই গুৰু দায়িত্ব বহন কৰিব লাগিব। নিজৰ নিজৰ বিদ্যালয়সমূহত সৰুকৈ হ'লেও একোটাকৈ গ্ৰন্থাগাৰ জন্ম দিয়াটো নিতান্তই প্ৰয়োজনীয়। কাৰণ বিদ্যালয়ৰ পৰ্যায়তেই তেওঁলোকৰ অধ্যয়নৰ অভ্যাস গঢ়ি তুলিব লাগিব। সৰু অৱস্থাতেই যদি এই অভ্যাস গঢ় লৈ নুঠে তেন্তে মহাবিদ্যালয় পৰ্যায়ত এই অভ্যাস গঢ় দিব নোৱাৰি। গ্ৰন্থ সংগ্ৰহ কৰা, সংৰক্ষণ কৰা আৰু অধ্যয়ন কৰা এটা মহৎ কাম।

একোখন মহৎ গ্ৰন্থই তাৰ ৰচকজনক পৃথিৱীত অমৰ কৰি ৰাখে। কিয়নো তেওঁ জ্ঞানামৃত মন্থন কৰি নিজে পান কৰাৰ লগতে আনকো বিলাই দিয়ে। মানুহৰ বিচাৰ-বুদ্ধি আৰু তথ্য জ্ঞান সজীৱ কৰি ৰাখে অধ্যয়নে। এখন মূল্যৱান পুথি পাঠকৰ বাবে শিক্ষক, বন্ধু আৰু জীৱনৰ বাবে সম্পদ তথা ৰক্ষা কবচ। মানুহে বিচাৰ-বুদ্ধি আৰু জ্ঞানৰো সন্ধান পাব লাগিব। জ্ঞানৰ অবিহনে সৎ বিচাৰ-বুদ্ধিৰ অধিকাৰী হ'ব নোৱাৰি। জ্ঞানৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দুয়োটা দিশ আছে। তাত্ত্বিক জ্ঞান নহ'লে ব্যৱহাৰিক জ্ঞানো সম্পূৰ্ণ হ'ব নোৱাৰে।

এগৰাকী গ্ৰন্থাগাৰিকা হিচাপে সকলো ছাত্ৰ-ছাত্ৰীলৈ এটা আহ্বান থাকিব, তেওঁলোকে আনুষ্ঠানিক শিক্ষাৰ লগতে গ্ৰন্থ অধ্যয়নৰ যোগেদি নান্দনিক সুখো গ্ৰহণ কৰক। গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰাম্য পুথিভঁৰালৰ (ব্যৱস্থা যদি আছে) সহায় লওক। নিজৰ বিদ্যালয়ত থকা কিতাপৰ সংগ্ৰহালয়ৰ পৰা কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ চেষ্টা কৰিব লাগে। মুঠতে গ্ৰন্থ অধ্যয়নৰদ্বাৰা তেওঁলোকে নিজৰ ব্যক্তিত্ব উচ্চ খাপলৈ লৈ যোৱা প্ৰয়াস কৰিব লাগে। তেওঁলোকৰ বাটকটীয়া হিচাপে শিক্ষকসমাজ, অভিভাৱক তথা অন্য অগ্ৰজসকল

সদায় সচেতন হ'ব লাগে। গ্ৰন্থ জ্ঞানৰ ভাণ্ডাৰ হোৱা হেতুকে গ্ৰন্থক আদৰ কৰাৰ লগতে তাৰ সংৰক্ষণৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে আৰু কৰাটো নিতান্তই প্ৰয়োজন। সেইবাবেই গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তাও অনস্বীকাৰ্য। গ্ৰন্থ পঢ়া বা বহু কথা জনাৰ একান্ত আগ্ৰহ থাকিলেও, আলোচনী বা প্ৰয়োজনীয় তথ্যপাতি কিনা বা সংগ্ৰহ কৰাটো কোনো ব্যক্তিৰ বাবেই সম্ভৱ নহয়। সেইকাৰণেই কাৰলাইনে কৈছে— "The true Universality of this day is a collection of books."

সেইবাবে সকলোৰে গ্ৰন্থ অধ্যয়ন কৰি ব্যক্তিত্ব ফুটাই তুলিবলৈ যত্নৱান হোৱাটো বাঞ্ছনীয় তথা অনুজসকলক প্ৰেৰণা দিয়াটো যথেষ্ট দৰকাৰী। গ্ৰন্থাগাৰৰ ঠাক ঠাক কিতাপৰ মাজত অকণমান সময় কটাব পৰাটো যথেষ্ট শান্তিদায়ক বুলি হোমেন বৰগোহাঞিদেৱে তেখেতৰ 'আত্মানুসন্ধান' নামৰ কিতাপখনত উল্লেখ কৰিছে। শেষত মিল্টনে তেওঁৰ 'এৰিঅ'পেগেলিকা' নামৰ গ্ৰন্থত লিখা এটা বাক্য উল্লেখ কৰিছোঁ— "A good book is precious life blood of a master spirit emblemed and treasured upon purpose of life beyond life."

**প্ৰসঙ্গ পুথি ঃ**


ক) গোস্বামী, হেমচন্দ্ৰ (পুনৰ মুদ্ৰণ, ২০০২), *অসমীয়া সাহিত্যৰ চানেকি*, বাণীমন্দিৰ, ডিব্ৰুগড় আৰু গুৱাহাটী

খ) ভৰালী, হেমন্তকুমাৰ (২০০০), *এহেজাৰ বছৰৰ এশগৰাকী অসমীয়া*, ১ম খণ্ড

গ) Adler, Mortimer (1952) Great Books of the Western World


(পূৰ্বে বৰ্ণালী আলোচনীত প্ৰকাশিত)

গল্প

# প্ৰেয়সীৰ নিমন্ত্ৰণেই আছিল নে?





-প্ৰাঞ্জল বৰগোহাঁই
স্নাতক বিজ্ঞান শাখা, চতুৰ্থ ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ


নিস্তব্ধ হৈ আছিল অঞ্চলটো। গহীন সেই নিশাটোৰ তাৰ প্ৰতিটো খোজেই আছিল ভয়ংকৰ। ডাঠ কুঁৱলীৰ মাজে মাজে জোনৰ পোহৰেই ঠাইডোখৰ স্পষ্টকৈ দেখি পোৱা নাছিল। সেই মাজনিশাখন সি নৈত জাপ দিলে। সাঁতুৰি যেনে-তেনে নৈৰ সিপাৰ পালেগৈ। ওখ গৰাটোত কষ্ট কৰি ওপৰলৈ উঠিল। দূৰৰ বালি চাপৰিলৈ সি চাই পঠিয়ালে, ঝাউবনৰ মাজে-মাজে তাৰ চকুত পৰিল সেই মাজ নিশাও দাও-দাওকৈ জ্বলি থকা এখন চিতা। সি সেইফালে যাবলৈ সাহস নকৰি বাওঁফালৰ দীঘল বাটটোৰেদি খোজ দিলে। হঠাৎ তাৰ মূৰৰ ওপৰেদি কিবা গুছি গ'ল। ওপৰলৈ চাই পঠিয়াওঁতে তাৰ বুকুখন ধপ-ধপাই উঠিল। "গছজোপাত চোন সৌটো কিবা ওলমি আছে।" এখন্তেকো নৰৈ খোজ আগবঢ়াই দিলে। মাজতে সি উজুটি খাই পৰি গ'ল। আচলতে নৰকংকালে ভৰা জয়াল মৰিশালিখনত লাওখোলা এটাত উজুটি মাৰি পোৱাটো তেনেই সাধাৰণ। এইবাৰ তাৰ এনে লাগিল যেন লাওখোলাটোৱে তাৰ ফালে খঙত চাই আছে। সি যেন গভীৰ টোপনিৰপৰাহে তাক জগাই দিলে। মুখত নিজে নিজে ভগৱানৰ নাম ওলাল। উঠি খৰধৰকৈ খোজ দিলে। বালিময় জয়াল ঠাইডোখৰত দুই এজোপাহে ডাঙৰ গছ আছিল। সি মন কৰিলে সৌ বৰগছজোপাৰ পৰা কোনোবাই জুমি চাই আছে। সি থমকি ৰবলৈ বাধ্য হ'ল।

স্বাভাৱিক দিনেই আছিল। পিছবেলা কলেজৰ পৰা আহি নিজৰ কামখিনি কৰি দিনটো সামৰে আৰু ৰাতিপুৱা পাঁচ বজাত আৰম্ভ হয়। সকলো ঠিকেই আছিল, মাথোঁ সেইদিনা মাজনিশা ডেৰমান বজাত সাৰ পাই মনে মনে ঘৰৰ পৰা ওলাই গ'ল।

জাৰকালিৰ দিন আছিল। তাৰ হঠাৎ মনত পৰি গৈছিল, তাক যাবলৈ কৈছিল। সেই ৰাতিখন সি খোজ আগবঢ়াই দিলে। গাৱঁৰ আলিটোৰ পৰা নামি লুংলুঙীয়া বাটটোৰে সি খোজ দিলে। জোনৰ ফটফটীয়া পোহৰতো বাটটো মণিব পৰা নাছিল। বাটটোৰ সোঁফালে গ'লে ৰজাদিনৰ মৈদামবোৰ, সি বাওঁফালৰ হাবিতলীয়া বাটটোৰেদি আগুৱাই গ'ল। সি নলাটো পালেগৈ। নলাটোৰ পৰা হাবিখন প্ৰায় কম। খেৰ চাপৰিৰ মাজে মাজে খোজ দি গৈ থাকিল। অলপ দুৰ গৈ সি নদীখন পালে। নদীখনৰ সিপাৰৰ অঞ্চলটোৰেই আছিল তাৰ গন্তব্য স্থান।

তাক প্ৰেয়সীয়ে কলেজতে কৈ গৈছিল- "ৰাতিকৈ আমাৰ গাৱঁৰ তিনিআলিটোলৈ আহিবা। ঘৰৰ কোনেওটো নেমানেই। গুছি যাম।" সেই কথাটো ঘপহকৈ মনত পৰাৰ পাছত সি ওলাই গৈছিল। নদীখন পাৰ হৈ সি ইটো পাৰত ভাল কৈয়ে পালেগৈ। কিন্তু তাইটো তিনিআলিটো লৈকে অহাহে কথা আছিল। এই হাবি মৰিশালিখনলৈকেতো আগবাঢ়ি নাহে। ভয়ৰ মাজত এনেবোৰ কথাই তাক জুমুৰি দি ধৰিলে। এখোজ-দুখুজকৈ বৰগছজোপাৰ গুৰিলৈ যাব ধৰিলে। বৰগছজোপাৰ গুৰিত পাবলৈ হওঁতেই তাৰ ফোনটো বাজি উঠিল। সি টোপনিৰ পৰা সাৰ পাই উঠিল। নীৰৱৰ ফোন, ফোনটো Silent কৰি সি চকু দুটা মুদি দিলে। তাৰ খং উঠি আহিল "কি কি যে সপোন দেখোঁ মই।" সময় চাই দেখিলে ৭ বাজিছে। অলপ পাছতে কলেজ ওলাবৰ হ'বই। সি খৰ-ধৰক�ৈ উঠিল। ❑

প্ৰবন্ধ

# অসমৰ ভৌগোলিক আৰু সামাজিক জীৱনৰ কিছু ধাৰণা

**-ৰশ্মিৰেখা বৰা**
স্নাতক কলা শাখা, পঞ্চম যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

অতীজৰে পৰা ভৌগোলিক আৰু সামাজিক দিশটো অসমৰ এক গুৰুত্বপূৰ্ণ বিষয়। অসমৰ বিভিন্ন জলবায়ু মাটি, নদী ইয়াৰ উদ্ভিদ, বনৌষধি, চৰাই-চিৰিকটি আৰু এই সকলোবোৰ সামৰি গঢ় লৈ উঠা ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যবোৰ পৰ্যটকৰ আকৰ্ষণৰ একোটা কেন্দ্ৰবিন্দু। আনহাতে অসমৰ জাতি, সমাজব্যৱস্থা, ধৰ্ম, খাদ্যাভ্যাস, সাজপাৰ, গহনা-গাঁথৰি, উৎসৱ-অনুষ্ঠান, অসমীয়া সমাজত প্ৰচলিত লোকবিশ্বাস আদিয়ে অসমীয়া সমাজ জীৱনক অন্যান্য সমাজ জীৱনতকৈ পৃথক কৰি তোলে।

অসম ভাৰতৰ উত্তৰ পূৱত অৱস্থিত এখন ৰাজ্য। সাম্প্ৰতিক সময়ৰ অসম আৰু পুৰণি অসমৰ মাজত বহু পাৰ্থক্য আছিল। ভৌগোলিক আয়তনৰ লেখেৰে অসমৰ পূৰ্বৰ মাটিকালি ২,৫৫,০৮৩ বৰ্গ কিলোমিটাৰ আৰু বৰ্তমান ৭৮, ৪৩৮ বৰ্গ কিলোমিটাৰ। ভাৰতৰ স্বাধীনতাৰ পাছত ৰাজনৈতিক কাৰণত অসমৰ পৰা পৃথক হৈ পৰা নাগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু মণিপুৰক ধৰি উত্তৰ-পূৰ্বাঞ্চলক সাতভনী বোলা হয়। ২০০২ চনৰ পৰা ছিকিমকো উত্তৰ-পূৰ্বাঞ্চলৰ অংশৰূপে ধৰা হৈছে। অসমৰ ভূ-ভাগক সাধাৰণতে চাৰিটা বিভাগ বা অঞ্চলত দেখা যায় সেইবোৰ হ'ল ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা, কাৰ্বি মালভূমি আৰু বৰাইল তথা দক্ষিণ পাৰ্বত্য অঞ্চল। ব্ৰহ্মপুত্ৰ অসমৰ প্ৰধান নদী আৰু এই নদী প্ৰায় ৭২৫ কিলোমিটাৰ জুৰি অসম তথা ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজেদি বৈ গৈছে। ব্ৰহ্মপুত্ৰৰ প্ৰধান উপনদী কিছুমান আছে যেনে- সোৱনশিৰি, জীয়া ভৰালী, বৰনদী, পুঠিমাৰী, দিখৌ, ভোগদৈ, ৰঙানৈ, বুঢ়ীদিহিং আদি।

জলবায়ুৰ ক্ষেত্ৰত অসম উপক্ৰান্তীয় মৌচুমী জলবায়ু অঞ্চলৰ অন্তৰ্গত। এপ্ৰিল মাহত অসমত প্ৰবল ধুমুহা আহে যাক অসমত বৰদৈচিলা বুলি কয়। বিহুৰ বতৰত ধুমুহা অৰ্থাৎ মৌচুমী বতাহ বলে। এনেধৰণৰ জলবায়ুৰ প্ৰভাৱত অধিক বৰষুণ হোৱাৰ ফলত প্ৰতি বছৰে কম বেছি পৰিমাণে হ'লেও অসমত বানপানী আৰু গৰাখহনীয়াৰ দৰে প্ৰাকৃতিক দুৰ্যোগ হোৱা পৰিলক্ষিত হয়। জলবায়ুগত পৰিৱেশ, বৰষুণ, মাটি গুণাগুণৰ ওপৰত ভিত্তি কৰি অসমৰ বনাঞ্চলত বহুতো উদ্ভিদ দেখা যায়। ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যবোৰত ভিন্ন ধৰণৰ উদ্ভিদৰ লগতে প্ৰাণী চৰাই-চিৰিকটি দেখা পোৱা যায়। এই উদ্ভিদ আৰু প্ৰাণীবোৰৰ ভিতৰত কিছুমান উদ্ভিদ আৰু প্ৰাণীক ৰাজ্যিক প্ৰতীক হিচাপে পৰিগণিত কৰা হৈছে সেইবোৰ হ'ল- ৰাজ্যিক পশু হিচাপে এশিঙীয়া গঁড়, পক্ষী হিচাপে দেওহাঁহ, ৰাজ্যিক বৃক্ষ হিচাপে হোলোং গছ স্বীকৃত।

এইদৰে ভাৰতবৰ্ষৰ এখন অতি মনোৰম ৰাজ্য হিচাপে পৰিচয় লাভ কৰিছে।

প্ৰাচীন কালৰে পৰা বিভিন্ন মহাকাব্য আৰু পুথিবোৰত অসমৰ বিৱৰণ পোৱা যায়। প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ নামেৰে অসমৰ বিভিন্ন কথা ৰামায়ণ, মহাভাৰত, কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, শ্ৰী মদ্ভাগৱত আদিত পোৱা যায়। এই ঐতিহাসিক সমলবোৰে অসমৰ ভৌগোলিক দিশটোৰ উপৰিও অসমৰ সমাজ জীৱনৰ বিভিন্ন দিশবোৰক প্ৰতিফলিত কৰে। অসমৰ বিভিন্ন সাহিত্য, নাটক, ভাওনা, চলচ্চিত্ৰ, পৰম্পৰাগত লোকগীত, নাম, পৰম্পৰাগত নৃত্য, অসমৰ বাদ্যযন্ত্ৰ, চিত্ৰকলা, ঐতিহ্যপূৰ্ণ কীৰ্তিচিহ্ন, ভৱন, সত্ৰ, ভাষা, লিপি আদিবোৰে অসমৰ সংস্কৃতিৰ এক শক্তিশালী ৰূপ গঢ়ি তোলাৰ লগতে সমাজ জীৱনতো প্ৰভাৱ বিস্তাৰ কৰে। বৰ্তমান অসমৰ সমাজ জীৱন আৰু প্ৰাচীন কালৰ সমাজজীৱনৰ মাজত বহু পাৰ্থক্য আছে। বিভিন্ন জাতি-জনজাতি লগ হৈ অসমীয়া জাতীয় জীৱন গঠন হৈছে। বিভিন্ন সময়ত বিভিন্ন ঠাইৰ পৰা আহি ভিন্ন মাত-কথা, ধৰণ-কৰণ, এৰা-ধৰা আৰু দিয়া-লোৱাৰ মাজেৰে বৃহত্তৰ অসমীয়া জাতি গঠন হৈছে। এই সমাজৰ বিভিন্ন লোক বৈষ্ণৱ, শাক্ত, বৌদ্ধ, ইছলাম আদি বিভিন্ন ধৰ্ম বিশ্বাসী। বৃহত্তৰ এই অসমীয়া সমাজখন এখন পিতৃপ্ৰধান সমাজ য'ত ঘৰৰ বয়োজ্যেষ্ঠ লোকজনে ঘৰখন পৰিচালনা কৰে।

অসমৰ সৰহসংখ্যক মানুহেই গাঁৱত বাস কৰে। প্ৰকৃততে অসমৰ গ্ৰাম্য সমাজৰ ছবিখনেই অসমীয়া সমাজ জীৱনৰো ছবি আৰু এই গাঁৱৰ লোকসকলৰ মাজত আত্মীয়তাৰ ভাৱ অতি প্ৰবল অসমীয়া সমাজত এক অন্যতম বিশিষ্ট ভূমিকা পালন কৰা অনুষ্ঠান হ'ল নামঘৰ। সাধাৰণতে প্ৰত্যেক গাঁৱতে একোটাকৈ নামঘৰ থাকে। প্ৰধানতঃ ধৰ্মীয় উপাসনাৰ স্থান হ'লেও গাঁৱৰ নানান সমস্যা, বাদ-বিবাদ, নীতি-নিয়মৰ আলোচনা কৰিবৰ বাবেও গাৱঁৰ ৰাইজ নামঘৰত সমবেত হয়। এনে সমাজৰ কাম কৰিবলৈ যাওঁতে বিভিন্ন কামত আৰু ধৰ্মানুষ্ঠানৰ ক্ৰিয়া কাজত তামোল-পাণৰ ভূমিকা অসমীয়া সমাজত অপৰিহাৰ্য। অসমৰ বাৰে ৰহণীয়া সমাজব্যৱস্থাৰ বিষয়ে জ্ঞাত হ'বলৈ অসমৰ উৎসৱ-অনুষ্ঠান, খাদ্যভ্যাস, গহনা-গাঁথৰি, সাজপাৰ, লোকবিশ্বাস আদি দিশবোৰৰ বিষয়ে জনাটো অতি প্ৰয়োজনীয়।

অসমত সাধাৰণতে উৎসৱবোৰক তিনিটা ভাগত ভাগ কৰা দেখা যায়। ধৰ্মীয়, কৃষিভিত্তিক আৰু সামাজিক অনুষ্ঠানমূলক উৎসৱ। বিহু হৈছে অসমৰ প্ৰধান উৎসৱ। এই বিহু সাধাৰণতে তিনিটা আৰু এই বিহু এক প্ৰকাৰৰ কৃষিভিত্তিক উৎসৱ। এই উৎসৱৰ লগত অসমৰ পৰ্বত-পাহাৰ, উজনি-নামনি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ সম্বন্ধ নিবিড়। ইয়াৰ উপৰি শিৱৰাত্ৰি, আই সবাহ, কেঁচাইখাতী পূজা, জন্মাষ্টমী, ছট পূজা, বুদ্ধ পূৰ্ণিমা, মে-ডাম-মে-ফি, ঈদ-উল-ফিতৰ আদিবোৰ একো একোটা ধৰ্মীয় উৎসৱ হিচাপে পালন কৰা দেখা যায়। সামাজিক আনুষ্ঠানিক উৎসৱ হিচাপে কিছুমান উৎসৱ পালন কৰা হয় সেইবোৰ হ'ল- পঞ্চামৃত খুওৱা, অন্ন প্ৰাসন্ন, বিয়া, তোলনি বিয়া, ন-খোৱা আদি।

উৎসৱৰ উপৰিও অসমৰ খাদ্যপ্ৰণালীৰ বিষয়ে মন কৰিলে ভাত অসমীয়া মানুহৰ প্ৰধান খাদ্য হিচাপে পৰিচিত। ইয়াৰ উপৰিও ধানৰ পৰা তৈয়াৰ কৰা চিৰা, মুৰি, আখৈ, কোমল চাউল, পিঠাগুৰি, সান্দহ আদি অসমীয়াৰ প্ৰিয় জলপান। পিঠাগুৰিৰ পৰা তিলপিঠা, ঘিলা-পিঠা, নাঙল ধোৱা পিঠা, চুঙা পিঠা অনেক তৈয়াৰ কৰা হয়। সাধাৰণতে বিহুৰ সময়ত পিঠাগুৰিৰ পৰা এনে ধৰণৰ বিভিন্ন পিঠা তৈয়াৰ কৰা দেখা যায়।

অসমৰ জনসাধাৰণৰ সাজপাৰলৈ লক্ষ্য কৰিলে দেখা যায় অসমৰ সাজপাৰৰ ক্ষেত্ৰত এক সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্য আছে যিয়ে অসমীয়া সাজপাৰক ভাৰতৰ আন বহু ৰাজ্যতকৈ পৃথক কৰি ৰাখিছে। কপাহী কাপোৰেই সাধাৰণলোকৰ প্ৰধান বস্ত্ৰ হ'লেও মুগা কাপোৰ অসমীয়া সাজপাৰৰ প্ৰধান বৈশিষ্ট্য। ইয়াৰ উপৰিও এৰী, পাট আদিৰ বস্ত্ৰও অসমত অতি গুৰুত্বপূৰ্ণ। সৰ্বসাধাৰণ অসমীয়া পুৰুষৰ বাবে ধুতী বা চুৰীয়াই আছিল প্ৰধান অধোবস্ত্ৰ আৰু মহিলাৰ বাবে ৰিহা আৰু মেখেলা চাদৰক প্ৰধান পোছাক হিচাপে ধৰা হয়। ইয়াৰ গামোচা অসমীয়া সমাজৰ অন্যতম পৰিচায়ক। ইয়াৰ অন্যান্য জনগোষ্ঠীৰ মাজত বহুতো প্ৰকাৰৰ সাজ-পাৰ প্ৰচলন থকা দেখিবলৈ পোৱা যায়। এই সাজ পাৰৰ লগত সৌন্দৰ্য্য বৃদ্ধি কৰিবলৈ অসমীয়া লোকে বিভিন্ন গহনা ব্যৱহাৰ কৰে। পুৰুষে আঙুঠি, লতামণি, বেনা আদি পূৰ্বতে পৰিধান কৰাৰ কথা উল্লেখ পোৱা যায়। আনহাতে মহিলাই খোপাত সোণ-ৰূপৰ ফুল, কাণত কেৰু থুৰীয়া, জোনবিৰি, মুঠিখাৰু, গামখাৰু আদি পৰিধান কৰে।

বিভিন্ন ভাষা-ভাষী, জাতি-জনজাতি আদি লগ হৈ বিভিন্ন জীৱন ধাৰণৰ প্ৰণালী গঢ় লৈ উঠা অসমত বিভিন্ন লোকবিশ্বাস প্ৰচলিত হৈ আহিছে আৰু বৰ্তমানো কিছু পৰিমাণে ইয়াৰ প্ৰচলন আছে। লোক বিশ্বাসবোৰ ক্ৰমে গছ-গছনি, জেঠী, সাপ, শিল, মাছ, চাউল, পখিলা আদিৰ দৰে প্ৰাণী আৰু উদ্ভিদক লৈ প্ৰচলিত হৈ আহিছে। এনে বিশ্বাসৰ মতে বিভিন্ন গছ-গছনিক পূজা কৰা দেখা যায়, তুলসী, বৰগছ, আঁহত গছ আদি প্ৰধান। আনহাতে জেঠীক অদ্ভুত ৰহস্যময়ী প্ৰাণী হিচাপে বিশ্বাস কৰে। মানুহৰ শৰীৰত জেঠী পৰিলে ভিন্ন ভিন্ন ফল পোৱা যায় বুলি লোক বিশ্বাস প্ৰচলিত আৰু বিভিন্ন মাংগলিক কাৰ্যত চাউল ব্যৱহাৰ আৰু ছটিওৱা দেখা যায়। এইদৰে বিভিন্ন ধৰণৰ লোকবিশ্বাস অসমীয়া সমাজত প্ৰচলিত হোৱা দেখা যায়।

এই বিভিন্ন দিশবোৰৰ উপৰিও অসমত বিভিন্ন ভৌগোলিক আৰু সামাজিক দিশ দেখা পোৱা যায় বিভিন্ন সংস্কৃতিৰ সংমিশ্ৰণত গঢ় লৈ উঠা অসমীয়া সংস্কৃতি অসমীয়া সমাজ জীৱনৰ এক গুৰুত্বপূৰ্ণ দিশ। বৰ্তমান ৰাজ্যখনৰ বিভিন্ন সমস্যা সমাধানৰ

লগত চৰকাৰ, প্ৰশাসন, আইনে বিভিন্ন ধৰণেৰে কাৰ্য সম্পাদন কৰে। এনেধৰণেৰে ভৌগোলিক হওক বা সামাজিক দিশৰে হওক বেলেগ বেলেগ দিশ এক হৈ এক বাৰেৰহণীয়া অসমৰ সমাজ জীৱন গঢ় লৈ উঠিছে। আনহাতে পূৰ্বৰ তুলনাত পৰিস্থিতি আৰু সময় পৰিৱৰ্তনৰ বাবে সমাজৰ বহুতো পৰম্পৰা প্ৰায় নাইকিয়া হৈ গৈছে। বিশ্বায়ন আৰু বিজ্ঞান প্ৰযুক্তিৰ বিকাশৰ লগে লগে দেশবোৰৰ সকলো প্ৰান্তত পৰা প্ৰভাৱবোৰৰ ফলত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা যায়। ❑

গল্প



# নাৰায়ণৰ মৰ্ম বেদনা

**- ৰশ্মা কুলি**
স্নাতক কলা শাখা, পঞ্চম যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মিংমা নামৰ এখন গাৱঁৰ নাৰায়ণ নামৰ এজন ব্যক্তি আছিল। তেওঁৰ পত্নীৰ নাম কবিতা আৰু তেওঁৰ এজন পুত্ৰ সন্তান আছিল, পুত্ৰৰ নাম গৌৰৱ।


তেওঁ মিংমা গাৱঁৰ এখন বেচৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল। তেওঁৰ বিদ্যালয়ত মুঠ ৮ জন শিক্ষক-শিক্ষয়িত্ৰী, এজন কেৰাণী আৰু মুঠ ১১৫ জন ছাত্ৰ-ছাত্ৰী আছিল। তাৰে নৱম শ্ৰেণীত মুঠ ৭২ জন আৰু দশম শ্ৰেণীত ৪৩ জন ছাত্ৰ-ছাত্ৰী আছিল। তেওঁলোকৰ বিদ্যালয়খন ১৯৮৮ চনত স্থাপন হৈছিল। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ পৰা মাহিলী মাছুল হিচাপে ৪০০ টকা লয় আৰু সেই পইচাসমূহ মাহত ৪৬,০০০ টকা হয়। তাৰ পৰাই শিক্ষক-শিক্ষয়িত্ৰীসকলক মাহত দিব লগা হয় ৪,৫০০ টকা আৰু কেৰাণী জনক ৩,০০০ টকা। কিন্তু কিছুমান ছাত্ৰ-ছাত্ৰীয়ে মাহিলী মাছুল নিদিয়াৰ বাবে সময়মতে তেওঁ শিক্ষক-শিক্ষয়িত্ৰীসকলক দৰমহা দিব নোৱাৰি। সেই কাৰণে কিছুমান শিক্ষক-শিক্ষয়িত্ৰীয়ে বিদ্যালয়লৈ সময়মতে নাহে আৰু নিজৰ ইচ্ছামতে পাঠদান নকৰাকৈ ঘৰলৈ গুছি যায়। ইয়াৰ ফলত তেওঁৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মেট্ৰিক পৰীক্ষাত ভাল নম্বৰ পাই উত্তীৰ্ণ হ'ব নোৱাৰে।

চৰকাৰে তেওঁলোকৰ বিদ্যালয়খনক চৰকাৰীকৰণ কৰি দিম বুলি তেওঁলোকক আশ্বাস দিয়ে, যদিও বৰ্তমানলৈকে দিয়া হোৱা নাই। ২০১৭ চনত ৰাজ্যখনৰ শিক্ষামন্ত্ৰী গৰাকীয়ে এখন নীতি প্ৰস্তুত কৰিছিল। সেই নীতিত উল্লেখ কৰা আছিল যে ২০০৬ চনত যিকেইখন বিদ্যালয়সমূহৰ পৰা মেট্ৰিক পৰীক্ষা ছাত্ৰ-ছাত্ৰীয়ে দিছিল সেইসমূহ বিদ্যালয়সমূহক চৰকাৰীকৰণ কৰা হ'ব। সেই মতে তেওঁলোকৰ বিদ্যালয়খনৰ নাম চৰকাৰীকৰণ কৰিবৰ বাবে লোৱাসমূহৰ ভিতৰত এটা আছিল। কিন্তু ২০২১ চনত ৰাজ্যখনৰ শিক্ষামন্ত্ৰী বদলি হৈছিল, সেই মন্ত্ৰীগৰাকীয়ে আকৌ এই বুলি সংবাদমেল অনুষ্ঠিত কৰি ঘোষণা কৰে যে ২০১৪, ২০১৫ আৰু ২০১৬ চনত যিকেইখন বিদ্যালয়সমূহৰ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ সংখ্যা ৫০ শতাংশতকৈ কম হোৱাসমূহক চৰকাৰীকৰণ কৰা নহ'ব বুলি স্পষ্ট ভাৱে মন্তব্য কৰে। নাৰায়ণৰ বিদ্যালয়ৰ ২০১৪ চনৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ইমান ভাল হোৱা নাছিল, সেইকাৰণে তেওঁ বহুত চিন্তিত হৈ পৰিছিল। কাৰণ বৰ্তমানৰ শিক্ষামন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কৈছিল চৰকাৰীকৰণ কৰা নকৰাৰ বিষয়ে। তাৰ কিছুদিন আগতে সেই অঞ্চলটোৰ বিধায়কগৰাকীয়ে বিদ্যালয়ৰ পুনৰ নিৰ্মাণৰ কাৰণে ১০ লাখ টকা দিম বুলি প্ৰতিশ্ৰুতি দিছিল, সেয়াও শিক্ষামন্ত্ৰীগৰাকীয়ে বে-চৰকাৰী বিদ্যালয়ক দিব নোৱাৰিব বুলি কৈ দিবলৈ নিদিলে।

নাৰায়ণে মনে মনে বহুত দুখ পাইছিল যদিও তেওঁৰ দুখৰ মৰ্ম বেদনাৰ কথা কাৰোৰে আগত প্ৰকাশ কৰিব নোৱাৰিছিল। এদিন তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ সকলো অভিভাৱককে মাতি তেওঁৰ মৰ্ম-বেদনাৰ কথা ক'লে। তেওঁৰ মনত এটাই আশা আছিল যে তেওঁৰ বিদ্যালয়খনক চৰকাৰীকৰণ কৰা হ'ব। তেওঁলোকৰ বিদ্যালয়খনক চৰকাৰীকৰণ কৰাৰ সম্ভাৱনা ক্ষীণ, সেয়ে তেওঁ বহুত বেছি চিন্তাত পৰিছিল। ❑

প্ৰবন্ধ

# অৰুণোদয়ত প্ৰকাশিত জাতীয় উন্নতিবিষয়ক গদ্য আৰু ইয়াৰ পুনৰ্পৰিক্ৰমাৰ প্ৰয়োজনীয়তা




-মনমী কলিতা
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনলৈ 'অৰুনোদই' সংবাদপত্ৰ আৰু আলোচনী আধুনিকতাৰ বাৰ্তাবাহক। ভাষা-সাহিত্যৰ বিভিন্ন দিশলৈ এই কাকতৰ অৰিহনা গুৰুত্বপূৰ্ণ। অসমীয়া সাহিত্যক বহুমুখী কৰি তোলা, ভাষিক চৈতন্যৰ জাগৰণ ঘটোৱা, এচাম নতুন অসমীয়া লেখক-পাঠকৰ সৃষ্টি কৰা, অসমীয়া ভাষাক এক আধুনিক ৰূপ প্ৰদান কৰা ইত্যাদি সকলো দিশতে এই আলোচনী আৰু সংবাদপত্ৰখনে পথনিৰ্দেশকৰ ভূমিকা গ্ৰহণ কৰিছিল।

ধৰ্মীয় বিষয়বস্তু লৈয়েই মূলতঃ প্ৰাচীন অসমীয়া সাহিত্য ৰচিত হৈছিল। আধ্যাত্মিক আৰু অন্ধবিশ্বাসমূলক কথাবস্তুত গুৰুত্ব আৰোপ মধ্যযুগীয় সাহিত্যৰো উল্লেখযোগ্য বিশেষত্ব আছিল। কিন্তু মিছনেৰীসকলৰ জৰিয়তে আৰু 'অৰুনোদই' আলোচনীৰ মাধ্যমেৰে অসমীয়া সাহিত্যলৈ ধৰ্মনিৰপেক্ষ দৃষ্টিভংগী , যুক্তিবাদী চিন্তাৰ লগতে পশ্চিমীয়া সাহিত্যৰীতিৰ গীত, নাট, উপন্যাসধৰ্মী ৰচনা, জীৱনী আদি অনেক নব্য সাহিত্যিক ৰূপে আত্মপ্ৰকাশ কৰিলে। 'অৰুনোদই'ৰ গদ্যৰ মাজেদি অসমীয়া গদ্য-সাহিত্যও আধুনিকতাৰ দিশে অগ্ৰসৰ হয়।

ভাষা-সাহিত্য চৰ্চাৰ উল্লেখযোগ্য মঞ্চ সংবাদপত্ৰ আৰু আলোচনীসমূহে নিজ নিজ সমাজৰ সামগ্ৰিক ৰূপটো উন্মোচিত কৰে। এইক্ষেত্ৰত কাহিনীবিযুক্ত গদ্য যেনে-প্ৰৱন্ধ, জীৱনী সাহিত্য, ভ্ৰমণ-সাহিত্য ইত্যাদি সাহিত্যৰূপে শুদ্ধ তথ্য আৰু যুক্তিনিষ্ঠভাৱে নিৰ্দিষ্ট সমাজখনক প্ৰতিফলিত কৰে। ধৰ্ম, বিজ্ঞান আৰু সাধাৰণ জ্ঞান বিকাশৰ বাবে উৎসৰ্গিত 'অৰুনোদই' সংবাদপত্ৰ আৰু আলোচনীত প্ৰকাশিত কাহিনীবিযুক্ত গদ্যৰাজিয়েও সেইসময়ৰ অসমৰ অনেক জাতীয় সমস্যাক নিজৰ মাজত ঠাই দিছিল। অসমীয়া ভাষা সমস্যা, অসমৰ সমসাময়িক শিক্ষা ব্যৱস্থাৰ লগতে অন্যান্য সামাজিক সমস্যাবিষয়ক অনেক প্ৰবন্ধ 'অৰুনোদই'ত প্ৰকাশিত হৈছিল য'ত সমস্যাসমূহৰ লগে লগে সমাধানৰ পথ নিৰ্দেশনাও দিয়া হৈছিল। অসমীয়া জাতিৰ সামগ্ৰিক উন্নয়নৰ বাবে জাতীয় সচেতনতাৰ সৃষ্টি এই প্ৰৱন্ধসমূহৰ লক্ষ্য আছিল। বিষয় অনুযায়ী এই প্ৰৱন্ধসমূহক আমি কেইটামান বিষয়ত ভাগ কৰি আলোচনালৈ আনিব পাৰোঁ। ভাগকেইটা হৈছে-

ক) ভাষাবিষয়ক
খ) শিক্ষাবিষয়ক
গ) সামাজিক সমস্যাবিষয়ক।

**'অৰুনোদই'ত প্ৰকাশিত লেখাত ভাষাবিষয়ক চিন্তা**

অসমীয়া ভাষাৰ সমৃদ্ধিত ইংৰাজী ভাষা শিক্ষণৰ গুৰুত্ব প্ৰকাশিত এটা প্ৰবন্ধ হৈছে- ''অৰুনোদই পৰ্হা লৰাবিলাকৰ প্ৰতি প্ৰথম প্ৰনই প্ৰত্ৰ''। এই ৰচনাত কৈছে যে ইংৰাজসকলৰ সমৃদ্ধিৰ প্ৰধান কাৰণ তেওঁলোকৰ পুথিত সন্নিৱিষ্ট হৈ থকা জ্ঞান। এই জ্ঞান আহৰণৰ বাবে অসম দেশৰ লোকসকলেও ইংৰাজী শিকা উচিত, শিকি সেই পুথিসমুহ অসমীয়ালৈ অনুবাদ কৰা উচিত। এনে কৰিলে অসমীয়া ভাষাও সমৃদ্ধিশালী হ'ব আৰু অসমীয়া লোকসকলো জ্ঞানী, ভদ্ৰ আৰু সম্ভ্ৰান্ত হ'ব বুলি কৈছে।

'অসম দেশৰ লোকসকলৰ প্ৰতি নিবেদন পত্ৰ' প্ৰবন্ধত উত্থাপিত হোৱা মূল দিশকেইটা হৈছে-

ক) ল'ৰা-ছোৱালী উভয়কে বিদ্যা-শিক্ষাৰ সুবিধা প্ৰদান কৰা উচিত। স্ত্ৰী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা উচিত।

খ) অসমৰ পঢ়াশালিত বঙলা পুথি প্ৰচলনৰ এটা কাৰণ হৈছে অসমত অসমীয়া ভাষাত উপযুক্ত পাঠ্যপুথিৰ অভাৱ। আনন্দৰাম ঢেকিয়াল ফুকনে 'অসমীয়া ল'ৰাৰ মিত্ৰ' পুথি ৰচনা কৰিছিল। এইক্ষেত্ৰত কোনেও তেওঁক উৎসাহ প্ৰদান কৰা নাছিল।

গ) এই প্ৰবন্ধত আৰু কোৱা হৈছে যে বঙলা আৰু ইংৰাজী ভাষাও পূৰ্বে আদৰণীয় নাছিল। নিজ নিজ দেশৰ লোকৰ সৎ প্ৰচেষ্টাতহে এই ভাষাসমূহ সভ্য হৈছে। অসমীয়া লোকসকলেও এই প্ৰচেষ্টা হাতত লোৱা উচিত। ইংৰাজী, সংস্কৃত আদি ভাল ভাষাৰ পুথি পঢ়ি, জ্ঞান আয়ত্ব কৰি নিজৰ ভাষাৰ শ্ৰী-বৃদ্ধিৰ যত্ন কৰা উচিত।

'অচমীয়া লোকে অচমীয়া ভাসা সিকাৰ ফল, ত্ৰিতিয় পত্ৰ' প্ৰৱন্ধত সকলো অসমীয়াই অসমীয়া ভাষা শিকা উচিত বুলি মত প্ৰকাশ কৰিছে। নিজৰ ভাষাটোক ভালকৈ নাজানিলে বিদেশী ভাষা শিকিলেও আমাৰ একো উপকাৰ নহয়। তাৰ প্ৰমাণ হিচাপে উল্লেখ কৰিছে যে অসমীয়া ছাত্ৰসকলে সাত-আঠ বছৰে বিদ্যালয়ত বঙ্গালি ভাষা শিকিও শুদ্ধ বঙালীত পাঠ পঢ়িব নোৱাৰে। সেয়ে এই প্ৰৱন্ধৰ জৰিয়তে লেখকে অসমত অসমীয়া ভাষাৰ প্ৰচলনৰ বাবে শাসকশ্ৰেণীক অনুৰোধ কৰিবলৈ সকলোলৈকে আহ্বান জনাইছে।

'অসম দেসৰ উপকাৰ' উপদেশমূলক ৰচনা। অসমৰ উপকাৰৰ অৰ্থে কৰিব লগা কৰ্তব্যৰ ভিতৰত ভাষাৰ প্ৰসংগ উত্থাপন কৰিছে। এই প্ৰৱন্ধত লেখকে কৈছে যে কায় বাক্য মনে মাতৃভাষাৰ প্ৰতি চেনেহ কৰিব লাগে। কোনোৱে এই ভাষাত পুথি ৰচিব খুজিলে তাৰ সহায় হোৱা উচিত। মাতৃভাষাৰে কম কষ্টতে বিদ্যা আহৰণ কৰিব পাৰি। সকলোৱে দেশৰ উন্নতিৰ বাবে পোনতে মাতৃভাষাৰ শ্ৰী-বৃদ্ধিৰ বাবে যত্ন কৰা উচিত।

'মাত্ৰি ভাসাৰ শক্তি' প্ৰৱন্ধত অসমীয়া ভাষী লোকসকলৰ অত্যধিক বঙালীপ্ৰীতিৰ কথা উল্লেখ কৰিছে। অসমীয়া ভাষী লোকসকলে যে বঙ্গালী ভাষাৰ প্ৰতি বিশেষ আদৰ দেখুৱাইছিল আৰু সেয়েহে এই ভাষা চলি আছে বুলি প্ৰৱন্ধকাৰে মত প্ৰকাশ কৰিছে। "-আমাৰ দেসৰ বৰ বৰ সকলেই পত্ৰ লিখাত অনেক স্ৰমেৰে অঙ্গিকাৰ কৰিও বঙ্গালি লিখে, আৰু বেৱহাৰ কৰে।"

'দেস ভাসাৰ কথা' (ডিচেম্বৰ, ১৮৫৫) প্ৰৱন্ধতো অসমীয়া মানুহৰ বঙলা প্ৰীতিৰ কথা উল্লেখ কৰিছে। বঙ্গলা কবলৈ গৈ তাক শুদ্ধ ৰূপত আয়ত্ব কৰিব নোৱাৰি আধা বঙ্গালী আৰু আধা অসমীয়াত কথা কোৱা লোকসকলক তিৰস্কাৰ কৰিছে। এই প্ৰৱন্ধত উল্লেখ আছে যে- সেই সময়ত মাতৃভাষা শুদ্ধকৈ লিখিবলৈ চৰকাৰৰ ঘৰৰ পৰা আদেশ আহিছিল যে- এবছৰৰ পিছৰ পৰা অসমীয়া ভাষা লিখিব পঢ়িব নজনা লোকে ছয় টকাতকৈ সৰহীয়া দৰমহাৰ চাকৰি নাপায়। মাতৃভাষা শিক্ষাৰ আৱশ্যকীয়তা, উপকাৰিতা, প্ৰয়োজনীয়তা বুজাবলৈ এই ৰচনাৰ মাজেৰে কৰা প্ৰয়াস শলাগিবলগীয়া। সামগ্ৰিকভাৱে চালে 'অৰুনোদই'ত প্ৰকাশিত ভাষা বিষয়ক প্ৰৱন্ধত প্ৰতিফলিত প্ৰধান দিশ হ'ল-

ক) ইংৰাজী ভাষাৰ পৰা অসমীয়া ভাষালৈ পুথি অনুবাদত গুৰুত্ব প্ৰদান।

খ) ইংৰাজী ভাষা শিক্ষণত গুৰুত্ব প্ৰদান।

গ) ভাষাভিত্তিক জাতীয় চেতনাৰ উন্মেষ, মাতৃভাষা শিক্ষণত গুৰুত্ব প্ৰদান।

ঘ) মাতৃভাষাৰ অৱহেলিত অৱস্থাৰ বৰ্ণন, মাতৃভাষা-ভাষীৰ অত্যধিক বঙলা প্ৰীতিৰ বিষয়ে উল্লেখ।

**'অৰুনোদই'ত প্ৰকাশিত লেখাত শিক্ষাবিষয়ক চিন্তা**

'অৰুনোদই'ত প্ৰকাশিত শিক্ষা সম্পৰ্কীয় প্ৰৱন্ধসমূহক বিষয় অনুসৰি আনুষ্ঠানিক শিক্ষা সম্পৰ্কীয় আৰু নৈতিক শিক্ষা সম্পৰ্কীয়- এই দুটা দিশেৰে বিশ্লেষণ কৰিব পাৰি। 'গিয়ান সভা আৰু স্কুলৰ বিৱৰন' প্ৰৱন্ধত বিদ্যা-শিক্ষাৰ গুৰুত্ব প্ৰকাশ কৰিছে। জ্ঞান চৰ্চাৰ অনুষ্ঠান আৰু স্কুল প্ৰতিষ্ঠাৰ বিষয়টোৰে এই প্ৰৱন্ধত গুৰুত্ব পাইছে। সেইদৰে 'বিভিচাৰ বিষয়ক'(এপ্ৰিল,১৮৪৮) প্ৰবন্ধত অভিভাৱকসকলক তেখেতসকলৰ সন্তানক বিদ্যাশিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিবৰ বাবে আহ্বান জনাইছে। 'বিদ্যাৰম্ভ হবলৈ এজন অচমীয়াৰ নিবেদন' (নৱেম্বৰ, ১৮৫৫) শীৰ্ষক প্ৰৱন্ধৰ মাজেৰেও একে আহ্বানেই প্ৰকাশ পাইছে।

'অৰুনোদই'ত স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ লগে লগে ল'ৰা-ছোৱালী উভয়কে বিদ্যা শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিয়া পৰিলক্ষিত হয়। 'স্ত্ৰী-শিক্ষা' (অক্টোবৰ,১৮৬০) নামৰ প্ৰৱন্ধত স্ত্ৰী শিক্ষাৰ প্ৰসাৰ সম্পৰ্কে আলোকপাত কৰা হৈছে। ঊনবিংশ শতিকাৰ অসমৰ সমাজ জীৱনত নাৰী শিক্ষাক অৱজ্ঞাৰ চকুৰে চোৱা হৈছিল। এনে এক সমাজত স্ত্ৰী-শিক্ষাৰ বাবে বৰ্ডিং স্কুল প্ৰতিষ্ঠা কৰি মিছনেৰীসকলে তেওঁলোকৰ উন্নত আৰু অসমীয়াৰ প্ৰতি শুভাকাংক্ষাৰ পৰিচয় দাঙি ধৰিছিল। নাৰী-পুৰুষ উভয়ৰে শিক্ষা লাভৰ কথাটোত সমানে গুৰুত্ব দিয়া অনেক ৰচনা 'অৰুনোদই'ত প্ৰকাশ পাইছিল। তেনে কেইটামান লেখা হ'ল-'অচম দেসৰ লোকসকলৰ প্ৰতি নিবেদন পত্ৰ'(মে',১৮৫৩), 'শ্ৰীযুত অৰুনোদই সম্পাদক চাহাবলৈ' (জানুৱাৰী, ১৮৬৭), 'ভাৰ্জ্যা স্বামিৰ কৰ্তব্য কৰ্ম' (জানুৱাৰী,১৮৬৭) ইত্যাদি।

আনুষ্ঠানিক শিক্ষাৰ লগতে নৈতিক দিশটোতো 'অৰুনোদই'ৰ লেখকসকলে গুৰুত্ব প্ৰদান কৰা দেখিবলৈ পোৱা যায়।

১৮৪৮ চনৰ এপ্ৰিল মাহত প্ৰকাশিত 'বিভিচাৰ বিষয়ক' প্ৰৱন্ধত অসামাজিক কৰ্মসমূহ কেনেদৰে হয় তাৰ বৰ্ণনা কৰাৰ লগতে এইবোৰৰ পৰা কেনেদৰে আঁতৰিব পাৰি তাৰো উপদেশ আছে। মানুহে শিক্ষা লাভৰ জৰিয়তে নৈতিকভাৱে শুদ্ধ পথত থকা উচিত-এই কথা এই প্ৰৱন্ধটোৰ জৰিয়তে প্ৰকাশ কৰিছে। শিক্ষকসকলো নৈতিকভাৱে শুদ্ধ হোৱা উচিত। সেইসময়ৰ অসমৰ কেতবোৰ শিক্ষাগুৰুৰ অনৈতিক স্বৰূপৰ বিষয়েও 'অৰুনোদই'ত প্ৰৱন্ধ প্ৰকাশিত হৈছিল। 'খেহ আৰু অচম দেসৰ ইস্কুলৰ কথা' প্ৰৱন্ধত আছে-"আমাৰ অচম দেসৰো কোনো কোনো ইস্কুলত অনুচিত আচৰণ আছে। কেতবোৰ ওজাই দৰমহা খাই প্ৰৱৰ্তি থাকে হই, কিন্তু চাতৰবিলাকৰ গিয়ান বিদ্যা কি ৰূপে বাৰ্হিব, তাৰৈ সিহঁতে একো স্ৰম নকৰে। কোনো কোনো ওজাই কেৱল বৰ লোকৰ লৰাকহে আস্তিককৈ পৰ্হাই , সামান্য মানুহৰ লৰাত মন নিদিএ। কোনো ওজাই বৰ এলাহত থাকি চাতৰ এটাৰ দোআৰাইহে ল'ৰাবোৰক পৰ্হাই, আৰু পৰ্হাসালিলৈকো পলম কৈহে আহে, জাঁওতে সোনকালে জাই, জদি কোনো চাতৰক হাজিৰ নে পাই তাৰ কাৰনো নিবিচাৰে।" (মহেশ্বৰ নেওগ (সংক. আৰু সম্পা.), 'অৰুনোদই', পৃ.৯৬৬)।

একেদৰে 'বিদ্যা ৰূপ ব্ৰিখ্য' (অক্টোবৰ, ১৮৫৩) প্ৰবন্ধত বিদ্যা লাভৰ জৰিয়তে আহৰণ কৰিব পৰা জ্ঞান আৰু নৈতিক শুদ্ধতাৰ কথা বৰ্ণনা কৰিছে। বিদ্যাৰ জৰিয়তে যে শত্ৰুক পৰাজিত কৰিব পাৰি, যশ, কীৰ্তি, ধৰ্ম, সুখ, মঙ্গল আৰ্জিব পাৰি, ইন্দ্ৰিয়ক দমন কৰিব পাৰি আৰু অনেক সুফল লাভৰ কাৰণ যে এই বিদ্যা সেই কথা এই ৰচনাৰ মাজেৰে প্ৰকাশ পাইছে।

সামগ্ৰিকভাৱে চালে 'অৰুনোদই'ত প্ৰকাশিত শিক্ষা সম্পৰ্কীয় প্ৰবন্ধত প্ৰতিফলিত প্ৰধান দিশ হ'ল—

ক) বিদ্যা আহৰণত সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত।
খ) অভিভাৱকসকলে নিজ সন্তানক শিক্ষা গ্ৰহণত উৎসাহ প্ৰদান কৰা উচিত।
গ) স্ত্ৰী শিক্ষাৰ প্ৰসাৰ ঘটোৱা, নৈতিকভাৱে শিক্ষাৰ জৰিয়তে শুদ্ধ হ'বলৈ শিকা ।

**অসমৰ সামাজিক সমস্যাবিষয়ক প্ৰৱন্ধ**

'অৰুনোদই' আলোচনীৰ পাতত এনে অনেক প্ৰবন্ধ প্ৰকাশ পাইছিল য'ত সেইসময়ৰ অসমৰ গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ ওপৰত আলোকপাত কৰা হৈছে। 'সামাজিক কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে' (এপ্ৰিল, ১৮৪৭) নামৰ প্ৰবন্ধত সেইসময়ৰ অসমৰ কেতবোৰ সামাজিক সমস্যাৰ বিষয়ে উল্লেখ কৰিছে। প্ৰবন্ধটোত প্ৰতিফলিত সেইসময়ৰ অসমৰ সামাজিক সমস্যাসমূহ এনেধৰণৰ-

"অসমৰ লোকসকলে মিচা সাখি, ভেঁটি, বেস্যা, কানি আৰু সুৰাক অত্যধিক সেৱন কৰিছিল।"

'অচম দেসৰ লোকসকলৰ প্ৰতি দুতিয় নিবেদন পত্ৰ' (জুলাই, ১৮৫৩), 'ফটিকাৰ বিৰৰন' (জুন, ১৮৪৬) আদি প্ৰবন্ধটো মাদক দ্ৰব্যৰ কুপ্ৰভাৱ, অসমীয়াসকলৰ অনৈতিক কৰ্ম, কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ ভয়াবহতা আদি দিশৰ বৰ্ণনা আছে।

এতিয়া প্ৰসংগ হ'ল সাম্প্ৰতিক প্ৰাসংগিকতাৰ। প্ৰসংগ প্ৰয়োজনীয়তাৰ। সাহিত্য যিদৰে সমাজৰ দাপোন সেইদৰে ই সমাজ সংস্কাৰকো। এই সাহিত্যসমূহৰ এক বিশেষ ক্ষেত্ৰ আমাৰ আলোচনীসমূহ। নতুন ধৰ্মমতৰ প্ৰতিষ্ঠাৰ প্ৰয়োজনত 'অৰুনোদই'ত ধৰ্মাশ্ৰয়ী সাহিত্যৰ সৃষ্টি হৈছিল যদিও এই আলোচনী আৰু সংবাদপত্ৰখনে অসমীয়া ভাষাৰ পুনৰপ্ৰতিষ্ঠা আৰু বিকাশৰ ক্ষেত্ৰত, অসমীয়া সমাজৰ অনেক দুৰ্বলতা আদি আঙুলিয়াই এক বিজ্ঞানমুখী দৃষ্টিভংগীৰ সৃষ্টিত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এতিয়া গোলকীকৰণৰ সময়। বিশ্বৰ বজাৰ মুকলি, মানুহৰ হাতে হাতে বিজ্ঞানে প্ৰদান কৰা সামগ্ৰীৰ উপস্থিতি। হ'লেও সমাজত সংঘটিত কিছুমান ঘটনাই অনুভৱ কৰাই সামগ্ৰীৰ দৰে আধুনিক মানুহৰ মনলৈ বিজ্ঞান মানসিকতাৰ আগমন কিন্তু ঘটা নাই। ঊনবিংশ শতিকাৰ সময়ছোৱাত ঘাইকৈ প্ৰশাসনিক স্বাৰ্থত বৃটিছ কৰ্তৃপক্ষই অসমৰ স্কুল-আদালতত বঙলা ভাষাৰ প্ৰচলন কৰাইছিল। পৰৱৰ্তী সময়ত মূলতঃ ধৰ্মপ্ৰচাৰৰ স্বাৰ্থত মিছনেৰীসকলে অসমীয়া ভাষাৰ প্ৰতিষ্ঠা আৰু বিকাশৰ কাৰণে বিশেষ যত্ন কৰিছিল। এই কাৰ্যত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আদি অসমীয়াইও বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এওঁলোকৰ সামগ্ৰিক প্ৰচেষ্টাৰ ফলস্বৰূপে ১৮৭৩ চনত অসমৰ স্কুল-আদালতত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন হৈছিল। কিন্তু সেই সময়ছোৱাতে নিজ মাতৃভাষাৰ প্ৰতি যি ভাষিক হীনমন্যতাৰ সৃষ্টি হৈছিল, যাৰ বাবে অসমীয়াই নিজ মাতৃভাষাতকৈও বঙলা ভাষাক উচ্চ আসন পাৰি বহুৱাইছিল, হেনা-হুচা বঙলা, ইংৰাজী কৈ নিজক আধুনিক বুলি জাহিৰ কৰিব খুজিছিল, সেই মানসিকতা আজি ইমান বছৰৰ পাছতো প্ৰায় একেই আছে। শিক্ষাৰ প্ৰয়োজনীয়তা বিজ্ঞান মানসিকতা গঠনৰ বাবে কিমান প্ৰয়োজনীয়, নৱপ্ৰজন্মৰ এচামক পংগু কৰি পেলোৱা মাদক দ্ৰব্যৰ ব্যৱহাৰৰ ভয়াবহতা, অপৈণত বিবাহৰ ফল এখন সমাজত কিমান সুদূৰপ্ৰসাৰী ইত্যাদি বিষয়ৰ বিশ্লেষণ, হৃদয়ংগম কৰাৰ প্ৰাসংগিকতা বিশ্বায়ন পৰিপ্ৰেক্ষাৰ বৰ্তমানৰ সমাজত এতিয়াও প্ৰাসংগিক হৈ থকাটোৱে আমাৰ সভ্যতাৰ অধোগামী ৰূপকহে প্ৰতিফলিত কৰে। বৈজ্ঞানিক আৱিষ্কাৰেৰে আমি বহুদূৰ আগুৱাই গৈছোঁ, কিন্তু বৈজ্ঞানিক মানসিকতা আমি এতিয়া অৰ্জন কৰিব পৰা নাই। ই আমাৰ বাবে অতি পৰিতাপৰ বিষয়। গতিকে আহক, বৈজ্ঞানিক মানসিকতাৰ বীজ সমাজত ৰোপণ কৰাৰ সংকল্প লওঁ। ❑

প্ৰবন্ধ

# ভাৰতীয় আৰক্ষী সেৱা (IPS)ৰ বিষয়ে কিছু কথা




**-সুদীপ্ত চেতিয়া**
স্নাতক কলা শাখা, প্ৰথম ষাণ্মাসিক
ইংৰাজী বিভাগ


ভাৰতত পোন প্ৰথম ব্ৰিটিছ ঔপনিৱেশ শাসনৰ সময়ছোৱাতে আৰক্ষী ব্যৱস্থাটো কাৰ্যকৰী কৰা হৈছিল। ১৮৬০ চন মানত ভাৰতত প্ৰথমটো পুলিচ কমিচন গঠন কৰা হয়। ভাৰতে ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছত পূৰ্বৰ Indian Imperial Policeক Indian Police Service লৈ সলনি কৰা হয় ১৯৪৮ চনত। ভাৰতীয় আৰক্ষী সেৱা চমুকৈ IPS হৈছে ভাৰত চৰকাৰৰ সৰ্বভাৰতীয় লোকসেৱাৰ অন্তৰ্গত এটা অন্যতম সেৱা। IPS বিষয়াসকল আৰক্ষী সেৱাৰ লগতে যে কেৱল জড়িত থাকে তেনে নহয়, অন্যান্য সেৱা যেনে সৰ্বভাৰতীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহৰো সেনাধিনায়ক হিচাপে জড়িত থাকে।

ভাৰতীয় আৰক্ষী সেৱাৰ লক্ষ্য উদ্দেশ্য আৰু কাৰ্যসমূহ হ'ল—

ক) আইন শৃংখলা ৰক্ষা কৰা, সমাজত সামাজিক সুৰক্ষা বৰ্তাই ৰখা, অপৰাধ অনুসন্ধান আৰু অপৰাধীক কৰায়ত্ত কৰা, সন্ত্ৰাসবাদ প্ৰতিৰোধ কৰা, অবৈধ সৰবৰাহ প্ৰতিৰোধ কৰা ইত্যাদি।

খ) বিভিন্ন ধৰণৰ অপৰাধ অনুসন্ধানকাৰী সংস্থা যেনে Research and Analysis Wing (RAW), Intelligent Bureau (IB), Central Bureau of Investigation (CBI), Crime Investigation Department (CID) আদিৰ নেতৃত্ব দিয়া।

গ) BSF, CRPF, ITBP, NSG, CISF, Vigilance Organization আদিৰ সৰ্বাধিনায়ক হিচাপে নেতৃত্ব দিয়া।

ঘ) ৰাজ্যৰ মুখ্য আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব পালন কৰা।

ঙ) অন্যান্য অসামৰিক সেৱাৰ সৈতে জড়িত বিষয়াসমূহৰ লগত আলোচনা কৰা আৰু সকলোৰে সৈতে এক সমন্বয় স্থাপন কৰাৰ লগতে প্ৰয়োজনত ভাৰতীয় সেনাৰ সৈতে প্ৰাথমিক পৰ্যায়ত সহযোগিতা আগবঢ়োৱা কামো ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াই কৰে।

সৰ্বসাধাৰণ ৰাইজৰ সামাজিক নিৰাপত্তাৰ লগত জড়িত দিশসমূহ আৰু সামাজিক শান্তি বৰ্তাই ৰখা ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া সকলৰ প্ৰধান দায়িত্ব।

ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াসকলক তিনি ধৰণে নিযুক্তি দিয়া হয়—

ক) কেন্দ্ৰীয় লোকসেৱা আয়োগৰ (UPSC) দ্বাৰা আয়োজিত Civil Service Examination ৰ যোগেদি।

খ) UPSC এ পতা কিছুমান Limited Competitive Examinationৰ যোগেদি।

গ) ৰাজ্যিক আৰক্ষী সেৱাৰ বিষয়াৰ পৰা ভাৰতীয় আৰক্ষী সেৱা বিষয়ালৈ পদোন্নতিৰ যোগেদি।

IPS বিষয়াসকলৰ প্ৰশিক্ষণ উত্তৰাখণ্ডৰ মৌচুৰীস্থিত Lal Bahadur Shastri National Academy of Administration নামৰ প্ৰতিষ্ঠানটোত তিনিমাহৰ বাবে হয়। ইয়াৰ পাছৰ প্ৰশিক্ষণ Sardar Vallabhbhai Patel National Police Academy, হায়দৰাবাদত সম্পন্ন হয়। বিভিন্ন স্তৰৰ মাজেৰে গৈ এই প্ৰশিক্ষণ প্ৰায় দুবছৰৰ মূৰত সমাপ্ত হয়। সমাপ্ত হোৱাৰ পাছত State Cadre/Joint Cadreত বিভিন্ন দিশ চাই-চিতি নিযুক্তি দিয়া হয়।

ৰাজ্যিক পুলিচ/অৰ্ধসামৰিক আৰক্ষী বাহিনীত IPS বিষয়াৰ পদবী সমূহ—

ক) Deputy Superintendent of Police (DSP)

খ) Additional Superintendent of Police (Addl. SP)

গ) Superintendent of Police (SP)
ঘ) Senior Superintendent of Police (SSP)
ঙ) Deputy Inspector General of Police (DIG)
চ) Inspector General of Police (IGP)
ছ) Additional Director General of Police (ADGP)
জ) Director General of Police (DGP)

ইয়াৰ উপৰিও IPS বিষয়াক কেন্দ্ৰই বিভিন্ন ধৰণৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাত দেশক প্ৰতিনিধিত্ব কৰিবলৈ প্ৰেৰণ কৰে। যেনে: ৰাষ্ট্ৰ সংঘ, Inter Pol আদিত দিয়া নিযুক্তি। প্ৰতিৰক্ষা বিভাগৰ বিভিন্ন কাম-কাজত IPS বিষয়াসকলক নিযুক্তি দিয়া হয়। ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত কুমাৰ ডোভাল ডাঙৰীয়াও এজন IPS বিষয়া আছিল।

এনেদৰে CRPF, CISF, BSF, SSB, NSG, ITBP, CBI, IB, RAW আদি সংস্থা, অৰ্ধসামৰিক বাহিনীৰ বিভিন্ন উচ্চ পদত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া কৰ্মৰত হৈ আছে। ❑

(তথ্য উৎস: ইণ্টাৰনেট)

গল্প

# প্ৰেতাত্মাৰ বিলাপ

**- পৰমানন্দ বৰশইকীয়া**
পঞ্চম ষাণ্মাসিক



কিনকিনিয়া বৰষুণজাক লাহে লাহে ডাঙৰ ডাঙৰ টোপাললৈ পৰিবৰ্তন হৈছে। এইকেইদিন নেৰা-নেপেৰা বৰষুণটোৱে বৰকৈ আমনি কৰিছে। একো কাম শান্তিৰে কৰিব নোৱাৰি। পুৱাৰে পৰা দি থকা বৰষুণজাক সন্ধিয়ালৈ কমিছিল। গাড়ীলৈ ডিঙি মেলি অপেক্ষা কৰোঁতে ৰক্তিম হাজৰিকাৰ আমনি লাগি গৈছে।

বিৰক্তিৰে হাজৰিকাই চিগাৰেট এটাকে জ্বলাই ল'লে। হাজৰিকাই সন্ধিয়াতেই ঘৰলৈ যাব লাগিছিল। অৱশ্যে তাৰ গাটো দোষ নাই। নাটকৰ ৰিহাৰ্ছেল আজি অলপ দেৰিলৈকে চলিছিল। তেওঁ এজন ভাল নাট্যকাৰ কিছুদিন ঘৰুৱা অসুবিধাৰ বাবে ঘৰলৈ গৈছিল। আজি ঘৰৰ পৰা চিধা নাটকৰ ৰিহাৰ্ছেললৈ আহিছিল, ইয়াৰ পৰা তেওঁ ৰুমলৈ বুলি ওলাইছিল। সকলো ঘৰা ঘৰি হ'লেই। হাজৰিকা গাড়ীৰ বাবে অপেক্ষা কৰি আছিল কিন্তু ৰাতি বহু হোৱাত এখনো গাড়ী পোৱা নাছিল। হাজৰিকাই ঘড়ীটোলৈ চাই দেখিলে কাটাই ১২ টাৰ ঘৰ চুৱে আৰু। বিৰক্তিৰে তেওঁ খোজ কাঢ়ি যোৱাৰ সিদ্ধান্ত ল'লে।

দুপৰ নিশা, হাতত এটি সৰু টৰ্চ লাইট লৈ হাজৰিকা আগবাঢ়িল। পুৰণা গান এটাকে সুহুৰিয়াই সুহুৰিয়াই তেওঁ নিৰ্জন ৰাস্তাটোত অকলে গৈ আছে। হঠাৎ পিছফালৰ পৰা এজাক চেঁচা বতাহে তেওঁক যে কোবাই লৈ গ'ল এনেতে পিছফালৰ পৰা এজন মানুহে মাত দিলে "দাদা" তেওঁ থতমত খাই ৰৈ দিলে। ঘূৰি চাই দেখিলোঁ, আৰে ই চোন ৰাহুল ক'ৰপৰা ওলালহি। ৰাহুল হৈছে একেখন নাটকৰ সদস্যসকলৰ বাবে চাহৰ যোগান ধৰে। ৰাহুলে

পিন্ধনত এটা বগা টি-চার্ট আৰু এটা জিন্স, কিন্তু তাৰ চকু কেইটা উজ্জ্বল আৰু তিৰবিৰাই আছিল। "তুমি ইমান ৰাতি ক'ৰপৰা ওলালাহি।" তোমাক আজি নাটকত লগ নাপালোঁ যে। "দাদা মই মেডিকেলৰ পৰা আহিলোঁ।" ইমান ৰাতি মনত অলপ সন্দেহ ওপজিল। তথাপি সময় অলপো পলম নকৰি খোজ ল'লোঁ। দুই খোজমান পিছুৱাই তেওঁ মোৰ লগত আহিব ধৰিছে। সি মোৰ ৰুমৰ ওচৰতে থাকিছিল। মাজতে মন কৰিলোঁ, তাৰচোন ভৰিৰ খোজৰ শব্দ একোৱেই নাই যেন বতাহত উৰি ফুৰা এটা অশৰীৰী আত্মা হে। ঘূৰি চাই দেখিলোঁ সকলো থিকেই আছে, তেওঁ মোৰ পৰা অলপ আঁতৰত একে লগত খোজ মিলাই আহি আছে। এনেতে মই মাত দিলোঁ তুমি মেডিকেল কিয় গৈছিলা? কিবা হৈছে নি! ৰাহুলে মাত দিলে "দাদা মোৰ গাটো দুদিনমানৰ পৰা বেয়া হৈ আছে সেইবাবে গৈছিলোঁ।" কিন্তু ইমান ৰাতি কিয় সুধিব মন গৈছিল যদিও একো নকলোঁ। ল'ৰাটো ভাল আৰু বিশ্বাসী আছিল ইয়াৰ আগতেও সিহঁত দুয়োজনে একেলগতে অহা যোৱা কৰিছিল যদিও আজি তাৰ কথা বাৰ্তা, খোজ-কাটল সম্পূৰ্ণ বেলেগ আছিল। মই আৰু একো নুসুধিলোঁ। ৰুম পাওঁ পাওঁ এনেতে হঠাৎ কোনোবাই যেন বিকট শব্দ এটা কৰি গাৰ কাষেৰে পাৰ হৈ গ'ল। মোৰ গাৰ নোম শিয়ৰি উঠিল। এক কৰুণ বিননি বাৰে বাৰে ভাঁহি উঠিল।

কোনোমতেই ৰুম পায়েই হাজৰিকা আৰু ন'ৰল। গাৰ সমস্ত কাপোৰ কানি বাথৰুমতে পেলাই ভালদৰে মুখ-হাত ধুই বিছনাত পৰিল। তেওঁ অত্যন্ত সাহসী যদিও বুকুখন বহুপৰলৈ ধৰফৰাই থাকিল। ৰাহুলৰ কথা একদম পাহৰি গ'ল। শেষ নিশাহে তেওঁৰ টোপনি আহিল। পুৱা শুই উঠি গা-পা ধুই চাহকাপত শোহা মাৰোতেই তেওঁৰ নাটকৰ এজন ভাল বন্ধু অনিমেষ ওলালহি।

"কথাই কথাই ৰাতি ৰাহুলক লগ পোৱা আৰু হৈ যোৱা ঘটনাটোৰ কথা ক'লোঁ।" "আপোনাৰ কিবা হ'ল নেকি হে! কি কৈ আছে! ৰাহুল দেখোন যোৱা মাহতেই ক'ভিডত ঢুকাল।

"কি ...??? " ❑

গল্প

# ঠিকনাবিহীন এখন চিঠি



-নন্দিতা বৰা
প্ৰাক্তন ছাত্ৰী, সমাজতত্ত্ব বিভাগ

আজি বহুদিন হ'ল তোমালৈ চিঠি লিখা হোৱা নাই। বহুদিনৰ পৰাই ভাবি আছো এখন সেউজীয়া চিঠি লিখিম, কেৱল তোমাৰ বাবে। মোৰ অনুভৱেৰে সিক্ত, আৱেগেৰে পৰিপূৰ্ণ। বহু কথাই আছে লিখিবলৈ, কিন্তু থমকি ৰওঁ! শব্দ বিচাৰি হাবাথুৰি খাওঁ, বাৰে বাৰে।

তুমিটো জানাই মই চিঠি ভাল পাওঁ। তুমি যে বাৰে বাৰে সোধা মই মাজে মাজে খুচৰি থকা টোপোলাটো কি — সেয়া মোৰ স্মৃতিৰ পেটাৰি। য'ত সাঁচি থোৱা আছে এৰি অহা দিনবোৰৰ সৰু সৰু অথচ মিঠা মিঠা ক্ষণ, অনুভূতিবোৰ। তাৰ মাজত মই নিজক বিচাৰি পাওঁ— বিচাৰি পাওঁ স্কুলীয়া দিনৰ বৃষ্টি, ৰুমীহঁতক আৰু বিচাৰি পাওঁ হোষ্টেলৰ দুখৰীয়া ছবি। আৰু আছে মাতু বাইদেউ, জয়ন্ত ছাৰৰ হাতৰ আখৰবোৰ এতিয়াও সাঁচি ৰাখিছোঁ। কিযে পাগল মই ন...।

বহুত কথাই আছে তোমাক ক'বলে, সেয়ে ক'ৰপৰা কেনেকৈ আৰম্ভ কৰোঁ ধৰিবই নোৱাৰিছোঁ।

ভাবিলে সৌ সিদিনাৰ কথা যেনহে লাগে। কলেজীয়া দিনৰ আৰম্ভ কৰিলোঁ, শেষও হ'ল। মাজৰ সময়খিনি বৰ খৰতকীয়াকৈ পাৰ হৈ গ'ল। তাৰ মাজতেই লগ পালোঁ মীনা, বৰ্ণালী, অনুপমা, দেৱজিৎ, লক্ষ্যজিৎহঁতক...। বন্তি বাইদেউ, প্ৰীতি বাইদেউ, চাংমাই ছাৰ, পাণ্ডা ছাৰৰ মৰমভৰা শাসন, দাবী... ৰূপালী মেম, মঞ্জুলা মেমৰ মৰম আৰু বিপাশা মেমৰ মৰম, ধেমালি, হাঁহি... পাহৰিব নোৱাৰা এক মধুৰ স্মৃতি... চিৰযুগমীয়া।

কলেজৰ শেষৰ দিনকেইটা কিযে গোমা পৰিৱেশ। এই সৰি পৰোঁ সৰি পৰোঁকৈ থকা চকুপানীৰ টোপাল কেইটা... ছাৰ বাইদেউৰ ওচৰেৰে পাৰ হৈ যাওঁতে আৰু বেছিকৈ আবেগ গধুৰ হৈ পৰা ক্ষণকেইটা... বন্ধুক লগ পালে এৰিব মন নোযোৱা সময়বোৰ... ক্লাচ কৰি থাকিলে শেষ নহওক যেন লগা পলসমূহ... সময়বোৰ পাৰ হৈ যাব নিদি ধৰি ৰাখোঁ যেন লগা মনবোৰ... সদায় দেখা বস্তুবোৰকে বাৰে বাৰে চাই থকা ক্ষণবোৰ... এবাৰ চুই চোৱাৰ হেঁপাহবোৰ... সজীৱ হৈ আছে মনত।

"কোনে কাক বিদায় জনাব পাৰে
বুকুত খোদিত হ'ল যাৰ
সঠিক ঠিকনা..."

(সংগ্ৰহ)

ঠিকনাৰ আদান প্ৰদান, পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতি, যি প্ৰতিশ্ৰুতিৰ কোনো প্ৰয়োজনেই নাছিল। সকলোবোৰ স্মৃতি আজিও সজীৱ হৈ আছে... বুকুত।

শেষত কবিৰ ভাষাৰে —

"আকৌ এবাৰ লগ পাওঁ যদি
কিমান লাগিব ভাল
তোমাৰ কাষত এপলকেই
হ'ব পাৰে চিৰকাল... !"

ইতিত
তোমাৰেই এন—

প্ৰবন্ধ



# SAVE SOIL CAMPAIGN

- **Dr. Navamallika Gogoi**
Laboratory Assistant

'Save Soil campaign' is a global movement initiated by spiritual leader Sadhguru in March 2022, who started a 100-day solo bike ride spanning 27 countries to address the soil calamity to gain support from common people, celebrities and politicians worldwide for Soil Health. Save Soil is an attempt to inspiring at least 3.5 billion people worldwide about present soil health issues and to support long-term government policies to revive soil.

Sadhguru has launched save soil movement globally to prevent soil extinction. Soil is the largest terrestrial carbon pool, play a significant role in .maintaining global carbon balance. It has been estimated that about 1100-1600 Pg C is sequestered in soils worldwide. The carbon balance of terrestrial ecosystems can be changed noticeably by the direct influenced of human activities including soil degradation ,deforestation, biomass burning, land use change and environmental pollution which release trace gases that enhance the 'greenhouse effect' and aggravating global climate change . In recent decades, due to development of industrial activities, urbanization, and improper agricultural practices, potentially toxic elements have accumulated in soils and create threats to food security around the world. Apart from this, sustainable land utilization practices, namely forest reserve or wetland

restoration, also play a significant role in global carbon storage dynamics. However, the extensive utilization practices due to anthropogenic pressure and wetland draining or traditional farming as well as soil type, climatic condition and topology, etc., these ecosystems diminishing their ability of sequester carbon decline.

**Why Save Soil?**

Intergovernmental Panel on Climate Change (IPCC 2008) provided comprehensive assessments of global warming becoming a major environmental concern having wider ramification, and arising mainly due to carbon accumulation in the atmosphere in the form of carbon dioxide and other greenhouse gases, there is a significant interest in the carbon storage and sequestration potential of the soil. There are also serious concerns about thë soil quality which has started declining due to the combined impact of ever-rising global population and the need for enhanced food production. It may be noted that the soil is a finite resource, which is both fragile and non-renewable.

Some of the most important concerns about the world soil today are (i) continuous soil loss due to erosion and other processes of destruction, (ii) declining agricultural productivity by the soil of a particular area, (iii) protection of the natural areas, (iv) maintaining water quality, (v) adverse effects of soil degradation on human health through the food chain and (vi) difficulties encountered in the management of soil structure vis-a-vis the global climate change scenario. At the current rates of soil degradation, 90% of the earth could turn into desert by 2050(less than three decades from now) predicts by UNCCD.

**Journey to save soil**

Sadhguru's has started a motorcycle ride on 21st March, 2022 in London and has passed through 27 nations in Europe, Central Asia and the Middle East, riding 30,000 kilometers to extend awareness about saving soil.

So far, the save soil campaign has achieved immense support and recognition from across the world. Different renowned organization also collaborated with Sadhguru's save soil drive. United Nations Convention to Combat Desertification (UNCCD) is associated with Sadhguru's awareness programme on save soil. UNCCD is contributing a significant role by spreading awareness scientifically about the importance of soil conservation. Other international organization such as International Union of Conservation of Nations (IUCN), world food programme (WFR) and many other organization have also support the movement.

Indian state, Rajasthan, Uttar Pradesh, Madhya Pradesh, Maharashtra, Telangana, Andhra Pradesh and Karnataka have signed MoUs to save soil in their state. The Prime Minister of India assured to support for the movement. Caribbean nations, Antigua &Barbuda, Dominica, St Lucia and St Kitts & Nevis have also signed an MOU for the movement. The Nepal government has extended its support to the global save soil movement by signed MOU at a public event in Kathmandu. So far, 80 countries have assurance to save soil from destruction.

**Objectives of the Movement**

One of the main objectives of the movement is to

- Raise Global awareness to our dying soil.
- Motivate about 3.5 billion people to support policy redirections for soil health.
- Stabilizing the organic content of soils to a minimum of 3-6% to keep soil fertile and healthy

**Let's make it happen NOW**

Vedas Sanskrit Scripture, 1500 BC says, *'Upon this handful of soil our survival depends. Husband it and it will grow food, our fuel, and our shelter and surround us with beauty. Abuse it and the soil will collapse and die, taking humanity with it'*


Soil is dying; 52% of agricultural soils are already degraded, 2 billion people are suffering from nutritional deficiencies and farmers are committing suicide. By 2045 we will have 40% food deficiencies for 9.2 billion people which may lead to mass migration, violence, and civil wars. Unless we take action to save soil, we won't be able to save the earth from terrible disasters that could happen.

Sadhguru is initiating this movement since people should know the threat of Soil destruction. Save Soil movement is crucial as well as inevitable, it also aim to reforming sociopolitical structures. This movement is absolutely essential to garner the much needed support from all governments across the globe in creating policies that would regain the health of Soil - to save our present and future generations. The "save soil" campaign by Sadhguru creating a new environmental movement globally and hope that people will join this movement to save our mother earth.

Therefore Sadhguru says "Living Soil, our very body, is moving towards extinction. Addressing this with utmost urgency is the most important Responsibility that all nations have to fulfill. #ConsciousPlanet. Let Us Make It Happen". ❑

প্ৰবন্ধ

# Importance of Financial Education



- **Sibani Baruah**
Asstt. Professor
Commerce

Financial Education is a must for all individuals, be it student or working individual. People work to earn money & handling money is a skill that plays an important role in an adult's life. Students from all background needs to learn about finance in order to prepare themselves to handle their finances effectively once they start earning.

Financial literacy has a great role to play in the financial inclusion of the country. Financially literate people can make judicious use of their bank accounts and other financial products which enhances their returns as well as contribute to the credit creation in the economy. The lesser the cash transactions, the more the growth of the financial system of the country and transparency in transactions. Banks play an important role in mobilizing savings of public to the ones who are in need of funds.

Financial literacy not only helps the economy but also help an individual maximize their returns, a financially well informed individual has many options to put or invest his money in order to increase their returns as well as save taxes. Taxation and Budgeting are two important parts of financial education that plays a significant role in personal finance management. Knowing the tax slabs, exceptions & deductions helps an individual plan his earnings in a systematic manner. Budgeting allows a person to save & spend wisely – Integrating Budgeting lessons in a student's curriculum can help them spend judiciously in their adult life.

In today's world where any information is available in just a few clicks, lessons on financial planning & literacy are easily available. Improvement in technology has increased the options of investments and loans. There are variety of financial product which is accessible easily – SIPs, Mutual funds, Stocks & Share, PLI, Bonds, NSC, LIC endowment plans etc. a well-informed person can make a good portfolio investment from the available options and maximize their returns. There are a lot of valuable books of finance which can help anyone become financially aware & literate. Some of them are – 'Rich Dad, Poor Dad'; 'Think & Grow Rich'; 'Trading in the Zone'; 'Psychology of Money' etc. ❑

প্ৰবন্ধ




# COLLEGE MAGAZINE: A SEEDBED FOR NURTURING OF STUDENTS' TALENTS

**- Mr. Lakhyajit Chiring**
Assistant Professor
Department of English

***"I still remember my first article got published in the college magazine during my studies and is a memorable event that inspired me to publish many articles and books during later part of my life. It is all because of the college magazine that laid a strong foundation for* my *literary work."***
***- By Dr. Parvathi G. Aithal***

College magazine is published by almost every college every year. It plays a very important role in an educational institution. The budding talented writers are channelized in the field of creativity in general and the remaining students who don't dare write any articles, poems, stories etc. are encouraged to start their maiden writing in particular. A magazine does reflect the hidden identity of the educational institutions through the encouraging write-ups of its students and the professors as well. Each and every student is a storehouse of immense potential and creativity which generally requires proper channelization by the colleges. It is epoch-making that the college magazine provides a wonderful platform for the willing and potential students for showcasing their talents as writers and thereby inspires and motivates them to continue their inspiring writing more and more. In every college, there are many students who are gifted with good and appreciable writing capacity but are in great need of proper and timely platform to flourish it. A college magazine might be the right way/platform for such type of students to initiate writing career or journey by exploration of their creative and innovative thoughts and feelings. Certainly, a student can showcase his/her new as well as creative ideas through articles, essay, poetry, short narrative humour, fiction, cartoons etc. likewise, a student can publish interviews of eminent personalities, book reviews, cinema reviews, translations, critical review of prose, poetry etc. A college magazine offers a special freedom for the student's community in ramified ways to present their writings depending upon the command over a language be it English or Hindi or Assamese or Tai or Bengali. In this way, a student can provide his/her write-up on any topic related to state, national and international languages. Moreover, students inclined to cartoons, paintings, pencil-sketch and photography can also exhibit their hidden talents in the magazine. On the other hand, it is also true that any student is not allowed to write any article on any controversial issue by the editorial board which may cause criticism and degrade the actual value/weightage of the magazine. Similarly, a college magazine is prepared and published by joint effort as provided by the student's community and professor's community. As mentioned earlier,

like controversial matter, plagiarism is also not considered or accepted at any cost. In this case, the editorial committee, consisted of distinguished professors, former stakeholders of union body and senior students having literary zeal in general, must be conscious on putting keen observation on preparatory works of the magazine. Mainly, the students are let present literary activities. In the meantime, the rule of the professors entrusted is also very important to bring out a followable magazine anyhow. It is also seen that some interested professors contribute their knowledgeable articles for the magazine. It is very encouraging for the student's community. Basically, the budding and desirous writers need a great help and guidance from the responsible editorial board in nurturing their writing skills. On getting a college magazine, there might be little mistakes, these must be avoided but there should not be noticed such type of blunder which may lose the weightage of the magazine and its value. In this regard, it is the prime responsibility of the editorial board to see that no any single student is indulged in imitation. If it is entertained the magazine must lose its expected value and demand. So, the real accountability taken up by the editorial committee is to encourage the creativity, innovative and original thinking and appreciable presenting capacity of the students. There should not be any dichotomy. As far as possible for the writer's memory, there occurred an incident centering upon an interview planned to publish without pre-information to and knowledge of the editorial board. It was also not submitted to the editorial board for which the concerned board was unaware of the planned task at the time of seeing the proof copy. Subsequently, the then magazine secretary managed and published an interview taken from a boy when the editorial board came to know the fact, the editorial committee had to cast some questions to the secretary as to why it was published without the knowledge of Editorial boards. At last, having been pressurized the interview was torn off from the magazine. Truly speaking that the copies of the magazine of the particular year were distributed among the students without having the serial numbers of the particular pages of the magazine. So, it caused a heavy loss to the glamour of the magazine of Sadiya College for which the concerned editorial board must be alert not to let happen such unwanted and unexpected happening in future.

Generally, there are some basic features of a college magazine that should strictly be followed by Editorial Board. There should be reserved some pages for former students to share sweet memories and experiences that can definitely benefit and motivate the current students. A magazine can serve an institution as a testimonial of formerly held events such as cultural events, NCC activities, oath-taking ceremony of student's union body, college week celebration, conference, seminars, workshops, visit of dignitaries, guardian meeting, alumni association meeting, public meeting, awareness camp and many other memorable programmes. This way, a college might have gained achievements such as winning medals representing the college at state, national and international level competitions. Moreover, a college may have some pride moments of showing creditable results in university examination as well. The photographs and newspaper clippings might also be exposed with caption in some particular spaces of the magazine for the greater interest of the institution and for the encouragement of the present student's community. The institutions like Sadiya College are putting efforts for all round developmental works such as building construction, library extension, staff building construction, building renovation, hostel construction and opening ceremony, quarter building construction, playground development scheme, beautification of college premises, inauguration of new streams and diploma/certificate awarding courses etc. Such type of newer tasks bear some particular yearly witnesses. These should be highlighted through some photographs in the college magazine. Next, the mentioning of titling of the magazine of Sadiya College will, the writer of this article thinks, be a relevant matter. Having a unique title of a college magazine is very important and creative task. A few years back, a significant title as "Srutaswini" was proposed by this writer and very willingly the professors present in the meeting supported the proposal. The magazines were published consecutively in the name of "Srutaswini". The title should remain permanent as long as the institution continues to publish the magazines. But it is rectifiable matter that the last edition of the magazine was published without the title as was published in the mentioned title in the former years. That's why, the current editorial board should be aware of and take constructive pace for publishing the magazine by titling as "Srutaswini".

The teaching faculty must be dedicated and promising in guiding the students so that they might be creative, time-bound and inquisitive natured. They must be flourishing in their career of writing. The faculty members must be the torch bearers in the sense that they may not be derailed. Just as the college life is enjoyable so is full of

delightful experiences but as a popular saying “experiences are not sweet but memories”. All students memorize their performances or achievements if that get published once in their worth-preserving magazine. Over the years, what the teaching staff, non-teaching staff and students have seen or experienced in the case of Sadiya College is that unlike the other colleges, the Sadiya College doesn’t have the acknowledgeable witnesses of sufficient wall magazines. Only one or two departments tried to publish wall magazine and hand written magazine before. But it is very appreciable step that under the present energetic and studious principal sir, last year most of the departments published wall magazines that is very good symptom of the college. Undoubtedly, wall magazines are also one of the medium to motivate the student’s talent effectively. It is very advantageous work that the selected and best writings, already displayed on the wall magazines can be collected and represented in the form of a magazine at the end of the academic year. Moreover, the wall magazines attract the sights of the visitors of the college which is an extra beauty of academic environment of the college.

Now-a-days, NAAC peer team observes very seriously that how far the college faculties and students get involved both socially and academically apart from their usual duties. As human beings all students must have social responsibilities. Through the magazine they can serve the societies by publishing some educative writings in some diverse ways on various contemporary issues. Their articles may encompass different fields of education, health, games and sports, politics, science and technology, philosophy, cultures, economics, conservation, computer, new education policy superstition, anti-social practices, corruption etc. Just as students now and then do some social works physically. In the present scenario, some colleges have initiated digital versions of magazines with the aid of smartphones and laptops. There is a big scope for college magazine for getting brought out in the form of e-Magazine which is economically more viable. In this process, paper is saved tremendously. So, the e-Magazine is very easily accessible to more people who use smartphones and personal computers.

Towards the end of this article, it must also be mentioned that every student has at least some inborn talents: that may be in painting, singing, dancing, sports, acting, writing etc. Apart from these excellent talents other unique activities might also be possessed by some students. But it is admissible that 90% of students of Sadiya College donot have real interests in the above-mentioned extra-curricular activities. Platforms are very much essential for talents from school level to college level. Few students may flourish in their respective fields but on the other hand, thousands of students don’t maintain their desperate interests until and unless they can focus on their success. This is because, active participation with serious studies in extracurricular activities by the students molds a bright way for bright career.

After all, each and every edition of a college magazine proves to be a document of student’s genius in multi-dimensional aspects. It always serves as an excellent platform or seedbed for students to step out confidently bit by bit in the bigger world of literary activities. The magazines of different years, full of different photographs and historical records, might be assets of an educational institution for both present and future generations. ❑

प्रबन्ध

# असम में कोरोना वायरस का प्रभाव

**- Ankita Rai**
B.A. 5th Sem
Political Science

**परिचय :**

भारतीय राज्य असम में Covid-19 महामारी का पहला मामला ३१ मार्च, २०२० को दर्ज किया गया। ६ जुन २०२२ तक असम सरकार ने कुल ८१,४६८ Covid के सकरात्मक मामलों की पुष्टी की हैं। राज्य में ६७,६४१ ठीक होने, तीन पलायन और २३४ मुदेद सहित रास्य के साथ-साथ पुर्वोतर का सबसे बड़ा शाहर गुवाहाटी कोरोण्ना वायरस से ज्यादा प्रभावित हुआ।

**Covid-19 महामारी का प्रभाव :** कोरोना वायरस का प्रभाव बिभित्र क्षेत्रों में देखने को मिला है जैसे कि

**(i) अर्थव्यवस्था :**

कोरोना वायरस का प्रभाव असम के अर्थव्यवस्था पर बहुत ही था। Covid-19 महामारी और लकडाउन के कारण राज्य की अर्थव्यवस्था की भारी नुकसान हुइ है। नतीजन, असम में माल और सेवा कर संग्रह अप्रेल के महीने में लगभग ८० प्रतिशत गिरा। राज्य ने जीएसटी संग्रह के रूप में केवल १९० करोड़ रूपये एकठ्ठा किए, जो पिछ्ले वर्ष के तुलना में लगभग २० प्रतिशत ही है। Covid-19 लकडाउन के कारण चाय बगानों में मिल संचालन २५ मार्च से १४ अप्रेल तक बंद था। जिससे चाय उद्योग के राजस्व में लगभग १०५९ करोड़ का नुकसान हुआ हैं। सुत्रौ के मुताबिक उद्योग की गरीब ६० करोड़ की आय का आनुमानिक नुकसान हुआ हैं। राज्य की पर्यटन उद्योग का काफी हद तक नुकसान हुआ हैं।

**(ii) शिक्षा का प्रभाव :**

लाकडाउन के कारण शिक्षा पर विशेष प्रभाव देखने को मिला; अनलाइन Class करने का आदेश मिला, स्नातक 2nd और 4th सेमिस्तर का परीक्षा भी नही हुआ-जो कि Covid-19 के कारण सभी-स्कुल और कॉलेजों का बंद किया गया था। तेजपुर विश्वविद्यालय ने १ जुलाइ को सभी कक्ष्यों की प्रवेश परीक्षा रद्द कर दी हैं। पहले इसे लाकडाउन के कारण परीक्षा स्थगित करनी पड़ी थी। और तब राज्य भर में Covid-19 के मामलो में इजाफा होने के कारण इसे रद्द किया गया था। कटन विश्वविद्यालय ने भी कइ पाठ्यक्रमों के लिए परीक्षा रद्द करने का फैसला किया था। असम सरकार ने १ सिंतम्बर से राज्य के सभी स्कुल-कॉलेजों को पुनः खोलने का फैसला लिया। जो बच्चे गँाव में रहते थे वे लोगो ने बहुत ही परेशानिया झेला क्योंकि Online class करने के लिए Internet की अभाव होती हैं। और जो गरीब बच्चे होते है, उनके पास मोबाइल नही होता था Class करने के लिए।

**(iii) बेरोजगारी की समस्या :**

असम में लकडाउन के कारण बेरोजगारी काफी हद तक देखने को मिला, क्योंकि जो लोग प्रवाशी थे उनकी Covid-19 के कारण घर वापस आना पड़ा, सभी Office / कार्यालय बंद किया गया था, जिसके कारण लोगो को काम नहीं मिल रहा था, बेरोजगारी इस तरह बढ़ गइ थी कि कुछ लोगो की खाने तक का अभाव हो गया था। क्योंकि उस समय व्यापार-बाणिज्य सभी बंद हो चुके थे। कोरोना के आक्रमण के कारण लोगों के लिए यह एक बहुत ही मुश्किल वक्त था।

**(iv) चिकित्सा पर Covid-19 का प्रभाव :**

असम में कोविड के कारण विशेषकर Medical Sector में इसका प्रभाव ज्यादा पड़ा क्योंकि Covid-19 एक ऐसा विमारी था, जो लोगों के सम्पर्क्क मे आने से ही बढ़ जाती थी जिसके कारण Medical Seat का अभाव होने लगा। डँाक्टर और Medical Staff जैसे नार्स को भी बहुत ही असुविधाए झेलनी पड़ी थी। डँाक्टरो को अपने परिवार से दुर रहकर Medical Sector में अपना काफी समय देना पड़ता था। Covid-19 का प्रभाव नकारात्मक के साथ-कुछ सकारात्मक प्रभाव भी हुआ, जो कि हमारे पर्यावरण को काफी हद तक सुधार हुआ और लोगों को एक नई विश्व भी मिली इससे-

**जैसे की :** हाथ धोना कइ बार Covid-19 के दौरान तथा बिशेष कर साफ-सफाई तथा अपने चारों और के वार्तावरण को कैसे हम सुरक्षित रख सकते है इत्यादि। Covid-19 हमारे लिए एक बहुत ही कठिन समय था।

**निषकर्ष कोरोना वायरस का :**

(i) ईसके बजह से असम में बहुत से क्षेत्र को प्रभावित किया।

(ii) ईसके कारण बहुत से लोगों ने अनेको प्रकार की कठिनाइयों का सामना किया।

(iii) इसके कारण असम में कइ शिल्पी, तथा अन्य बड़े-बड़े लोगों ने अपनी जान गँवाई।

(iv) ईसके कारण असम राज्य में अर्थव्यवस्था को बहुत ही नुकसान हुआ था।

দেউৰী

# চ্চিবাঁ-মকঁ হাবা

-ষড়ানন দেউৰী

বাকিংত দেই কবাচি চিৰেচুমাৰি কৰিৰে চ্চিবাঁ হাবানা পাতিবেনা। মি-তাঁকে লিতেংনা আজৰি চাৰমনে জেতিয়া। হাঁ হঁয়ানা নৰবাজা? পিচে ন-ৰা দামনা ইচ্চায়? — কমলচিঙা বায় মচি মিনেচৰিহুঁ পিচা ৰমেনহুঁ দং অতংনা চ্চু — না চিঁমেম।

মিনেচৰিয়া 'চান বাকিংত' নিংনা হালাগিবেম নিন্তকে দেকাগু পিচা ৰমেনা ইচ্চাবেম —

-বাকাৰিমাই নিজিঁকু, অপিচঞ্জ-কাচাৰি লাজু বন্দ জেতিয়া চ্চাবা হঁয়ান। চ্চুন। বাকিংনিংনা বাকাৰিমাই দেউ মদনৰ'কে চ্চিবাঁ হাবা জাগুদুৰি নিংনা আঁনা বা মিয়া চেন্তাৰ' ইচ্চাৰুমদে। চান নতুবা আঁ বাৰ ভ'ৰে হাকুনই কেন।

-উহুঁ হঁয়ান। বাবুকে দুঁজেন। ন বাকিং তলৌ তলৌচ্চা চামায় চামচা চা-জিংনা দুন্ত হঁয়ান। নিজৰ য়াঁয়' চিঁবা হাবানা লেহেংনা ন মিচ্চিয়' য়াঁহ' চ্চিবআঁ হা-জিকুন! বাচি চ্চু হঁয়ান! ন বাকাৰিমাই য়াঁহ'নে দুজেঁন। হঁয়া জানু নৰ বাজা? — মিচ্চা কংলাচ্চিগাবায়কিং চ্চু-কানা ইচ্চাংনা কমলচিঙা জিবিনা মিনেচৰি হগুগিৰাচিয়পি আগবৰাবেম।

-চানচুন দে। বুৰা চ্চিপা-পিচায় চ্চু-লাজুৰা ব'মাপিলেচি বেচ্চৰ'ৰি দেকুন! আঁই মতেৰা কবাচি চিৰেচুমাৰি কাৰিৰে পাৰ নহেঁমা চ্চুন। চুজেঁকে গিৰাংনা দুঁই। মিৰুকে চ্চিবাঁচ্চা মুংনা লাদুঁনুমা দুঁই। বাচি চুক' চামা।

পাতিন্তকে পাতিবেচ'। আতিগুহ'লা চাহিনিগা মচি, গিৰা গুতু, পমিয়া চ্চিগানা নিমাজুয়ান। মচি বাতিজুংনানে হেলৌকে চ্চিবাঁ হাজুজেন। - গিৰাচিয়া দুদেপাতিয়'কাক'ৰ' দুঁনুমা চুঁজে তেকলিচ্চাই চুজেঁ মিচ্চা গিৰায়' জিবিহ' লুগুদুৰেংনা চ্চু-কানা ইচ্চাবেম। বায়চ্চিমিহঁনে গিৰাচিয়া 'এ আঁয় মকঁনে কাচেচ্চগাৰম চাঁই' — নিনা মজিয়া চ্চিক্ম'মাই য়াবুগাৰম।

-দে দে চানদে বাকিংত। আঁকে বাকাৰিমাই য়াঁহঁনে দুঁন। বাচিয়া আঁ দামনা নজেই দেইয়া ইচ্চাবে। লাকাৰেৰে আঁয় Time বাচ্চা জা নৌ চ্চাং পেকেলা পাতিংনা দুঁনই। - কুতালিয় দুদেপাতিয় নুৰাংনা দুঁনুমা গাপুয়ু য়েঁ এচঞ্জতিনা অতংনা ইচ্চাবেম ৰমেনা।

- দামনা নজেঁই মানে? চ্চিবাঁ মকঁ — চ্চিবাঁ হানয় মিৰু-তাৰু, চ্চা-পু গুতাজেন। মচি জুকুজেন। মিৰু-তাৰু, চ্চা-পুঁকানিয়া চান বাৰু... কালি চুজেঁয় জিবিনা অজায়াচি অতুঁচ্চাং অদিংনা দুমজুমাই লাদুহাংনা বলকিবায়কিং ইচ্চাংনা ৰহিচ্চিঁয়ানম।

- কালি... মানে? আৰেকে চাহিনি-চাংদা দুঁইনে দেকুন? দিনিয়া মাৰিকাৰিচি। ভ'ৰে নৰিয় ততঞ্জকিৰি চাৰিনা? পিচে, চা-চানা জুজেঁই নউ ইচ্চাৰে। বাকিং নিংনা দাই মহেন্দৰনা নিন্ত আঁ জুকুয়া . . .

-হাঁ? নই দাই মহেন্দৰনা জুকুমায়া ন?

-জুকুমায়া হয়াঁ। জুয়া।

-বেইৰে অত'বে। বা জাৰিয়' নিজৰ চ্চিয় মচি। বানানে জাৰিয়' মকঁ-চ্চিবাঁ হাবামাই জুয়া নিন্ত আতি গুয় মচিলাজুৰা জৌনা হাতিগাদুয়ান না? মিচ্চি আকৈ নিমামা কাদিনা দামাই নজেঁই হাঁ? পিচে বা-নু ননা দামনি জগৰনা লগাবেম হাঁ? — জিনিহ' দুঁনুমা চুজেঁকানিনা গতঁ গতঁচ্চা উগুদুংনা গিৰাৰা চিঁমেম পিচানা।

চ্চু-লাজুনা কিনাংনা গিৰাচিকে অতুঁহ' তাদুঁ লাংনা মজিয়াচ্চাই

কুতালি মাই কদুহাংনা 'হাঁ বাবু, নিয় দাই মহেন্দৰা নানা দমদি জগৰনা লগাবেম জিবায়হুঁ ন বানা মকঁ-চ্চিবাঁ হাকুনই জুকুনই গেচ্চগাৰি?' নিংনা চিঁনই লাগিবেম।

-নিয় দাইয়া গাইচ্চাৰে নানা দামদি জগৰনা লগাবেম? হাঁ? — কিমাৰনই নন'মা পুঁচিনা য়েঁমাই উজাদুৰেংনা গিৰাকে আৰকে চি'চৈম।

- এ নউ জা-কঁনে নিজিয়াঁমাইকিং দামাই চাদুই? — পিচায়'চ্চু।

- মানে? গিৰা — গিৰাচিয়া বিচুতি নিমামা পাল।

- মানে আৰে দামদি ? দাইয়' গিদৰ'ৰে দেই কিৰ'বা পঞ্চায়ত ইলেকচন' জাৰিয় পাৰতি হাৰিৰ'ম। দাইনা জউ বাচ্চা ইচ্চাবহ'কে মানিয়াচ্চা বাই পাৰতিহ' কাগাংনা বা-কে হাৰিৰ'ম আৰে জউনাকে হৰুৱাহেম। নিজৰ আচ্চঁহঁনে গুহুনি-গুদাং পাৰতি চাংনা পলতিকচঞ্জ কেলিন্ত দামদি বেচঞ্জতা নিমাই মুকুতি আগৰহ'ৰে হিজেঁনই নিমাম হিদেই। বাকিয়া দাইনা...

- ঐ নিয় চ্চু পঁননি। নৰিয়' পলিতকেল উগাঁহ দামদি কেল কেলিজুই জৌ নিজিঁয়া। বা-লাজু কেলনা ন চাংপিচ্চমাই লাগাহংনা লাবেদংনা য়াঁ চ্চিকুম'মাইনে দামাই হুতাগুহাৰি হাঁ ? মুততে লাৰে চ্চু ন নিয়' দাই মহেন্দৰনা জাৰ চ্চিবাঁ-মকঁ হাবামাই জুজেন...। গিৰায়' কাৰাংকাজঞ্জ চ্চু।

- অঁ হঁয়নে তৌ। চ্চিনয়-চ্চঁনয় নিয়' চ্চিপায়' বা দুকঞ্জচ্চাচিকে গগই। নিয় জিজিয়' একে ইগুঁ তিজায়' মচিনা দাকিং জউ লেহেমান হাঁ ? চ্চিমা গিৰাচিকে চ্চু য়জিদুংনা চ্চুয়' চেকেৰা কুঁৱাদুবেম।

- উহুঁ উহুঁ। আঁ কেতৌকে মানিংমা লামায়া য়ং-বাং। আঁ — তউ জুকুয়াবাচিয়া কাতাংনে আৰেকে বা জাতি জাৰিয়' চ্চিবাঁ হাবামাই কই আঁ নিন্ত চ্চিবাঁ হাবাকাৰি দুয়াঁন। বহ'আঁনা দা-চ্চাবা নিমামুৰু দামাই, বা

লা-মজাচি হঁয়া, কিৰ'বা DAC ইলেকচনহ'কে বাৰ পাৰতিয়া জউনা লেংমাৰিংনা জাগুৰুমদে। বা-লাজু চ্চুনা মত'মায়া। য়ং বা sorry... নিংনা চাৰাকঞ্জচ্চা বা দুদুংনা দুঁনুমা কাপিনা আচাৰিংনা দাবেদাংনা বুৰুং-বুৰুংচ্চা মিচ্চঁমাই জাৰিগাংনা কিৰম।

চ্চিমা-চ্চিপা দুকুংগঁনে পিচা গিৰঞ্জ-গিৰঞ্জচ্চা ল'ৰদাবা আঁচ'না অতংনা দুঁমেম। মে-মেচ্চা দুকুংগঁনে দুকুংগঁয় মুকুতিহ' মুকুতি লাদুজুংনা অত'জুবেম। অমচ্চাপৰ। বাচ্চামাই দুদেপাতিহ' দুনুঁমা গাপুপু য়েঁ এচতি কানিকে কিমাংনা চ্চাপুৰু চাৰম...।

**গল্পটিৰ অসমীয়া সাৰাংশ**

"চ্চিব- মকঁ হাবা" (ন-ভাত খোৱা) চুটি গল্পটিৰ জৰিয়তে এটি গ্ৰাম্য দেউৰী পৰিয়ালৰ দম্পতী কমলচিং আৰু মিনেচাৰিয়ে একেটি সন্তান আধুনিক যুৱ-চামৰ প্ৰতিনিধি স্বৰূপ ৰমেনৰে হোৱা কথোপকথনত কেনেকৈ ৰাজনীতি নামৰ ভূতটোৱে তেওঁলোকৰ সহজ-সৰল পৰিয়ালকেন্দ্ৰিক তথা সামাজিক লোক-জীৱনত প্ৰভাৱ বিস্তাৰ কৰিছে তাকে ফুটাই তোলা হৈছে। কমল-ৰমেনহঁতৰ মানসপটত চিত্ৰিত অতি ৰাজনৈতিক মতবাদে কমলৰ জন্মতি খুড়াক মন্দেশ্বৰে DAC আৰু পঞ্চায়ত নিৰ্বাচনত অন্য দলীয় লোকক সহযোগ কৰাৰ বাবদ নিজৰ পৰিয়ালৰ 'ন-ভাত খোৱা' পৰ্বলৈকো নিমন্ত্ৰণ কৰিবলৈ পিতৃ-মাতৃৰ আদেশ বা খাটনিকো প্ৰত্যাখ্যান কৰা মনোবৃত্তি কিমান পৰিপক্কতাৰ পৰিচায়ক তাৰ প্ৰতিচ্ছবি অংকন কৰা হৈছে। ❑

## কাব্যশিল্প



# 'মা'


**- পাৰ্থ প্ৰতীম গগৈ**
স্নাতক কলা শাখা, ষষ্ঠ ষান্মাসিক
সমাজবিজ্ঞান বিভাগ


এগৰাকী অফুৰন্ত ত্যাগীৰ গাঁথা,
কব খোজোঁ মা নামৰ মমতাৰ কথা।

জীৱন নামৰ নাটখনিৰ প্ৰথমখিলা পাত,
বুলাইছিল চুমা আৰু মৰমৰ হাত।

ন মাহ দহ দিনৰ কঠোৰ সংগ্ৰাম,
সঁচাকৈ নাই এই কষ্টৰ দাম।

জন্মৰ পূৰ্বেই মোৰ ৰচিছিল গান,
আনন্দতে নাচিছিল তেখেতৰ প্ৰাণ।

কোলাত লৈ সাজিছিল সপোনৰ পঁজা,
ভাবিছিল তেওঁ মোক মৰমৰ ৰজা।

আলাসৰে মোক লৈ কোলাতে শুৱাই,
কিজানিবা ৰজা উঠে সাৰ পাই।

গাইছিল নিচুকনি গীত মোৰ বাবে,
কটাইছিল নিশা তেওঁ থাকি উজাগৰে।

পথালি কোলাত লৈ দেখিছিল সপোন,
অজানিতে কাঢ়িলোঁ তেওঁৰ মই ফাগুন।

মোৰ বাবে আজিও আশা তেওঁৰ অসীম,
ত্যাগৰ এনে মান কেনেকৈনো দিম।

নিশ্চয় হ'ব পূৰ তেওঁৰ এই সপোন,
জিনিম জগত মই কৰিম কষ্ট দুগুণ।

তথাপি যেন ক'ৰবাত থমকি মই ৰওঁ,
পূৰ কৰিব খুজিও আধৰুৱা হওঁ।

# প্ৰশ্ন মাথোঁ তোমালৈ


**- দেভিচ বৰগোহাঁই**
স্নাতক বিজ্ঞান শাখা, চতুৰ্থ ষান্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ


প্ৰণয়ৰ স্বপ্নবোৰে ডাৱৰ ফালি
আকাশহে চুব পাৰে,
হৃদয়ৰ জোলোঙাটোক জানো চুব পাৰে?
অন্ধকাৰত নাচি পোহৰ হৈ আহিব নালাগে
আনকি প্ৰখৰ ৰদত ছাঁয়া হৈও... !
ভগ্ন হৃদয়ৰ কোঠাটো চাবলৈ...।
কিন্তু তোমাতেই মুগ্ধ হিয়াখনৰ জৰাজীৰ্ণ
ৰূপটো চাবলৈ
এবাৰ ভাবিব পাৰা।
আঁউসীৰে এন্ধাৰ ফালি আহিবতো নোৱাৰা
আৰু আহিব নালাগেও,
যাযাবৰ মনটোৰ খবৰ এটিওতো
ল'ব পাৰা... !
প্ৰশ্ন মাথোঁ তোমালৈ
এনেদৰে উত্তৰহীন প্ৰশ্ন লৈ
আহিব নালাগে,
মাজনিশা মনৰ কোঠালিটো
টুকুৰিয়াবলৈ নাহিবা।
সপোন হৈ ৰোৱা, বহু কথাৰ
প্ৰশ্ন বুকুত থৈ
হাঁহাকাৰ কৰা মনটোৰে
তোমাৰ সেই মাজনিশাৰ
প্ৰতিধ্বনি জানো
শুনিব বিচাৰিব?
অবুজন মনৰ ভঁৰালত এতিয়া
হাজাৰ উত্তৰহীন প্ৰশ্ন,
যিবোৰ প্ৰশ্নৰ উত্তৰটো... বাদেই
সূত্ৰৰ বিৱৰণো
দি নগ'লা,
প্ৰশ্ন মাথোঁ তোমালৈ।
প্ৰশ্ন মাথোঁ তোমালৈ!!

# মুখা

-বৰ্ণালী শইকীয়া
সহকাৰী অধ্যাপিকা
গণিত বিভাগ

মহামাৰীৰ সংক্ৰমণ
মুখাৰ আগমন
চৌপাশে কেৱল মৃত্যুৰ কিৰিলি
আৰু ৰঙীণ মুখাৰ সমাহাৰ।

ভয় মোৰ নাই মৃত্যুলৈ ঠেলি দিয়া মহামাৰীলৈ
ভয় মোৰ নাই ৰঙীন মুখা পিন্ধা মানৱলৈ... !
মোৰ ভয় মাথোঁ মানৱ সদৃশ মুখা পিন্ধা দানৱলৈ
মোৰ ভয় মাথোঁ সংসাৰৰ জীয়া ছবিলৈ।

ভদ্ৰতাৰ মুখাৰ আঁৰত কত জনে কৰিছে অপৰাধ
কত জনে কৰিছে নাৰীক অপমান
কত জনে কাঢ়ি লৈ গৈছে মাতৃৰ হিয়াৰ আমঠু
কত জনে কৰিছে আই বোপাইক অত্যাচাৰ !

অলেখ পাপৰ বোজাত আজি পৃথিৰী ৰোগী
কোনখন মুখাৰে কৰিব নিৰোগী।

# জীপাল সময়

-ধনজিৎ বুঢ়াগোহাঁই
স্নাতক কলা শাখা, দ্বিতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ক্লান্ত হোৱা
মোৰ এই জীৱন . . .
কিয় আজি মৌন শিহৰণ,
চৌদিশে মাথোঁ গুমৰি উঠা
বিষাদৰ এক ধুঁৱলী বৰণ।
মৌন পৰতো আশাৰ কাননত
কিনো সেই আলোকৰ আগমন,
সন্ধিয়াৰ ঘৰমুৱা পখীকুলে
সানি যায় আবেলিৰ ৰহণ।
পুৱতি নিশাৰ নিয়ৰৰ কণাবোৰে
পাৰি দিয়া শুভ্ৰ দলিচাত,
শুকান জীৱনো ক্লান্ত পৰত
সেই কোলাত পৰি যায় শাঁত।
আকুলতাৰে ভৰা মোৰ মৌন জীৱনক
কোনেনো সঁজালে আজি,
জীপাল সময়ৰ নিয়ৰৰ টোপালে
বোৱালে এখনি জাঁজী।


# প্ৰকৃতিয়ে কঢ়িয়াই আনিছে বসন্তৰ বাতৰি

-মৃদুস্মিতা গগৈ
স্নাতক কলা শাখা, তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বসন্তৰ বা লাগি
ক্লান্ত প্ৰকৃতিৰ এক জীপাল হাঁহি
ন বৰষুণে প্ৰকৃতিৰ বুকুলৈ
কঢ়িয়াই আনিছে আশাৰ বাতৰি
বৰদৈচিলা জাকে দলিচা পাৰি
সঁজাই তুলিব খুজিছে এই সুন্দৰ প্ৰকৃতি।
গছ লতিকা বোৰে উলাহেৰে নাচিছে,
ডাল-পাতবোৰ হেঁপাহেৰে কৰিছে আলিংগন
ফুলবোৰে বিলাইছে সুগন্ধিৰ সুবাস
তাৰে পৰশত ভোমোৰাই সানিছে ৰহণ।
টোপাল বৰষুণজাকে সেউজী ধৰালৈ
কঢ়িয়াই আনিছে আশাৰ ৰেঙনি,
চাৰিওফালে উপচি পৰিছে,
কেৱল সেউজী আৰু সেউজী
তাৰে পৰশত ব্যাকুল হৈ না না পখীকুলে,
গাইছে ৰঙৰ গীত।
কোনো কোনোৰে খেলিছে
সেউজী দলিচাৰ সৈতে লুকা-ভাকু,
কোনোৰে আকৌ দিছে গৈ
প্ৰেয়সীক প্ৰেমৰ বতৰা,
তাৰে মাজতে কোনোৰে বিচাৰি পাইছে
জীৱন জীয়াৰ অনুপ্ৰেৰণা।
এনেকৈয়ে উঠিছে,
প্ৰকৃতিৰ ন-ধৰাত ন-ৰূপ।
সঁচাকৈ ! কি যে মনোমোহা, প্ৰেমসনা
জাগ্ৰত এই বিনন্দীয়া প্ৰকৃতি।

# মা... মই তোমাৰ সন্তান

-কাবেৰী বড়া
স্নাতক কলা শাখা, পঞ্চম ষান্মাসিক
অৰ্থনীতি বিজ্ঞান বিভাগ




তোমাৰ শ্বাস-প্ৰশ্বাসত জী থকা সন্তান
মা... তোমাৰ বুকুত জ্বলি থকা
দুৰ্বিসহ ক্ষোভৰ উত্তাপ
মোৰ বোধগম্য।

মা... মোৰ অস্তিত্ব,
সমাজত তোমাৰ কলংক।
অসহ্য যন্ত্ৰণা লৈ মোক জীৱন দিয়া
তোমাৰ বাবে কল্পনাতীত।
কিন্তু... মা?
পৃথিৱীখন চোৱাৰ তীব্ৰ হেঁপাহ মোৰ।
মোক হত্যা নকৰিবা...!
মোক জীয়াব দিয়া।
মই তোমাক প্ৰতিশ্ৰুতি দিছোঁ
তোমাক লৈ কৰা বিশ্বাসঘাটকতাৰ,
শোষণৰ বিৰুদ্ধে থিয় দিম।
ৰক্তপিয়াসী দস্যুবোৰক আঁচুৰি আঁচুৰি প্ৰতিশোধ ল'ম...।

# আধৰুৱা স্মৃতি


-সীমাৰাণী বুঢ়াগোহাঁই
স্নাতক কলা শাখা, পঞ্চম ষান্মাসিক
অৰ্থনীতি বিজ্ঞান বিভাগ



অতীতৰ স্মৃতিবোৰে আজি মোক বৰকৈ আমনি কৰিছে
মোৰ মনটো হৈ পৰিছে অশান্ত, চঞ্চল...
কৃষ্ণচূড়াৰ তলত বহি আমি যে কত সপোন দেখিছিলোঁ
সপোনৰ ঘৰ সঁজাৰ... ইত্যাদি ইত্যাদি...
ভৰ যৌৱনৰ স্নিগ্ধ বতাহজাকে
মোক বহু দূৰলৈ লৈ গৈছিল...
হঠাৎ...
পাৰ ভাঙিব খোজা
আমাৰ ভালপোৱাবোৰ যেন
নিমিষতে চূৰমাৰ...
অসীম আকাশলৈ ডেউকা মেলা আমাৰ সপোনবোৰ
যেন... ক'ৰবাত বিলীন হৈ গ'ল .
নাই... আজি সপোনবোৰ যেন
ক'ৰবাত পলাই ফুৰিছে ভয়ত
সুখৰ তৃষ্ণা আজি যেন
মৰীচিকাত পৰিণত হ'ল...
এতিয়া মাথোঁ
বিষাদৰ তাড়নাত অশ্ৰুহে নিগৰে...

# তুমিবিহীন পল

- দেভিচ বৰগোহাঁই
স্নাতক বিজ্ঞান শাখা, চতুৰ্থ ষান্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ



স্নিগ্ধনিশাৰ গভীৰ আকাশ
উকা আজি মন,
তুমিবিহীন ভাৱনাৰে
গণিছোঁ প্ৰতিটো ক্ষণ।

আকাশ চুবাৰ হেঁপাহেৰে
মেলিছিলোঁ সংগীৰ হাত,
কলীয়া এজাক ডাৱৰে আহি
ভেদিলে আশাৰ বাট।

হৃদয় ফুলনিত ৰং ছটিয়াই
ধৰিছিলা মৰমৰ হাত,
আশাৰ বালিঘৰ সাজিবলৈ শিকাই
বৰষুণকো দিলা মাত।

অব্যক্ত মোৰ স্মৃতিকাতৰ
এটি আধৰুৱা চিন,
কাৰেং সজাৰ অলীক সপোন
নিবিচাৰো কোনো দিন।

সুখী হৈ আগুৱাই যোৱা
নথবা মোৰ নাম হৃদয়ৰ কোঠাত,
সামৰিছোঁ লগ পোৱাৰ আশাৰে
পৰৱৰ্তী জনমৰ প্ৰভাতী বেলাত।।

# স্মৃতি

-**প্ৰভাত বুঢ়াগোহাঁই**
স্নাতক কলা শাখা, প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ

আজি বহু দিনেই হ'ল
কেইবা ৰাতিও পাৰ হ'ল
হ'ল বহু দিন কবিতা নিলিখা
তোমাৰ নামতেই কিবা লিখোঁ বুলি
কলমটো তুলি ল'বলৈও ভাল নলগা হ'ল।
সাহস নোহোৱা হ'ল হেঁপাহো নজগা হ'ল।।

ক'ৰবাত হেৰাই যোৱাৰ দৰেই যেন
হেৰাই গ'ল মোৰ সাহস, হেঁপাহবোৰ
হেৰাই গ'ল সপোনবোৰ আশাবোৰ
লাহে লাহে হেৰাই যাবলৈ ধৰিছে মোৰ
তোমাৰ প্ৰতি থকা মৰম ভাল পোৱাবোৰ
হেৰাব ধৰিছে আমাৰ মধুৰ স্মৃতিবোৰ।
আজি চাগে ময়ো হেৰাই গৈছোঁ
তোমাৰ বকুৰ পৰা তোমাৰ মনৰ পৰা
হয়তো লাহে লাহে তোমাৰ জীৱনৰ পৰাই।

নাজানো আজি নো কিয়
লিখিবলৈ মন গ'ল কবিতা
সেয়েহে লিখি পেলালোঁ আজি
বহু দিনৰ পৰাই বুকুখনক চেপি থকা
বিষাদৰ বেদনাবোৰক কবিতাৰ ৰূপত
মোৰ জীৱনৰ শেষৰটো কবিতা হিচাপে।

# কৰুণতম

-**ড° ঋতুপৰ্ণা বুঢ়াগোহাঞি**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

যি বেলি হৈ বুকুত আছিল,
জোন হৈ হিয়া শাঁত পেলাইছিল,
তেওঁৰ বিকল্পৰ কথা নক'বা...
ইমান জটিলতা
মই নাজানো।

মৰিশালীত জী থকা
মানুহৰো থাকে
হাঁহি আৰু সুখে তলবল
একোটা জীয়া অতীত।

যিবোৰ মানুহে উত্তোলন কৰে
মৃতদেহবোৰক
তেওঁলোকৰ ভৰিৰ খোজতেই
একোজন জীয়া মানুহ
পিষ্ট হয়।

তুমি চুইও মোক চুব নোৱাৰা
হাঁহিও হুহুঁৱাব নোৱাৰা
হেৰুৱা বাঁহীৰ সুৰটি বিচাৰি
মোৰ নিৰুদ্দেশ যাত্ৰা
কেতিয়াবাই আৰম্ভ হ'ল।

# শৰত

-**কাবেৰী বৰা**
স্নাতক কলা শাখা
অৰ্থনীতি বিজ্ঞান বিভাগ

চকুৰ পাহিত এটোপাল
নিয়ৰৰ কণাই
কৈ আছে অনবৰত...
শৰতৰ পদূলিয়ে পদূলিয়ে
শেৱালি, কঁহুৱা...
কুঁৱলীৰ মেলা।

বতাহে বতাহে ভাঁহি আহিছে
ঝাওবনৰ হাঁহিৰ
খিল্‌খিল্‌নি...।
পুৱাৰ আকাশত মেলি দিছে
ধোঁৱাবৰণীয়া চাদৰ—
শৰতৰ আহিনৰ সতে এতিয়া
গোপন মিতিৰালি।
শেৱালি জোপাই সুগন্ধি বিলাইছে
সেয়ে...
প্ৰতিটো ৰাতি।
কাৰণ—
কাৰণ আহিন যে আজন্ম প্ৰেমিক
শৰত, শেৱালি, কুঁৱলীৰ...।

# My Life My Choice

**- Papori Chiring**
B.A. 1st Semester
English Department

May our choice bring us peace,
And put our heart and mind at ease.
In all our say and all our do,
May all our choice be with our heart,
But we can't forget to give our mind a part from all.

Don't make choice to regret all through
Our life it is a most precious gift.
We should try new things to
help our views shift.
But not to tell of good or evil luck.

Don't let other pressure us to decide
listen to reason, ignore our pride
from bad to worse, from worse to great.
Make weighed decisions, and choose your best.

# Life is Precious

**- Miss Aparna**
B.A. 2nd Semester

The gracefulness
of a butterfly
How gentle
and fragile they seem.

Gently fluttering
on a clam summer day.
Floating like,
a dream.

But sadly
there time is over
Harld before
it's begun.

So enjoy
your special moments,
Like a butterfly,
In the sun.

হিন্দী

# माँ

**- Ankita Rai**
B.A. 5th Semester
Political Science

सुबह की शुरुवात जिनकी
हमे उठाकर होती है
पापा के डाँट पर
हमारे साथ-साथ
वो भी रो देती है
सखी सिर्फ माँ होती है
पापा के सामने डाँट कर
चुपके से समझाती है
पसंद आजाये कोइ चीज तो
जैसे भी ला देती है
ऐसी तो सिर्फ माँ ही होती है।

पापा की बात सही भी हो तो
उन्ही को झुकलाती है,
कही हम उनसे रुठ न जाए
तब इसी बात से घबराती है,
ऐसी और कोइ नही
सिर्फ और सिर्फ माँ ही होती है।

# प्रकृति


**- Johni Boniya**
B.A. 5th Semester
Political Science

सुनो प्रकृति की आकुल पुकार
कहती है यह, वृक्ष मत काटो।
हलका हो रहा शरीर हमारा,
अब तो हमारा क्रंदन सुन लो।
धरा भी क्षण क्षण कह रही,
वृक्ष सर्ब प्राणीयोका है आधार।
वृक्ष धरती का है श्रृंगार।
मत चला ओ शस्त्र वृक्ष पर,
मानो यह ईश्वर का अनुदान हैं।
इन पेड़ौ से भुजल स्तर भी बढ़ेगा,
समस्त जीवन हेतु ये बरदान है।

হিন্দী

## नजर अदांज

- **Karina Limbu**
B.Com 3rd Semester




आज पता चला यार
जीवन में खुश रहना है-
तो नजर अंदाज करना सिखना है,
लोग कहते रहेंगें
देखते रहेंगें
मैं दिलपर नही लुंगाँ
नजर अदांज करना सिखा मैने।
दुनिया ऐसी ही है
दर्द देते रहेगें
अपने... पराये हो जाएगें
सब छोड़ जाऐंगें
मै दुखी नही हुँगा
नजर अदांज करना सिखा मैने।
खुशी, हँसी, प्यार,
देना मेरा धर्म है...
मुझे दर्द, नफरत
देते रहना, फिर भी
मैं दिलपर नही लुगाँ
नजर अदांज करना सिखा मैने।

নেপালী

## आमा

- **Riya Saru**
B.A. 5th Semester
Political Science




त्यो सानी बालखकाल देखि आज सम्म
कति दु:ख कति पीड़ा दियें होला नी आमा!
दिनु भयो न्यानु काख, माया र ममता आज सम्म।
अटुट छ तिम्रो माया, तिम्रो दया र आँगन
म रुंदा करॉउदा पुछी दिनु भयो आँसु आज सम्म।
मेरो निमित्त बाँच्ने, मेरो खुशीमा हांस्ने मेरो आमा।
मलाइ पहिलो बोली शिकाउने
जुन भाषा बोली रहेछु आज सम्म।
मलाइ पहिलो पाइला सार्न सिकायैउ, यो सारा संसार देखायैउ।
त्येसैले तिमी कति महान छौ आमा!
आफ्ना आँसु लुकाएर फुश्रो खुदो हाँसो देखायेर
कसरी बाच्नु भयो आज सम्म।
आफ्नु साँथ दियेर मेरो सबै दु:ख हरी लियेर
कसरीपो हाँस्न सकेउ नी आमा।
तिमी कति अनमोल छौ आमा यो संसारमा
र यो तिन महिने नानी ले पनि खोज्छन सधै आफ्नो आमा॥
देंखे सुने मैले आज सम्म सबै नानी को
पहिलो बोली नै हो आमा॥''

**কবিতাটিৰ অসমীয়া মূলভাৱ—**
এই কবিতাটোত নিজ মাতৃৰ দুখ-কষ্ট স্বীকাৰ কৰি সন্তানৰ বাবে কৰা তেওঁলোকৰ ত্যাগৰ শলাগৰ কথা বুজোৱা হৈছে।

নেপালী

# उज्यालो भविष्य को खोजि


- **Janeki Chetry**
B.A. 1st Semester

प्रभात को घाम को रश्मि ले,
जब धरती मा पाहिलो टेक्छ,
मेरो देश को महिमा
धुलो खेलदा माटो को कंण कंण ले
भारत लाइ चुमे झै लाग्छः।

जब घामको ज्योति हरुले
भारत लाइ स्पर्श गर्छ
असम मुसकुराउछ अनि
आफ्नु सोन्दर्य ले सबैइलाइ मोहित पार्छः।
प्रकृतिले आफ्नु सोन्दर्य देखाउने छः।
रंगीन सपना सजिने छः
अनि तेतिबेला मः सोचने गर्छु
मेरो देश को उज्यालो भविष्य एसरिनै झलुकिने छः।
अनि मेरो कलिलो मस्तिक ले
मेरो देश को सुनौलो सपना सजिने छः
प्रत्येक बितेका दिन हरुमा मलम लगाउने छः
धरती को कंण कंण मा पसिना बहाउने छः।
मेरो देशले सुन्दर भविष्य पाउने छः।
प्रत्येक ओठ मा मुस्कान छाउने छन
अनि प्रत्येक बाल-मन हरुले
सुन्दर भविष्य सजाउने छन
प्रत्येक बिहानि संगै पथहरुमा
नया पाइला सजिने छन
मैले देखेका हर एक सपना ले
सुन्दर भूमि लाइ सजाउने छन।
इ सोचेका सपना हरुले
उमंग बोकने छन र
उज्यालो भविष्य को खोजी गर्ने छन।

**কবিতাটিৰ অসমীয়া মূলভাৱ—**
মাতৃভূমিৰ প্ৰতি ভালপোৱা ভাৱ প্ৰদৰ্শন কৰি স্বদেশ আৰু জীৱনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

# प्यारो बुबा

- **Karina Limbu**
B.Com 3rd Semester

आफ्ना सपना हरु त्यागेर
हाम्रा सपना हरु पूर्ण पार्नु भयो
आफ्ना रहर हरु भुलेर
हाम्रा रहर हरू पूर्ण गर्नु भयो
सानामा कति दुख-कष्ट दिए पनि

हाम्रा साथ कहिलै छोड़नु भयेन।
तपाइको हाथ को भाग्य रेखा त्यो
हलोको अनौमा रगड़दा रगड़दा
हलाका ति अनौ मै
छापी सकियो होला नी
तर हामीलाइ ज्ञानी मानिस
वनाउन लाइ दिन-रात परिश्रम गर्नु भयो!
तपाइले साना मा ताते गदै
हिडायेको छोराले आज जोशको
रफतार मा वाइक कुदाउँछ
तपाइले सानामा क, ख, भन्दै
पढ़ायेको छोरीले आज
अरुलाइ पढ़ाउन थाली सकी
तपाइ कति हृदयबान हुनु भयेको बुबा
आफ्नु बारेमा कहिलै सोच्नु भयेन
मात्र चिंता थियोति छोरा-छोरी को लागी
हामिले बिर्सेको छैन तपाइले सहेको
पीड़ा, तेसैलेत हामि गर्छउँ राम्रा काम
अनि राख्छौ तपाइको नाम।

**কবিতাটিৰ অসমীয়া মূলভাৱ—**
এই কবিতাটোত সুকন্যা সন্তানটিয়ে নিজ পিতৃয়ে সন্তানৰ বাবে কৰা কষ্ট আৰু ত্যাগৰ বিষয়ে বৰ্ণনা কৰিছে।

# [illegible] (আই ছিং থাও) (প্ৰাৰ্থনা)

সংগ্ৰহ- [illegible] নাং দৃষ্ণা ফুকন

| | | |
|---|---|---|
| [illegible] | - | চাওপঁ ৰু চ্যাও কাও ঐ |
| [illegible] | - | চাওপঁ ৰু চ্যাও কাও ঐ |
| [illegible] | - | চাওপঁ ৰু চ্যাও কাও ঐ |
| [illegible] | - | ফ্ৰা তূ, ছিং ফ্ৰং হুং |
| [illegible] | - | ফা লাই বেত, ফাপিন বেত, |
| [illegible] | - | ফা ফ্ৰা ত্ৰা, আ লং |
| [illegible] | - | চি কি য়া, ৰা নী পান, |
| [illegible] | - | বয় মাউ, চ্যাও কাও ঐ, |
| [illegible] | - | চ্যাও কাও ঐ |
| [illegible] | - | পাক পেঞ, কা কা, |
| [illegible] | - | চন চ্যেও খাম, |
| [illegible] | - | দয় মা লুং ম্যুং, নাম না, ঐ, |
| [illegible] | - | হেও পাং, মুত ছি খ্ৰীং, জাও ছুক না, |
| [illegible] | - | ম'মুন, বৌ মুন, ছেঞ, জী নাং, |
| [illegible] | - | লুক য়েং খু, বয় মাউ চ্যাও কাও ঐ, |
| [illegible] | - | চাও কাও ঐ |
| [illegible] | - | আই কে খেন, আই কে খাম |
| [illegible] | - | আই ছাং চিং, ম'ছেংফা |
| [illegible] | - | ম' লাও খ্ৰি, পূ জাক জী, |
| [illegible] | - | ম্যুং তী, জা ছিং ফা, ছেং খাম, |
| [illegible] | - | কন তুন মান, |
| [illegible] | - | ম' খাও, ৰাং ৰাও, কন তুন মান, |
| [illegible] | - | ম' ৰূ, ম'ছেং, কন তুন মান, |
| [illegible] | - | ম'ছাম, ম' ছাই, ম'পং |
| [illegible] | - | কন তুন মান, |
| [illegible] | - | তাংলাই, বয় মাউ, চ্যাও কাও ঐ |
| [illegible] | - | চ্যাওপঁ ৰু, চ্যাও কাও ঐ |
| [illegible] | - | চ্যাওপঁ ৰু, চ্যাও কাও ঐ |
| [illegible] | - | চ্যাওপঁ ৰু, চ্যাও কাও ঐ |

মিচিং

# NA:NÉ BA:BU

**- Barnali Doley**
B.A. 5th Semester
Political Science Department

NA:NÉ BÍ-NGOM-LUDAGAI
AMMEM-AIMA:PÉ-LUYO-ÉMNA
AIMAN-AGERÉM-GERYO-ÉMNA
AJON-ARUM-LÉDULO-LÉKOLA-DULANG ÉMNA.

BA:BU-BÍ-LUDAGAI
ABÍNGÉM-LO:DÉM-MÉNGGÉSULANG-ÉMNA
POYÍR-NÉ-ABU-ÉM-KUMNANG-ÉMNA
AIYO:PÉ-POLANG-ÉMNA

NGOK-NA:N BÍ-AIPÉ-AYADAK
LÉKONÉM-GE:DAK-NGOK-AINAM-LÉ-GA:PÉ
BA:BU-BÍ AINÉ-ASIN-AGOMÉM-LU:YIRDAK
PONAM-LÉDULOKUM-AGÉRÉM-SIN-GÉRRANG-ÉMNA.

SÉ-MO:PÍ-SOK APPÍNG-KÉ-LÉGA:PÉ
OKO-AYÍRÉ-SIN-AKAMMANG
NA:NÉ – BA:BU-KÉPÉ-BULUK
APPÍNG-AO – OMMANG-LÉ-GA:PÉ-AYANG-AKAMODA.

**কবিতাটোৰ মূলভাৰ—**

ল'ৰা-ছোৱালীৰ উজ্জ্বল ভৱিষ্যত কামনাৰ্থে মাক-দেউতাকৰ গঠনমূলক উপদেশ এই কবিতাটোত বুজোৱা হৈছে।

**কবিতাটোৰ অসমীয়া অনুবাদ—**

মায়ে সদায় কৈছিল আনক বেয়াকৈ নক'বলৈ
আৰু কু-কৰ্মত লিপ্ত নহ'বলৈ।
দেউতাই সদায় কৈছিল জ্যেষ্ঠক শ্ৰদ্ধা ভক্তি কৰিবলৈ
আৰু পঢ়া-শুনা সময়ৰ মাজতে ঘৰুৱা কাম-কাজ কৰিবলৈ।

এই সংসাৰত সকলোৰে কাৰণে প্ৰতিটো ফল একেই নহয়,
মা-দেউতাৰ দৃষ্টিত সকলো ল'ৰা-ছোৱালীৰ প্ৰতি থকা মৰম সমান।

# GÍNÉ AYÍR

**- Barsha Regon**
B.A. 5th Semester
Political Science Department

SÉ-MO:PÍ-SO-TURRA-DUDO-ARA:SO
LÉKKOM AÍNÉ-LÉKKOM AIMANÉ-AYÍR-KO-A:DO
LÉKODA-PANGKUMABO-GÍNÉ-ÉDÉ-AYÍR-DÉM
MÉ:PO-MÉNGANNA-SO:MAN-YÍRMANNA-
DUNAM-AYÍRDÉM

KO:-KA: DOK-A:NÉ-RAGO-RUYIDOK
SULLI-OKUM-MOMANNAM
AJON-LÉDULO-MÉ:PO-MÉNGANNA-SO:MANNAM
GÍNÉ-ÉDÉ-AYÍR-KÍDÍ:DÉM-LÉKODA-PANGKUMA:BO
GÍNÉ-ÉDÉ-AYÍR-DO-JONBOSUMADÉM

AJON-KÍDÍ-LOK-ASIN-AYANG-ÉM-SILO-
AIPÉ-MÉ:PADUNG
GÍNÉ-AYÍR-DOK-JONNAM-AJON-KÍDÍ DÉM
SILOKÉ-AYÍR-SO-KABEK-TOKUMA
AYÍRÉ-SÉ:KOMSIN-TOYA:LA-DU:MANG
SU:PAKKÉ-AYÍR-SÉ:SIN-LONGÉKO-GÍNÉ-
AYÍR-PÉ IYÉKU

**কবিতাটোৰ মূলভাৰ—**

এই সংসাৰত জীৱন যাপনৰ উত্থান-পতনৰ পৰিস্থিতিৰ ওপৰত এই কবিতাটোৰ জৰিয়তে বুজাব বিচাৰিছে।

**কবিতাটোৰ অসমীয়া অনুবাদ—**

এই পৃথিৱীত জীয়াই থকা সময়ত
এবাৰ ভাল এবাৰ বেয়া সময় আহে আৰু যায়
যোৱা সময়বোৰ পুনৰ ঘূৰাই পাব নোৱাৰে
হাঁহি-ধেমালিৰ সময়খিনি, ল'ৰালি কালত নৈৰ দাঁতিত
বালি ঘৰ সজোৱা স্মৃতিবোৰ
সমনীয়াৰ লগত হাঁহি-ধেমালিৰে খেলা-ধূলা
সেই অতীত ক্ষণবোৰ পুনৰ ঘূৰাই নাপায়।
অতীতৰ বন্ধু-বান্ধবৰ মৰম স্নেহবোৰ মনত পৰে
আজি সেই দিনবোৰ দৃষ্টিগোচৰ নহয়
সময় কাৰো বাবে অপেক্ষা নকৰে
বৰ্তমানৰ সময়খিনিও এদিন অতীতত পৰিণত হ'ব।

# ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভাগীয় প্ৰতিনিধিসকলৰ প্ৰতিবেদন



## সভাপতিৰ প্ৰতিবেদন

জয় জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল স্বনামধন্য মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ কষ্ট আৰু ত্যাগৰ ফলত তিনিচুকীয়া জিলাৰ অন্তৰ্গত এটি অতি পিছপৰা অঞ্চল শদিয়াত একমাত্ৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপে শদিয়া মহাবিদ্যালয় অনুষ্ঠানটি প্ৰতিষ্ঠা কৰাৰ বাবে সেইসকল ব্যক্তিক মোৰ হৃদয়ৰ কোণৰ পৰা শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে শদিয়া মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু প্ৰিয় শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ অফিচৰ কৰ্তৃপক্ষ আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱীসকল তথা সমূহ ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। এই ক্ষণতে শদিয়া মহাবিদ্যালয়ৰ উন্নতিৰ হকে আৰ্থিক, মানসিক আৰু শ্ৰমদানেৰে সহায় আগবঢ়োৱাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সভাপতি হিচাপে নিৰ্বাচিত হওঁ। বিগত বছৰবোৰৰ দৰে এইবাৰো সকলো ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগত শপত গ্ৰহণ কৰোঁ।

এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ দৰে এক গধুৰ দায়িত্বৰ বিষয়া হোৱাৰ বাবে মোৰ সকলোবোৰ কামতে এক মুখ্য ভূমিকা পালন কৰিছিলোঁ। সকলোবোৰ বিষয়ববীয়াকে লগত লৈ মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীণ বিকাশৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সুবিধা অসুবিধাৰ প্ৰতি ধ্যান ৰাখি কামবোৰ কৰিছিলোঁ। মহাবিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ' ০৮-০৬-২০২২ ৰ পৰা ১৩-০৬-২০২২ তাৰিখলৈ অনুষ্ঠিত হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক-শাৰীৰিক বিকাশৰ বাবে অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহৰ এই সময়ছোৱাত বিভিন্ন বিভাগৰ বিষয়াসকলক বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়াইছিলোঁ। প্ৰতিটো অনুষ্ঠান সুকলমে পাৰ হৈ যোৱাত সহায় কৰিছিলোঁ আৰু সুকলমে মহাবিদ্যালয় সপ্তাহখনিৰ সামৰণি পৰে।

মহাবিদ্যালয়খনিত কৰিবলগীয়া বহুতো কামেই আছে তথাপিও এবছৰ মোক সভাপতিৰ দৰে এক গুৰু দায়িত্বত থাকি অলপ হলেও মহাবিদ্যালয়ৰ উন্নতিৰ হকে অৱদান আগবঢ়াবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ। বহুতো নজনা কথা জনা, বুজা আৰু শিকাৰ অভিজ্ঞতা আহৰণ কৰিলোঁ। যদি অজানিতে মোৰ দ্বাৰা মহাবিদ্যালয়ৰ কাৰোবাক বেয়া ব্যৱহাৰ কৰিছিলোঁ বা কিবা ভুল কৰিছিলোঁ মোক নিজৰ বুলি ক্ষমা কৰি দিয়ে যেন।

শেষত মহাবিদ্যালয়খনিৰ উন্নতি হওক আৰু অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হওক তাৰে কামনা কৰিলোঁ।

জয়তু শদিয়া মহাবিদ্যালয়

**- কপিলা ৰায়**
সভাপতি
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



প্ৰথমে যিসকলে নিঃস্বাৰ্থ ত্যাগৰ জৰিয়তে অসম মাতৃৰ হকে নিজকে উছৰ্গা কৰি নিজ কলিজাৰ তেজেৰে শলিতা জ্বলাই আমাক এখোজ আগবাঢ়িবলৈ অন্ধকাৰ পথবোৰ পোহৰাই দিলে এবুকু সাহস দিলে সেইসকল মহান শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলিৰ শৰাই আগবঢ়াই প্ৰতিবেদন আৰম্ভ কৰিছোঁ।

জয়জয়তে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি তথা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০২১-২২ বৰ্ষৰ শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সাংস্কৃতিক সম্পাদকৰ পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হওঁ। অনাগত বছৰবোৰৰ দৰে শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পৰম্পৰা অনুসাৰে ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকলৰ লগত মই আনুষ্ঠানিকভাৱে সাংস্কৃতিক সম্পাদক হিচাপে শপত গ্ৰহণ কৰোঁ আৰু কাৰ্যভাৰ হাতত লওঁ।

বাৰেৰহণীয়া সাংস্কৃতিক ক্ষেত্ৰখন অতি বিশাল। এই বিশাল সাংস্কৃতিক ক্ষেত্ৰখনত সৃষ্টিৰ বীজ সিঁচি জীপাল কৰিবলৈ এবছৰ সময় তেনেই কম বুলি ক'ব পাৰি। সংস্কৃতি হৈছে এটা জাতিৰ সভ্যতাৰ দাপোন। সংস্কৃতিয়েই একমাত্ৰ উপাদান যিয়ে অন্যান্য জাতি বা জনগোষ্ঠীৰ মিলাপ্ৰীতিৰ লগতে বেয়াখিনি পৰিহাৰ কৰি ভাল গুণখিনি আঁকোৱালি লয়, যাৰ বাবে হে পৰে বাৰেৰহণীয়া। সংস্কৃতিলৈ লক্ষ্য ৰাখিয়েই কোনো এটা জাতিৰ উদাৰতাৰ সম্পৰ্কে বা জাতিটোৰ বিভিন্ন দিশৰ উৎকৰ্ষ সাধনৰ সম্পৰ্কে এটা সাম্যক ধাৰণা কৰিব পাৰি। তেনে এটা অসাধাৰণ গুণেৰে সুশোভিত বিভাগ এটাৰ সম্পাদক হ'বলৈ পাই নিজকে সৌভাগ্যৱান বুলিয়েই ভাবিছোঁ। কাৰ্যভাৰ গ্ৰহণ কৰা দিন ধৰি নিজ দায়িত্ব আৰু কৰ্তব্য একাগ্ৰতাৰে পালন কৰি আহিছোঁ। তথাপিও সাংস্কৃতিক এই বিশাল ক্ষেত্ৰখনত মই যিমানখিনি সফল নাইবা বিফল হৈছো সেইয়া আপোনালোকৰ বিচাৰ্য।

**যুৱমহোৎসৱ**

২০২১-২২ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱতো শদিয়া মহাবিদ্যালয়ে পোনপ্ৰথমবাৰৰ বাবে সাংস্কৃতিক প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰে। প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰি সাফল্য অৰ্জন কৰিব নোৱাৰিলেও কিন্তু বহু নজনা কথাই তাৰ পৰা শিকি আহিলোঁ। আশা কৰোঁ আহিবলগীয়া বৰ্ষসমূহত শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সেই প্ৰতিযোগিতাসমূহত সাফল্য অৰ্জন কৰিব।

**মহাবিদ্যালয় সপ্তাহ**

২০২১ — ২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ৩৬ তম বাৰ্ষিক সপ্তাহখন ০৮-০৬-২০২২ তৰিখৰপৰা ১৩-০৬-২০২২ তাৰিখলৈ ছয়দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হয়। সেইমৰ্মে ১১, ১২ আৰু ১৩ জুন তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। সাংস্কৃতিক বিভাগৰ মুকলি বিহু, একাংকিকা নাট, মুকঅভিনয়, কৌতুক এই প্ৰতিযোগিতাসমূহত অন্য প্ৰতিযোগিতাৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা খুবেই কম। বহু চেষ্টাৰ ফলত এটা মুকলি বিহুৰ দল আৰু এটা একাংকিকা নাটৰ দল প্ৰদৰ্শনীমূলকভাৱে আগবঢ়োৱা হয়। একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰিব নোৱৰাৰ বাবে ২০২১-২২ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী নিৰ্বাচিত কৰিব পৰা নগ'ল। ই কেৱল দুখৰ কথা নহয় সামগ্ৰিকভাৱে মহাবিদ্যালয়ৰ বাবে এটি নিৰাশজনক কথা।

এইখিনিতে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা সমূহ প্ৰতিযোগী আৰু উপভোগ কৰা সমূহ দৰ্শকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**কৃতজ্ঞতা স্বীকাৰ**

কৃতজ্ঞতাৰে কাৰো ধাৰ পৰিশোধ কৰিব নোৱাৰি। মোৰ কাৰ্যকালত আগবাঢ়ি যাবলৈ যিসকল ব্যক্তিয়ে আন্তৰিকতাৰে সহায়-সহযোগিতা কৰিলে তেওঁলোকক মোৰ ফালৰপৰা হিয়াভৰা শুভকামনা আৰু ধন্যবাদ জনাইছোঁ।

মোক বিভিন্ন সময়ত মৰম আৰু আন্তৰিকতাৰে সহায় কৰা হেমন্ত কুমাৰ দেউৰী ছাৰ, লক্ষ্যজিৎ চিৰিং ছাৰ আৰু মনমী কলিতা বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়া ছাৰ আৰু বিভিন্ন দিশত সহায় কৰা দীপেন্দ্ৰ কুমাৰ খনাল ছাৰ, ৰাজীৱ ছাৰ, নকুল ছাৰ, ঋতুপৰ্ণা বাইদেউ, দৃষ্ণা বাইদেউ, বাৰ্ষিক সপ্তাহত অনুষ্ঠিত হোৱা সাংস্কৃতিক বিভাগৰ অনুষ্ঠানবোৰত বিচাৰকৰ আসন গ্ৰহণ কৰি আমাক উপকৃত কৰা শ্ৰদ্ধাৰ সন্ধ্যা বাইদেউ, পুষ্পাঞ্জলি বাইদেউ, বৰ্ণালী বাইদেউৰ লগতে আটাইকেইগৰাকীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ইয়াৰ পাছতে ছাত্ৰ একতা সভাৰ সকলো সম্পাদক-সম্পাদিকাৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দক কৃতজ্ঞতা জনাইছোঁ। শেষত মোক বাৰ্ষিক সপ্তাহৰ সময়ত সহায় কৰা বন্ধু অপু বুঢ়াগোহাঁই, বিনোদ দাহাল, মিদাজ গগৈ, লিলু দাস, অবিনাশ গোহাঁই, চাৰ্জন বুঢ়াগোহাঁই লগতে বিহুনাচ আৰু বিহুৱতী প্ৰতিযোগিতাত বাদ্য সংগত কৰা মিণ্টুকাই, দিগন্ত দাদা, বন্ধু আকাশৰ লগতে সমূহ শিল্পীকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত অজানিতে ৰৈ যোৱা দোষ-ত্ৰুটিৰ বা যদি মই অজানিতে কাৰোবাক নকবলগীয়া কিবা ক'লো তাৰ বাবে ক্ষমা বিচাৰিছোঁ। সদৌ শেষত শদিয়া মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ সহায় ও পৰামৰ্শ কামনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দিশৰ সকলো ক্ষেত্ৰত পাৰদৰ্শিতা লাভ কৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাৰ লগতে অনুষ্ঠানটি জাকত-জিলিকা কৰি সাংস্কৃতিক দিশটোক উন্নতিৰ পথত আগুৱাই লৈ যাব বুলি পৰম আশাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু শদিয়া মহাবিদ্যালয়
জয়তু শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধন্যবাদেৰে

**- জোনাক বড়া**
সাংস্কৃতিক সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ

# সংগীত সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ একতা সভাৰ সতীৰ্থসকল আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাচিছোঁ।

শদিয়া মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ২০২১-২০২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সংগীত সম্পাদক হিচাপে নিৰ্বাচিত হওঁ।

সুমধুৰ সংগীতৰ ক্ষেত্ৰখন বৰ বিশাল। এই বিশাল ক্ষেত্ৰখনত সৃষ্টিৰ বীজ সিঁচি জীপাল কৰিবলৈ এবছৰ সময় তেনেই নগণ্য। তথাপিও আপোনালোকে মোৰ ওপৰত যি আস্থা আৰু বিশ্বাস ৰাখি মোক এবছৰৰ বাবে সংগীত সম্পাদক হ'বলৈ সুযোগ দিলে, সেই আস্থা আৰু বিশ্বাসৰ প্ৰতি সন্মান জনাই মই কাৰ্যভাৰ গ্ৰহণ কৰা দিনৰ পৰা নিজ দায়িত্ব আৰু কৰ্তব্য একাগ্ৰতাৰে পালন কৰি আহিছোঁ। মহাবিদ্যালয়খনৰ সংগীত সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি বিগত দিনবোৰত মই তথা ছাত্ৰ-একতা সভাই কৰা কাম কিছুমানৰ আভাস দিবলৈ ওলাইছোঁ।

**মহাবিদ্যালয়ৰ বাৰ্ষিক আৰু অন্যান্য সংগীত অনুষ্ঠান**

এবছৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰি ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাই প্ৰথম কাৰ্যনিৰ্বাহক সভাত ৩৬তম মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ ৮ জুনৰ পৰা ১৩ জুন তাৰিখলৈ অনুষ্ঠিত কৰাৰ কথা সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে ১০, ১১, ১২ আৰু ১৩ তাৰিখে চাৰিদিনীয়া কাৰ্যসূচীৰে সংগীত বিভাগে অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতা সমূহ এনে ধৰণৰ— সমবেত সংগীত, বৰগীত, বনগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, জ্যোতি সংগীত, জয়ন্ত সংগীত, লোক সংগীত, বিয়া নাম, বিহুগীত, আধুনিক গীত আৰু পেৰদী গীত ইত্যাদি। বিহুগীত আৰু আধুনিক গীত প্ৰতিযোগিতাৰ বাহিৰে বাকী প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা বিগত বছৰত কৈ এই বছৰ অলপ হ'লেও বেছি আছিল বুলি অনুভৱ কৰোঁ। এইছেগতে প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা সমূহ প্ৰতিযোগী, উপভোগ কৰা আৰু বিচাৰক হোৱা সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহৰ বাবে যি দৰে সহায় সহযোগিতা আগবঢ়াব লাগে সেইদৰে আগবঢ়োৱাৰ কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়লৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**সংগীত বিভাগৰ সমস্যা ৰাজি**

৪০টা বছৰ পূৰ্ণ কৰা শদিয়াৰ একমাত্ৰ মহাবিদ্যালয়খনৰ সংগীতৰ দিশটো যিদৰে আগবাঢ়িব লাগিছিল তেনেদৰে আগবঢ়া নাই। সংগীত বিভাগৰ সম্পদ বুলি মহাবিদ্যালয়খনত এটা ঢোল, এখন হাৰমনীয়াম, এযোৰা তাবলা আৰু ঢুলকীৰ বাহিৰে মহাবিদ্যালয়খনত একোৰেই নাই। এইবাৰ মই কিছুমান বস্তু ক্ৰয় কৰিলোঁ যদিও কিছুমান বস্তু মোক জমা দিয়াহিয়ে নাই। বাদ্য যন্ত্ৰৰ অভাৱৰ বাবে মহাবিদ্যালয়ৰ বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী থকা সত্বেও তেওঁলোকে প্ৰতিভা বিকাশত আগবাঢ়িব পৰা নাই। মই কিছু সমস্যা সমাধান কৰাৰ প্ৰয়াস কৰিছিলোঁ যদিও বিশেষ সফলতা অৰ্জন কৰিব নোৱাৰিলোঁ। মহাবিদ্যালয়ৰ সংগীত বিভাগটোৰ বাদ্য যন্ত্ৰৰ লগতে আন বহু সমস্যাই জুৰুলা কৰিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যাতে এই সমস্যাসমূহ সমাধান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনাইছোঁ। মোৰ কাৰ্যকালত এনেধৰণৰ বহু সমস্যাৰ মই সন্মুখীন হ'ব লগা হৈছিল সেই কাৰণে অনাগত দিনত এনে ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগা নহয় বুলি আশা ৰাখিছোঁ।

**কৃতজ্ঞতা স্বীকাৰ**

কৃতজ্ঞতাৰে কাৰো ঋণ পৰিশোধ নোৱাৰি। মোৰ কাৰ্যকালত সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ দুৰ কৰি আগবাঢ়ি যাবলৈ যিসকল ব্যক্তিয়ে আন্তৰিকতাৰে দিহা-পৰামৰ্শ আৰু উৎসাহ যোগালে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। এই ছেগতে মই তেওঁলোকলৈ হিয়াভৰা শুভকামনা আৰু ধন্যবাদ জনাইছোঁ। মোক বিভিন্ন সময়ত বিভিন্ন দিশত মৰম আৰু আন্তৰিকতাৰে দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা বিভাগীয় উপদেষ্টা লক্ষ্যজিত চিৰিং ছাৰলৈ শ্ৰদ্ধা জনাইছোঁ। ইয়াৰোপৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়া ছাৰ আৰু যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে বিচাৰকৰ আসন গ্ৰহণ কৰি আমাক উপকৃত কৰিছিল তেওঁলোকলৈ কৃতজ্ঞতা জনাইছোঁ। ইয়াৰোপৰি ছাত্ৰ একতা সভাৰ সকলো সম্পাদক/সম্পাদিকালৈ কৃতজ্ঞতা জনাইছোঁ। শেষত আমাৰ এইবোৰ কথা মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশ কৰিবলৈ সুবিধা দিয়াৰ বাবে আলোচনী সম্পাদক মোহন দলে আৰু দীপেন্দ্ৰ কুমাৰ খনাল ছাৰক কৃতজ্ঞতা জনাইছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত মোৰ অজানিতে বৈ যোৱা দোষ-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয় আই অসম
জয়তু শদিয়া মহাবিদ্যালয়

ধন্যবাদ

**- ধৰ্মৰাজ গগৈ**
সংগীত সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ

# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



আৰম্ভণিতে ঐতিহ্যমণ্ডিত শদিয়া মহাবিদ্যালয়খন গঢ় লোৱাৰ ক্ষেত্ৰত সাধনা আৰু প্ৰচেষ্টা কৰোঁতাসকললৈ, অধ্যক্ষ মহোদয়লৈ আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা বন্ধু-বান্ধৱী, ভাইটি-ভণ্টিসকললৈ আন্তৰিক শ্ৰদ্ধা জনালোঁ।

বিগত বছৰৰ দৰে ২০২২-২৩ বৰ্ষৰ বাৰ্ষিক সপ্তাহ সমাৰোহ আৰম্ভ হয় ৪ জুন ২০২২ৰ পৰা ১৩ জুন ২০২২লৈ। এই বাৰ্ষিক সমাৰোহত তৰ্ক বিভাগৰ অন্তৰ্গত বিষয় সমূহৰ ভিতৰত আছিল কবিতা আবৃত্তি প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, কুইজ প্ৰতিযোগিতা।

২০২২-২৩ বৰ্ষৰ শদিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক সমাৰোহৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা তথা পুৰস্কৃত হোৱা প্ৰতিযোগীসমূহক মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মহাবিদ্যালয়খনৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ তুলনাত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য বুলি ক'ব পাৰি। ইয়াৰ মূল কাৰণ বহুতো, যেনে খেলপথাৰৰ অভাৱ, খেলৰ সামগ্ৰী সমূহৰ অভাৱ, সাংস্কৃতিক অনুষ্ঠানৰ বাবে উপযুক্ত মঞ্চৰ অভাৱ আৰু ইয়াৰ লগত জড়িত বিভিন্ন সামগ্ৰীৰ অভাৱ।

২০২২-২৩ বৰ্ষৰ শদিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহত তৰ্ক বিভাগৰ প্ৰতিযোগিতাসমূহত তৰ্ক বিভাগৰ তত্বাৱধায়ক হিচাপে ড° ৰাজীৱ খাটিৰড়া ছাৰ, ইংৰাজী বিভাগৰ লক্ষ্যজিৎ চিৰিং ছাৰ, অসমীয়া বিভাগৰ মনমী কলিতা বাইদেউ, ৰাজনীতি বিজ্ঞান বিভাগৰ দীপেন্দ্ৰ কুমাৰ খনাল ছাৰ, বুৰঞ্জী বিভাগৰ বুদ্ধিকান্ত মিশ্ৰ ছাৰ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ দৃস্না ফুকন বাইদেউয়ে যথেষ্ট সহায় আগবঢ়াইছিল তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জনালোঁ। তদুপৰি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাত সহায় সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী দেভিচ বৰগোহাঁই, গীতাঞ্জলী চনাৰ, জ্যোতিৰ্ময় গগৈ, দিবেনিতা বৰ্মন, কাশ্মিনা দেউৰী, বিদিশা চেতিয়া, অনুপম বুঢ়াগোহাঁই লৈও ধন্যবাদ জনাইছোঁ।

শেষত মোৰ এই এবছৰীয়া কৰ্তব্যৰ পথত অগ্ৰসৰ হওঁতে জ্ঞাতে বা অজ্ঞাতে যদি কিবা ভুল হৈ গ'ল তাৰ বাবে মই ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। শেষত শদিয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই বছৰেকীয়া প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয়তু শদিয়া মহবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

**- পল্লৱী গগৈ**
তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ



# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে শদিয়া মহাবিদ্যালয়লৈ মোৰ শতকোটি প্ৰণাম। যি সকলৰ নিঃস্বাৰ্থ ত্যাগৰ ফলত তথা কলিজাৰ তেজেৰে শলিতা জ্বলাই এখোজ আগবাঢ়িবলৈ অন্ধকাৰ পথবোৰ পোহৰাই তোলা মহান শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ। লগতে মহাবিদ্যালয়খনৰ সন্মানীয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

মহাবিদ্যালয়খনত সমাজ সেৱা বিভাগৰ সম্পাদক পদত সেৱা আগবঢ়াবলৈ পাই নিজকে সৌভাগ্যৱান বুলি অনুভৱ কৰিছোঁ। মহাবিদ্যালয়খনৰ উন্নয়ন তথা ভৱিষ্যতৰ পৰিকল্পনাৰ বাবে নিজৰ সৰ্বোচ্চ ত্যাগ কৰি দায়িত্ব পালন কৰাত সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, তথা সকলো ভাইটি-ভণ্টি সকললৈ শুভেচ্ছা যাছিলোঁ।

সমাজ এখনেই মানুহ এজনৰ সফলতা-বিফলতাৰ ওপৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সমাজ সেৱা কৰাৰ মানসিকতা ছাত্ৰ অৱস্থাৰ পৰাই গঢ় দিয়াতো প্ৰয়োজন। তেতিয়া ভৱিষ্যতেও সমাজৰ হকে কিবা কৰাৰ প্ৰয়োজনীয় ভেঁটি লাভ কৰিবলৈ সক্ষম হয়। উন্নত সমাজ ব্যৱস্থাই দেশৰ প্ৰগতিত বহু সহায় কৰিব পাৰে। সেয়ে আমি সকলোৱে সমাজ সেৱাৰ প্ৰতি মনোযোগ দিব লাগে। তাৰ বাবে প্ৰয়োজন হ'ব একাগ্ৰতা, কাৰ্যদক্ষতা আৰু ব্যক্তিগত অভিজ্ঞতা। যিবোৰ গুণ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ মাজত থাকোঁতেই আয়ত্ত কৰিব লাগিব। সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মই কি কৰিব পাৰিলোঁ সেইটো আপোনালোকৰ বিচাৰ্য বিষয়। তথাপিও মোৰ কাৰ্যকালৰ এটি থুলমূল খতিয়ান দাঙি ধৰাৰ প্ৰয়াস কৰিছোঁ।

সমাজ সেৱা বিভাগৰ সম্পাদক হৈ মহাবিদ্যালয়ৰ চৌহদ চফাই কৰা, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিয়মানুৱৰ্তিতা বজাই ৰখাৰ লগতে মহাবিদ্যালয়ৰ চৌহদ সুন্দৰৰ উদ্দেশ্যে গছ-পুলি, ফুল আদি ৰোপণৰ নিচিনা কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ অৰ্থে তথা সজাগতা মূলক কাৰ্যসূচী সমূহো ৰূপায়ণ কৰা হয়।

ইয়াৰ পিছতে বাৰ্ষিক সপ্তাহ, নৱাগত আদৰণি সভা, সৰস্বতী পূজা আদি সমূহ সুকলমে পতাৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক-সম্পাদিকাই ইজনে সিজনক সহায়ৰ হাত আগবঢ়ায়। মোৰ কৰণীয় কাৰ্যসূচীসমূহতো সহযোগিতা আগবঢ়োৱা সমূহ ছাত্ৰ একতা সভাৰ সম্পাদক-সম্পাদিকালৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে সকলো ক্ষেত্ৰতে মোক, সহায়ৰ হাত আগবঢ়োৱা সন্মানীয় অধ্যক্ষ মহোদয় ড° ভূপেন চুতীয়া ছাৰ আৰু উপদেষ্টা নকুল নেওগ ছাৰলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ তথা সৰস্বতী পূজা সুন্দৰকৈ পতাৰ ক্ষেত্ৰত যথেষ্ট ভূমিকা লৈছিলো, অকল যে সমাজ সেৱা সম্পাদকৰ পদতেই জড়িত তেনে নহয় বাকী বিভাগসমূহৰ কাম সমূহতো যথেষ্ট সহায়ৰ হাত তথা দৃষ্টি নিক্ষেপ কৰিছিলোঁ। ডেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীৰ দল লৈ অংশ গ্ৰহণ কৰিবৰ বাবে গৈছিলো, যিটো আছিল মোৰ বাবে সম্পূৰ্ণ এক নতুন অভিজ্ঞতা।

ছাত্ৰ একতা সভাৰ, আদৰৰ এই আসনৰ মৰ্যাদা ৰক্ষা কৰিব পাৰিছোনে নাই নাজানো তথাপিও সফলতাৰ গৌৰৱময় আনন্দ আৰু বিফলতাৰ কলংকিত যন্ত্ৰণা মূৰ পাতি লম।

যিকি নহওক, যিবোৰ কৰিলোঁ সেয়া সামান্য আৰু যিবোৰ কৰিবলৈ ৰৈ গ'ল সেয়া অসীম। পৰৱৰ্তী সম্পাদকে মোৰ সীমাহীন আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰিব বুলি আশাৰে বাট চাই ৰম।

সদৌ শেষত, মোৰ কাৰ্যকালত সহায় কৰা সন্মানীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শ্ৰদ্ধা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়খনৰ মুখপত্ৰ, আশাৰ বন্তি স্বৰূপ শদিয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয় জয়তু শদিয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

**- দেভিচ বৰগোহাঁই**
সমাজ সেৱা সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে যিসকল মহান ব্যক্তিয়ে অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত আমাৰ শদিয়া মহাবিদ্যালখন গঢ় লৈ উঠিল তেখেতসকললৈ মোৰ হিয়াভৰা একাঁজলি শ্ৰদ্ধা নিবেদিছোঁ। বৰ্তমান আমাৰ শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়া ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ সতীৰ্থসকল, সমূহ ছাত্ৰ-ছাত্ৰীলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তাৰ পিছতে যিসকলৰ সহায় সহযোগত ২০২১-২২ বৰ্ষৰ শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ জিৰণি কোঠা বিভাগৰ সম্পাদক হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই সুকলমে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ প্ৰতি মোক সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰিলে সেই সমূহ ছাত্ৰ-ছাত্ৰীক এই সুযোগতে ধন্যবাদ যাচিছোঁ।

২০২১-২২ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই পোনপ্ৰথমে ছাত্ৰ জিৰণি কোঠাটো যিমান পাৰোঁ সজালোঁ। তথাপিও কিছু কিছু ক্ষেত্ৰত অসুবিধা সন্মুখীন হোৱাৰ বাবে মই ভবাৰ দৰে সম্পূৰ্ণৰূপে জিৰণি কোঠাটো সজাই তুলিব পৰা নাছিলোঁ। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ তত্ত্বাৱধানত হোৱা প্ৰতিযোগিতাসমূহক সকলোৱে উৎসাহেৰে যোগদান কৰি মোক আনন্দিত কৰি তুলিছিল। সেয়ে সকলো প্ৰতিযোগীকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্যকাল কিমান দূৰ সফল হ'ল নাজানো কিন্তু এই কাৰ্যকালটো মোৰ বাবে স্মৃতি হিচাপে ৰৈ যাব। মোক মোৰ প্ৰতিটো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু ভাইটি-ভণ্টি সকলোলৈ ধন্যবাদ যাচিলোঁ। সদৌ শেষত মোৰ এই কাৰ্যকালত যদি কিবা এটা ভুল ৰৈ গৈছে, তাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ, লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিছোঁ।

'জয়তু শদিয়া মহাবিদ্যালয়'
'জয়তু শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা'

**- জ্যোতিময় গগৈ**
ছাত্ৰ জিৰণী কোঠা সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে মই শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দ ছাত্ৰ একতা সভাৰ সতীৰ্থ সকল তথা দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টিলৈ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাচিছোঁ।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত নিৰ্বাচিত হওঁ। অনাগত বছৰবোৰৰ দৰে শদিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পৰম্পৰা অনুসাৰে ছাত্ৰ-একতা সভাৰ বিভাগীয় সম্পাদকসকলৰ লগত মই আনুষ্ঠানিকভাৱে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে শপত গ্ৰহণ কৰোঁ আৰু কাৰ্যভাৰ হাতত লওঁ।

পোনপ্ৰথমে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই জিৰণি কোঠাৰ সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিলোঁ। ছাত্ৰীসকলৰ এমাৰ্জেন্সি ছেনিটেৰী পেডৰ ব্যৱস্থা কৰি দিয়া হ'ল। পৰিষ্কাৰ-পৰিচ্ছন্নতাকৈ কোঠাতো নিয়মীয়াকৈ ৰখাত সদায়েই চকু দিছিলোঁ। মোৰ কাৰ্যকালৰ সময়ছোৱা কম হোৱাৰ বাবে মই ভবাৰ দৰে সম্পূৰ্ণৰূপে জিৰণি কোঠাটো সজাই তুলিব নোৱাৰিলোঁ।

২০২১-২২ বৰ্ষৰ ৩৬ তম মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ সমাৰোহ আৰম্ভ হয় যোৱা ইং ৮ জুনৰ পৰা ১৩ জুন তাৰিখলৈ। ছাত্ৰী জিৰণী কোঠা বিভাগৰ খেলসমূহ আছিল ৰংগোলী, ৰছী টনা, চকী খেল, পাঞ্জা, দবা, কেৰম, ইত্যাদি। বিগত বছৰৰ দৰে এই বছৰো বিভিন্ন প্ৰতিযোগিতাসমূহৰ প্ৰতিযোগীৰ সংখ্যা আছিল যথেষ্ট। কিন্তু দবা খেলৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ অভাৱ হোৱাৰ বাবে অনুষ্ঠিত কৰিব পৰা নগ'ল। তাৰ বাহিৰেও মোৰ তত্বাৱধানত হোৱা প্ৰতিযোগিতাসমূহ উৎসাহজনকভাৱে সকলোতে যোগদান কৰি মোক আনন্দিত কৰি তুলিছিল। বাৰ্ষিক সপ্তাহ সমাৰোহত খেলসমূহৰ লগত ছাত্ৰী জিৰণি কোঠা বিভাগৰ উপদেষ্টা হিচাপে মনমী কলিতা বাইদেৱে যথেষ্ট সহায় সহযোগিতা আগবঢ়াইছিল আৰু প্ৰতিযোগী সকলক যথেষ্ট উৎসাহ যোগোৱাৰ লগতে মোক বিভিন্ন দিশত বহুতো দিহা পৰামৰ্শ দিয়াৰ বাবে বাইদেউৰ ওচৰত মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

ইয়াৰ লগতে মোক সকলো ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা গিৰিন্দ সোণোৱাল, অপু বুঢ়াগোহাঁই, কপিলা ৰায়, চিন্তো চেতিয়া, চুমী দেউৰী, মামুণ দেউৰী, পৰিস্মিতা বুঢ়াগোহাঁই, গীতাঞ্জলী দুৱৰা, পল্লৱী গগৈ, বৰ্ণালী দেউৰী, জ্যোতিৰ্ময় গগৈ, নিতুমণি দাস, দিবেন্দিতা বৰ্মণ আৰু মোৰ বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা যাচিলোঁ। শেষত মোৰ এই কাৰ্যকালৰ কৰ্তব্য পথত অগ্ৰসৰ হওঁতে জ্ঞাতে বা অজ্ঞাতে কৰা ভুলৰ বাবে ক্ষমা বিচাৰিছোঁ। শেষত পুনৰ সকলোৰে প্ৰতি মোৰ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

**- কাশ্মীনা দেউৰী**
ছাত্ৰী জিৰণী কোঠা সম্পাদক
শদিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০২১-২২ বৰ্ষ

# List of Principals of Sadiya College

## ESTD. 1982

1. **Mr. Kirti Chandra Phukan**, (Founder Principal)
2. **Mr. Girish Chandra Gogoi**, (i/c)
3. **Dr. Haragobinda Borkakaty**, (i/c)
4. **Mr. Ghanakanta Dihingia** (i/c)
5. **Mr. Brojen Borah**, (i/c)
6. **Mr. Brojen Saikia**, (i/c)
7. **Dr. Bhupen Chutia**, (December, 2021- Present)

# RETIRED EMPLOYEES OF SADIYA COLLEGE

## ESTD. 1982

| Sl. No. | Name | Designation | Date of joining | Date of retirement |
|---|---|---|---|---|
| 1 | Mr. Kirti Chandra Phukan | Founder Principal | 14/08/1982 | 31/10/2015 |
| 2 | Mr. Ghanakanta Dihingia | Associate Professor | 08/09/1985 | 31/01/2016 |
| 3 | Dr. Haragobinda Borkakoty | Assistant Professor | 04/09/1982 | 31/08/2019 |
| 4 | Mr. Bhuban Ch. Gogoi | Associate Professor | 20/10/1987 | 31/03/2019 |
| 5 | Mr. Pradip Gogoi | Associate Professor | 23/04/1988 | 31/12/2020 |
| 6 | Mrs. Prity Rani Dutta | Assistant Professor | 23/04/1988 | 31/01/2019 |
| 7 | Mr. Girish Chandra Gogoi | Associate Professor | 23/11/1988 | 30/06/2022 |
| 8 | Mr. Brojen Borah | Associate Professor | 06/11/1987 | 31/01/2023 |
| 9 | Lt. Bhairab Hazarika | Associate Professor | 01/04/1993 | expired-30/03/2017 |
| 10 | Lt. Bom Bahadur Chetry | Assistant Professor | 22/10/1987 | expired-15/11/2007 |
| 11 | Lt. Milleswar Buragohain | Senior Assistant (UDA) | 01/09/1982 | 31/12/2015 |
| 12 | Mr. Khirod Chetia | Senior Assistant (UDA) | 01/01/1987 | 30/09/2021 |

❖❖❖

# Some snapshots of the college fraternity





TEACHING STAFF



NON-TEACHING STAFF



LIBRARY STAFF WITH PRINCIPAL




STUDENT UNION WITH PRINCIPAL AND TEACHERS



# Glimpses of Celebration of 41st Foundation Day



Dr. Bhupen Chutia, Principal, Sadiya College, hoisting the college flag on 6th Sept., 2022




Dignitories including Prof. Domborudhar Nath , VC, Majuli University of Culture, Shri Pradan Baruah, MP, Lakhimpur LS Constituency, Shri Bolin Chetia, MLA, Sadiya LAC, Shri Bhuban Ch. Gogoi, President, GB, Sadiya College, Dr. Bhupen Chutia, Principal, Sadiya College during Open Session of the Foundation Day celebration.





41 Nos of College Flags hoisted on the occasion of 41st Foundation Day





Foundation Stone Laying Ceremony of Science Building by Shri Pradan Baruah, MP, Lakhimpur LS Constituency, Shri Bolin Chetia, MLA, Sadiya LAC on 6th Sept., 2022





Felicitation of various stakeholders of Sadiya College from its inception



Students of Sunpura High School receiving the Trophy of 1st Prize in Quiz competition




Cultural Function

# National Science Day celebration at the college




Mr. Jadav 'Molai' Payeng, **Forest Man of India** addressing the gathering in Science Day



Mr. Jadav 'Molai' Payeng, Forest Man of India planting a sapling in the college campus



Students during Exhibition competition



Prof. Kalyan Bhuyan, Director, IQAC, Dibrugarh University addressing the gathering

# Glimpses of various activities at the college









Anti-Drugs Campaign on 29th May, 2022





Extenstion activity




Alumni Meet



Teacher's Day Celebrations in the college




Interaction Session with Mr. Priom Jyoti Phukan, ACS, Assistant Commissioner, Sadiya, organized by Career Counseling Cell, Sadiya College.




Career Options in Sociology organized by Dept. of Sociology, Sadiya College




Students at Career Counselling Sessions




Awareness Programme on History of Assam, jointly organised by Sadiya College and Directorate of Archaeology, Govt. of Assam.



















As a part of the Har Ghar Tiranga Programme , a talk on 'Flag Code of India- 2002' was organized by the NSS Unit, Sadiya College in collaboration with Department of Political Science, Sadiya College on 3rd August, 2022.

# Glimpses of events of National Service Scheme Unit, Sadiya College




Plastic & Waste Collection Drive under Clean India Campaign on 29th & 30th Sept., 2021



Plantation Drive on the Occasion of World Environment Day on 05th June, 2021







International Yoga Day Celebration 21st June, 2022







Webinar on Road Safety Awareness on 04th Feb., 2022



Talk cum Quiz Programme on 'Know your Constitution' on 23rd Dec., 2021 in collaboration with Dept. of Pol. Science, Sadiya College.




Chief Minister's Plantation Programme

# STUDENT UNION MEMBERS 2021-22


Kapila Rai
President


Chandra Sharma
Vice President


Avinash Gohain
General Secretary


Divya Deori
Assistant General Secretary


Mohan Doley
Magazine Secretary


Davis Borgohain
Social service Secretary


Pallabi Gogoi
Debate and Sympo-sium Secretary


Jyotimoy Gogoi
Boy's Common Room Secretary


Kashmina Deori
Girl's common room Secretary


Jonak Borah
Cultural Secretary


Dharmaraj Gogoi
Music Secretary


Bidya Rupam Gogoi
Indoor Games Secretary


Ajit Phukan
Outdoor games Secretary


Barish Chiring
Gymnasium Secretary

# Students' Achievements



Avinash Buragohain
Mr. Sadiya College -2022



Junmoni Doley
Miss Sadiya College -2022



Himadri Deori
Best singer, Sadiya College-2022

# List of retired employees of Sadiya College from 2021 to present



Mr. Girish Chandra Gogoi
23/11/1988 – 30/06/2022
Associate Professor
Dept. of Economics



Mr. Brojen Borah
06/11/1987 – 23/01/2023
Associate Professor
Dept. of Economics



Mr. Khirod Chetia
01/01/1987 – 30/09/2021
Senior Assistant (UDA)





Mr. Rajendra Ojha, APS, A.S.P., Sadiya interacting with Students




Independence day celebration on 15th August, 2022



Republic Day celebration on 26th January 2023




অংকন ঃ ডেভিচ বৰগোহাঁই